মে’ 2012 ■ ₹ 20/-

চান্দমামা

Mumbai Edition

www.chandamama.com/parle/

উদীয়মান তাৰকা

যদি আপুনি আপোনাৰ পৰিয়াল বা ওচৰ-পাজৰৰ কোনো শিশুক উদীয়মান তাৰকা হিচাপে পোহৰলৈ আনিব বিচাৰে, তেন্তে শিশুজনৰ বিৱৰণ আৰু আপোনাৰ যোগাযোগৰ বিৱৰণ আমালৈ লিখি নিম্নোক্ত ঠিকনাত প্ৰেৰণ কৰকঃ

Young Achievers-RCM,
Chandamama India Ltd,
No:2 Ground Floor, Swathi Enclave, Amman koil street, Vadapalani, Chennai-26
(or)
online@chandamama.com

জিলিকি উঠিছে প্ৰতিভা

প্ৰগতি নটৰৰ ভাটাড়ক এক বিস্ময়কৰ শিশু বুলি কব পাৰি। ২০ নৱেম্বৰ, ২০০৮ত চিন্নাৰহাব্বাত কৰ্ণাটকৰ ৰাজ্যপাল শ্ৰীৰামেশ্বৰ ঠাকুৰে প্ৰগতিক সম্বৰ্ধনা জনায়।

প্ৰগতিৰ স্মৃতি শক্তি অসাধাৰণ। চাৰি বছৰ বয়সতে তেওঁ ১৯৬ খন দেশৰ ৰাজধানীসমূহৰ নাম মনত ৰাখিব পাৰে। তাই ২৮ খন ভাৰতীয় ৰাজ্যৰ ৰাজধানীৰ নামো কব পাৰে। প্ৰগতিয়ে ১২ টা ৰাশি আৰু সৌৰজগতৰ গ্ৰহকেইটাৰ নামো কব পাৰে। তাই আনকি কম্পিউটাৰ কীবোৰ্ডত থকাৰ ক্ৰমত আখৰবিলাক কৈ যাব পাৰে।

প্ৰগতিয়ে ২০ খনতকৈ অধিক নৃত্য প্ৰতিযোগিতাত বিজয়ী হৈছে। তাইৰ সাফল্যৰ এক উৎকৃষ্ট নিদৰ্শন হ'ল ২০১০ চনৰ ৰাষ্ট্ৰিয় বিজ্ঞান অলিম্পিয়াড। ইয়াত তাই স্কুলৰ ভিতৰতে প্ৰথম স্থান লাভ কৰে। ২০১০ চনত চেন্নাইত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰিয় স্তৰৰ এবেকাছ প্ৰতিযোগিতাত প্ৰথম ৰাণাৰ আপ হয়। তাই এবেকাছৰ নিয়মবিলাক নিজৰ অধ্যয়নত প্ৰয়োগ কৰাৰ বাবে গণিতত বিশেষ পাৰদৰ্শিতা লাভ কৰিছে। তাই অধ্যয়ন আৰু বাকী কামৰ মাজত সমতা ৰাখি কাম কৰাৰ বাবে দুয়োটা দিশতে আগুৱাই যাবলৈ সক্ষম হৈছে।

'খেলাধুলা নকৰি কেৱল কাম কৰিলে মানুহৰ বিকাশ নহয়।' এই কথাষাৰত বিশ্বাস কৰা প্ৰগতিয়ে প্ৰতিদিনেই কিছুসময় খেলা-ধূলাত খৰচ কৰে। আমি আশাকৰো যে এনে বিৰল প্ৰতিভাৰ অধিকাৰী প্ৰগতিয়ে জীৱনত অসম্ভৱক সম্ভৱ কৰি তোলক, নিজকে উদাহৰণ হিচাপে প্ৰতিষ্ঠা কৰক।

May 2012 ₹20/-
Founded by B. Nagi Reddi and Chakrapani

Editor & Publisher :
Prashant Sharad Mulekar

Associate Editors :
R. Vaasugi, K. Raja Sekhara Raju

Sub Editor :
Patricia Pandian

General Manager :
Sowmya Bharadwaj

Senior Artists:
K.C. Sivasankaran (Sankar), Gandhi Ayya, P. Mahesh, Sandeep Solkar

Artist :
Venki

Layout Designers :
B. Thirumal, K. Narendra, N. Sivakumar

Production In-charge :
Prashant Pawar

Circulation:
circulation@chandamama.com

Asst. Manager - Sales & Circulation:
Subhankar Rej

Sales Officer - Circulation :
K. Ravishankar

Advertisement :
sales@chandamama.com

Subscription :
Subscription@chandamama.com
Ramya K (Chennai)
Ph: +91 44 4399 2828

Head Office :
CHANDAMAMA INDIA LTD.,
P.O.Box No:19407, Mumbai-400093
Phone +91 22 28312872 / 28311849
Email:chandamama@chandamama.com
Website : www.chandamama.com

Published, Printed and Owned by CHANDAMAMA INDIA LTD., Published and Printed on their behalf by Prashant Sharad Muleker Published at B-3, Cross Road 'B', MIDC, Andheri (East) Mumbai - 400093. Printed At :- Kala Jyothi Process Pvt. Ltd, S.No.185, Kondapur, R.R.District-500133, Andhra Pradesh. Editor :- Prashant Sharad Mulekar

এই সংখ্যাত আছে

চান্দমামা

Volume-3 May 2012 Issue-05

* পাঠকৰ পত্ৰ ...০৬
* মোৰ স্মৃতি ...০৯
* জনসাধাৰণৰ সেৱা ...১১
* অনুচিত দান ...১৭
* ভূতৰ পৰা পৰিত্ৰাণ ...২০
* মিত্ৰ ভেদ - ৩০ ...২৪
* মোৰ সোণালী মাছটো ক'ত? ...২৭
* মোক্ষ লাভৰ যোগ্য ...৩০
* বিশ্বাসঘাটকতা ...৩২
* কুকুৰাৰ দাম ...৩৫
* এলেহুৱা ...৩৯
* মই কৃপণ নেকি? ...৪০
* দিয়াৰ অভ্যাস ...৪২
* কি ভাল, কি বেয়া? ...৪৩
* ভয়ংকৰ মনুষ্য ...৪৪
* অকথিত প্ৰশংসা ...৪৮
* দৃষ্টিকোণ ...৫২
* ৰহস্যজনক উপহাৰ ...৫৪
* শিথিলালয় - ২৬ ...৫৫
* ব্যৱসায়িক বুদ্ধি ...৬৩
* অন্ধ চৰকাৰ ...৬৪
* অহংকাৰী ...৬৬
* খাৰ লোৱা বিপদজনক ...৬৭
* বেটুপাতৰ কাহিনী ...৭০
* মই কি হ'ব পাৰো? ...৭১
* চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ - ৪০ ...৭২
* কৌতুক ...৭৩
* ৰাজকীয় খাদ্য ...৭৪
* কথাৰ মালিহা ...৭৬
* ভাৰত দৰ্শন ...৭৮
* বীৰবল ...৮০
* গুপ্তধনৰ বাকচ ...৮২

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

বন্ধদিন আৰু চান্দমামা...

বন্ধদিন হ'ল আনন্দ কৰাৰ সময়। এই সময়ত আমি নতুন ঠাই ভ্ৰমণ, সম্বন্ধীয় লোকৰ ঘৰ ফুৰা, বন্ধুৰ লগত খেলা-ধূলা কৰা, টিভি চোৱা আদি নানা ভাল লগা কাম কৰিবলৈ সুবিধা পাও। কিন্তু এইবছৰ আমি এইবিলাক কাম কৰাৰ উপৰিও অলপ বেলেগ ধৰণৰ কাম কৰি চাও আহা। আমি আমাৰ পাঠকসকলক কাহিনী, অভিজ্ঞতা আদি আমালৈ প্ৰেৰণ কৰিবলৈ অনুৰোধ কৰো যাতে আমিও সেইবিলাকৰ সোৱাদ লব পাৰো। তাৰোপৰি আমি প্ৰায়ে কৈ অহাৰ দৰে প্ৰত্যেকেই নিজৰ অঞ্চল, বন্ধু-বান্ধৱ, দেশ আদিৰ সমৃদ্ধিত অংশ লোৱা উচিত। আমি আমাৰ কম বয়সীয়া বন্ধু বা দৃষ্টিহীন বন্ধুসকলক চান্দমামা পঢ়ি শুনাব পাৰো, যি সকলে ভাষা জ্ঞান নথকাৰ বাবে বা দৃষ্টিহীনতাৰ বাবে নানান কাহিনীৰ সোৱাদ লোৱাৰ পৰা বঞ্চিত হৈ আছে। আমি বৃক্ষৰোপণ কৰিব পাৰো, পুতলা তৈয়াৰ কৰিব পাৰো, চফাই অভিযান বা ৰং কৰা কাম কৰি আমি পঢ়ি অহা স্কুললৈ কিছু হলেও বৰঙণি যোগাব পাৰো। আমি এনেধৰণৰ নানা কাম কৰিব পাৰো, যি কাম কৰি আমি আনন্দ লাভ কৰাৰ লগতে সমাজলৈ কিছু বৰঙণি আগবঢ়াব পাৰিম।

যোৱা বছৰ জাপান এক অন্যতম ভয়ংকৰ প্ৰাকৃতিক দুৰ্যোগৰ মুখামুখি হবলগীয়া হ'ল। সেই ভূমিকম্প আৰু ছুনামীৰ বেয়া প্ৰভাৱ দেশখনে এতিয়াও ভুগি থাকিবলগীয়া হৈছে। কিন্তু একেসময়তে, দেশৰ সকলো জনসাধাৰণ একগোট হৈ বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা অঞ্চলসমূহ পুণৰ নিৰ্মাণ কৰাত আগভাগ লৈছে। যদি আমি জাপানীসকলৰ কৰ্মৰ নমুনা দেখো, তেন্তে তেওঁলোকৰ নশলাগি নোৱাৰো।

যোৱা মাহলৈকে সম্পাদকীয়ত আমি মাহটোৰ নানা গুৰুত্বপূৰ্ণ দিনৰ কথা উল্লেখ কৰিছিলো। আমি অনুভৱ কৰো যে সেইবিলাক বহুবছৰ ধৰি উল্লেখ কৰি থকা হৈছে আৰু সেইবাবে আমি সম্পাদকীয়ত নতুন ধৰণৰ আলোচনাৰ সূত্ৰপাত কৰিবৰ হ'ল। আমি এইবিষয়ে তোমালোকৰ মতামত জানিবলৈ পালে সুখী হম।

আমি তোমালোকক বন্ধৰ দিনৰ অভিজ্ঞতাৰ বিষয়ে আমালৈ লিখি পঠিয়াবলৈ অনুৰোধ কৰো যাতে সেইবিলাকক আমি চান্দমামাত ঠাই দিব পাৰো।

আশাকৰো তোমালোক বন্ধৰ দিন আনন্দময় হওক! *– সম্পাদক*

পাঠকৰ পত্ৰ

মই অলপতে আন্তৰ্ৰাষ্ট্ৰীয় চলচিত্ৰত যোগদান কৰিবৰ বাবে জয়পুৰলৈ গৈছিলো। যেতিয়া ষ্টেচনৰ পৰা মই বাহিৰলৈ আহিছিলো, তেতিয়া দেখিলো যে চান্দমামাৰ এটা ডাঙৰ টোপোলা আহি পাইছেহি। মই তাকে দেখি দৌৰি গৈ তাৰে এখন আলোচনী ল'লো আৰু পৃষ্ঠাবিলাক লুটিয়াবলৈ ধৰিলো। কিতাপৰ দোকানখনৰ দোকানীজনে অলপ সময় মোলৈ আঁচৰিত হৈ চাই থাকিল আৰু তাৰপিছত এখন চকী আগবঢ়াই দি তাত বহি পঢ়িবলৈ কলে। তেনেসময়তে মোৰ বন্ধুসকল আহি সেই ঠাই পালেহি আৰু মোক টানি টানি লৈ গ'ল। তেওঁলোকে কলে যে এজন ডাক্তৰ হিচাপে মই এনে কৰাটো উচিত নহয়। মই উত্তৰ দিলো যে মই জীৱনৰ শেষ নিশ্বাস পৰ্যন্ত চান্দমামা পঢ়ি যাম।

– ড. চিৰি, মিৰয়ালাগুড়া

মোৰ শৈশৱৰ পৰা মই চান্দমামাৰ হিতোপদেশমূলক কাহিনী পঢ়ি আহিছো। যি কি নহওক, বৰ্তমান সংখ্যাসমূহত প্ৰকাশিত কাহিনীৰ মান তুলনামূলকভাৱে কমি আহিছে আৰু একেধৰণৰ বহু কাহিনী বাৰে বাৰে প্ৰকাশিত কৰি থকা হৈছে। উদাহৰণস্বৰূপে, মই ২০১২ চনৰ ফেব্ৰুৱাৰী আৰু মাৰ্চ মাহৰ দুটা কাহিনী একে ধৰণৰ যেন পালো। মই অনুৰোধ কৰো যে চান্দমামাই এনে ঘটনা যিমান পাৰি কমাবলৈ চেষ্টা কৰিব লাগে, যাতে চান্দমামাৰ মানদণ্ড অটুট থাকে।

– শ্ৰীনিৱাস পামাৰ্থ (ইমেইলৰ দ্বাৰা)

বেতালৰ কাহিনী 'অনন্তৰ সিদ্ধান্ত'ৰ তত্বকথা সঁচাই চিন্তা উদ্ৰেককাৰী। বয়োজ্যেষ্ঠসকলৰ মিঠা স্মৃতি অতুলনীয়। পঞ্চতন্ত্ৰ ধাৰাবাহিকো বৰ আমোদজনক।

– বি ৰাজেশ্বৰী, পনকল

বেটুপাতৰ জটায়ুৰ চিত্ৰ সঁচাই চালে চকু ৰোৱা বিধৰ। পিছফালৰ বেটুপাতৰ সীতা আৰু আৰ্ট বুকৰ চিত্ৰও বৰ ধুনীয়া। এই মাহত আমি একেটা সংখ্যাতে চাৰিখন সম্পূৰ্ণ পৃষ্ঠাৰ ছবি লাভ কৰিলো। এয়া এক আসাধাৰণ ঘটনা। আজিৰ যুগতো এনে ধ্ৰুপদী দৃশ্য ব্যৱহাৰ কৰাৰ বাবে চান্দমামাক ধন্যবাদ।

– এন ৰমেশ, চিত্তোৰ

এক পৃষ্ঠাৰ কাহিনীবিলাক হ'ল চান্দমামাৰ বিশেষত্ব। মই 'প্ৰপথম' কাহিনীৰ ভগৱান লক্ষ্মীৰ উত্তৰ বৰ ভাল পালো। 'প্ৰেৰণা' কাহিনীৰ নীতিকথা বৰ সুন্দৰ। মই ভাৱো যে চান্দমামাৰ কাহিনীবিলাক কমলাৰ টুকুৰাৰ দৰে ৰসাল।

– যোগাৰাও, বিজয়ৱাড়া

'সঞ্চিত বীজ' কাহিনীটো বৰ সুন্দৰ। 'আমি অকল ভোকহে চিনি পাও। মই আন একো নাজানো। মই কালিলৈ কি হব তাকো নাজানো।' মই সংলাপ কেইটা পঢ়ি মই থিৰ হৈ গলো।

এই কাহিনী হ'ল আমাৰ দেশৰ গাঁৱ অঞ্চলৰ জীৱনৰ এক সঁচা প্ৰতিফলন। লিখক আৰু চান্দমামা, দুয়োয়ে ধন্যবাদৰ পাত্ৰ।

– চি এইচ বেনু, হায়দৰাবাদ

আৰম্ভণিৰ পৰাই, চান্দমামাৰ কাহিনীবিলাকৰ পৃষ্ঠপটত একোটা কাৰণ থাকে। সাম্প্ৰতিক কাহিনীবিলাকেও তাকেই সোঁৱৰাই দিয়ে। 'ৰন্ধনৰ ৰাণী', 'চাৰি চোৰ', 'গছৰ ছাঁ', 'আজ্ঞা দিয়া হেতা' আদি কাহিনীসমূহে একো একোটা নীতিকথা বহন কৰিছে। আনহাতে 'সঞ্চিত বীজ' কীহিনীয়ে শিশুৰ বাবে শিক্ষা কিমান গুৰুত্বপূৰ্ণ তাক সুন্দৰভাৱে বৰ্ণনা কৰিছে। মই এই ধৰণৰ কাহিনী চান্দমামাত পঢ়িবলৈ পাই বৰ সুখী।

– নৰসিংহলু, কাৰ্নুল

মাৰ্চ মাহৰ সংখ্যাৰ কাহিনীবিলাক বৰ সুন্দৰ হৈছে। বিশেষকৈ 'সকলোৰে বাবে ন্যায়' আৰু 'ৰন্ধনৰ ৰাণী' সেইবিলাকৰ ভিতৰত বিশেষভাৱে জিলিকি উঠিছে। ভাৰতীয় সাংস্কৃতিক মূল্যবোধক প্ৰতিফলিত কৰিব পৰা কাহিনী প্ৰকাশ কৰাৰ বাবে চান্দমামা ধন্যবাদৰ পাত্ৰ। বাপাই অংকন কৰা অধিক চিত্ৰ মুদ্ৰণ কৰক।

– মাধৱ, পথপটনম, শ্ৰীকাকুলম

ফেব্ৰুৱাৰী মাহৰ সম্পাদকীয়ত প্ৰকাশিত ডাৰউইনৰ ওপৰত কৰা মন্তব্য অবান্তৰ। তেওঁৰ সূত্ৰৰ অযুক্তিকতা সৰ্বজনবিদিত যদিও বহু লোকে এতিয়াও তাৰ পৰা মুক্তি লাভ কৰিব পৰা নাই। সেইটোৱেই ডাৰউইনৰ সূত্ৰৰ সকলোতকৈ ডাঙৰ বিশেষত্ব। চান্দমামাৰ দৰে এখন আলোচনীয়ে এনে একপক্ষীয় আৰু অযুক্তিকৰ মন্তব্যৰ সমৰ্থন কৰাটো আমি কামনা নকৰো।

– কৃষ্ণ প্ৰসন্ন (ইমেইলৰ দ্বাৰা)

মই ৫ বছৰ বয়সৰ পৰাই চান্দমামা পঢ়ি আহিছো। ই হ'ল এখন অতুলনীয় আলোচনী। এটা সংখ্যা পঢ়াৰ পিছত মই সদায় পৰৱৰ্তী সংখ্যাৰ বাবে অপেক্ষা কৰি থাকো। মই উড়ীয়া চান্দমামাত বিদেশী কাহিনী, ফটো পৰিচয় প্ৰতিযোগিতা, সাহসী চাৰিজন আদি প্ৰকাশ কৰিবৰ বাবে অনুৰোধ কৰো।

– গোৰাচান্দ (ইমেইলৰ দ্বাৰা)

মই প্ৰথমতে আপোনালোকলৈ অভিনন্দন জ্ঞাপন কৰিছো। চান্দমামাৰ উড়ীয়া সংখ্যা উৰিষ্যাৰ পৰা বহু দূৰৰ ঠাইৰ পৰা প্ৰকাশিত হয়। এজন উড়িয়া লিখক হিচাপে মই এই চিঠি আপোনালোকলৈ লিখিছো। এতিয়া মোৰ বয়স ৮৫ বছৰ। আপোনালোকে প্ৰকাশ কৰা নানা আলোচনীৰে মোৰ ঘৰ ভৰি আছে।

– হৰেকৃষ্ণ দাস, বাৰাগাডা

যিদৰে কানাড়া লোকসকলে কানাড়া ভাষা ভাল পায়, সেইদৰে শিশুসকলে চান্দমামা ভাল পায়। আমি চান্দমামাত অধিক কৌতুক আৰু আমোদজনক কাহিনী পঢ়িব বিচাৰো। জটায়ুৰ চিত্ৰৰে বেটুপাত বৰ আকৰ্ষণীয় হৈছে। মাৰ্চ সংখ্যাৰ সকলো কাহিনী বৰ সুন্দৰ হৈছে। শুনি সুখী হব যে আমি যোৱা ২৫ বছৰ ধৰি চান্দমামা পঢ়ি আহিছো। ইয়াৰ সুন্দৰ কাহিনীয়ে পাঠকক এখন বেলেগ জগতলৈ লৈ যায়।

– আৰ বিজয়কালা আৰু এম পি স্বামী, বাংগালোৰ

Avail the loyalty bonus!

Chandamama Subscribers will get flat 10% off on subscription renewals! (All Editions - within India)

Chandamama!

Because stories make the world go round...

Choose your Chandamama!
Go to www.chandamamashop.com & subscribe Now!!

You can also subscribe online at: **www.chandamamashop.com**

Chandamama is available in English and 12 regional languages.
Junior Chandamama for children above 4 years is available only in English.

I want to subscribe to / gift / renew subscription for the following editions of Chandamama:

☐ English ☐ Telugu ☐ Tamil ☐ Kannada ☐ Hindi
☐ Marathi ☐ Gujarati ☐ Oriya ☐ Bengali ☐ Sanskrit
☐ Santali ☐ Malayalam ☐ Assamese ☐ Junior (Only in English)

Name: ....

Date of Birth: .... Sex : ....

Address: ....

....

....

.... City: ....

State: .... Pin: ....

Telephone: ....

Mobile: ....

Email: ....

Subscription Number (for renewals): ....

Gift Subscription to the following address:

....

....

....

....

Enclosed Cheque/DD* for Rupees..............................

Cheque/DD No. ....

favouring Chandamama India Ltd on..............................

....bank.

* Your subscription will commence in 6 weeks.
Please mail the subscription form to:
Chandamama India Limited,
P.O.Box No:19407, Mumbai-400093.
Phone +91 22 28312872 / 28311849
Email: subscription@chandamama.com
You can also subscribe online at : www.chandamamashop.com

Take Your Pick!	1 YEAR	2 YEARS	3 YEARS	4 YEARS	5 YEARS
English (₹25/- per copy)	₹300	₹540 $60	₹765 $135	₹960 $240	₹1125 $375
REGIONAL (₹20/- per copy)	₹240	₹430 $50	₹610 $110	₹770 $190	₹900 $300
JUNIOR (₹15/- per copy)	₹180	₹325 $35	₹460 $80	₹575 $145	₹675 $255

** conditions apply

Annual Subscription Overseas : US $40 for English Chandamama, US $30 for Regional Languages, US $25 for Junior Chandamama (including shipping and handling charges) by air mail.

মোৰ স্মৃতি – তেলেগু

ঘটনাটো মোৰ ভালকৈয়ে মনত আছে। আমি তেতিয়া মাদ্ৰাজত বাস কৰিছিলো। মোৰ মায়ে আমাৰ দূৰ সম্পৰ্কীয় মিতিৰৰ ঘৰলৈ চান্দমামা পঢ়িবলৈ গৈছিল। ময়ো তেওঁৰ লগতে গৈছিলো। সেইদৰেই মোৰ চান্দমামা পঢ়াৰ অভ্যাস আৰম্ভ হ'ল।

আমি যাৰ ঘৰলৈ চান্দমামা পঢ়িবলৈ গৈছিলো, সেইগৰাকী মহিলাৰ নাম আছিল জনকাম্মা। তেওঁৰ ঘৰ আমাৰ ঘৰৰ পৰা প্ৰায় আধা কিলোমিটাৰ মান দূৰত আছিল। মোৰ যিমান দূৰ মনত আছে, সেই সময়ত চান্দমামা মাহটোৰ আৰম্ভণিতেই সদায় প্ৰকাশ হৈছিল। জনকাম্মাই ধাৰাবাহিক পঢ়ি থকাৰ সময়তেই প্ৰায়ে আমি তেওঁৰ ঘৰ পাইছিলোগৈ। সেই ধাৰাবাহিক পঢ়ি শেষ কৰাৰ পিছতে তেওঁ মোক চান্দমামাখন দিছিল আৰু সেইখন মই ঘৰলৈ লৈ আহিছিলো। তাৰপিছত এঘন্টা সেইখন পঢ়াৰ পিছত পুণৰ ঘূৰাই দি থৈ আহিছিলোগৈ।

Name: M. Balaji Singh
Occupation:Rtd.Employee
Place: Hyderabad.

তাৰ অলপ দিনৰ পিছত মই তেওঁৰ ঘৰলৈ চান্দমামা আনিবলৈ যাওতে তেওঁৰ জীয়েকক চান্দমামাখন পঢ়ি থকা দেখিছিলো। তাই মোক প্ৰায়েই অলপ সময় অপেক্ষা কৰিবলৈ কৈছিল। মই অপেক্ষা কৰিবলৈ ধৈৰ্য হেৰুৱাই পেলাইছিলো আৰু বহি থকাৰ পৰিৱৰ্তে পাইচাৰি কৰি ফুৰিছিলো। তেতিয়া মোৰ বয়স আছিল কেৱল আঠ বছৰ। সেই বয়সতে চান্দমামা পঢ়াৰ প্ৰতি এক হেঁপাহ মোৰ মনত সৃষ্টি হৈছিল। এই কথা কলেও ভুলকৈ কোৱা নহব যে মই কেৱল চান্দমামাৰ বাবেই সেই বয়সতে সুন্দৰকৈ তেলেগু পঢ়িবলৈ শিকি উঠিছিলো।

সেই সময়ত আমাৰ পৰিয়ালৰ অৰ্থনৈতিক অৱস্থা অতি শোচনীয় আছিল। নিজাকৈ চান্দমামা কিনাৰ বাবে ছয় অনা খৰচ কৰিবৰ বাবে আমাৰ সামৰ্থ নাছিল।

চান্দমামাৰ লগত মোৰ তেতিয়াৰে পৰা গঢ়ি উঠা সম্পৰ্ক এতিয়াও অটুট আছে। সেই সময়ৰ চান্দমামাৰ কাহিনীবিলাক আছিল দুস্প্ৰাপ্ৰ ৰত্নৰ দৰে আৰু তাৰ বহু কাহিনীয়েই এতিয়াও ভালদৰেই মোৰ মনত আছে। 'টোকা চুক্কা', 'পাপীষ্টি মুখালু', 'কয়া গুৰম', 'চান্দমামা মন্দহচম'ৰ দৰে চুটি কাহিনী, ধাৰাবাহিক আৰু শিতানবিলাক অতি মনোগ্ৰাহী আৰু চিন্তাৰ খোৰাক যোগাবলৈ সক্ষম আছিল। 'ফটোৰ নাম দিয়া' শিতানো মনত ৰেখাপাত কৰি যাব পৰা ধৰণৰ এক শিতান আছিল।

মই ১৯৬৩ চনত চাকৰিত যোগ দিয়াৰ পিছত চান্দমামা কিনিবলৈ আৰম্ভ কৰো। চান্দমামা সংখ্যাবিলাক সংগ্ৰহ কৰি থও। ১৯৬৬ ৰ পৰা ১৯৭০ চনৰ ভিতৰত কেইবাটাও কাহিনী ৰচনা কৰি চান্দমামালৈ প্ৰেৰণ কৰো যাতে চান্দমামাৰ লগত মোৰ সম্পৰ্ক আৰু অধিক গাঢ় হৈ উঠে। কিন্তু দূৰ্ভাগ্যবশত, সেইকেইটা কাহিনীৰ মান চান্দমামাৰ প্ৰকাশিত হবৰ জোখাৰে যথেষ্ট নাছিল আৰু সেইবাবে প্ৰকাশৰ মুখ নেদেখিলে। এটা কাহিনী লিখি চান্দমামাত প্ৰকাশ কৰাৰ সপোন মোৰ সম্পূৰ্ণ নহ'ল। তাৰপিছতে চাকৰিত মোৰ প্ৰমোছন হয় আৰু কামৰ দায়িত্বও লগে লগে বৃদ্ধি হয়।

এনে হোৱাৰ ফলত কাহিনী লিখাৰ বাবে প্ৰয়োজনীয় সময় মোৰ নোহোৱা হ'ল।

অৱসৰ লোৱাৰ পিছত ২০০২ চনত মই 'ফটোৰ নাম দিয়া' শিতানলৈ শীৰ্ষক প্ৰেৰণ কৰা আৰম্ভ কৰো। সেইবিলাকৰ ভিতৰত এটা ২০০২ চনৰ চেপ্তেম্বৰ মাহত প্ৰকাশিত হয়। দ্বিতীয়টো প্ৰকাশ হয় ২০০৯ চনৰ অক্টোবৰ মাহৰ চান্দমামাত।

এতিয়া মোৰ বয়স ৬৭ বছৰ। যেতিয়াই আজৰি সময় পাও, তেতিয়াই চান্দমামাৰ পুৰণি সংখ্যাবিলাক উলিয়াই লৈ পঢ়া মোৰ বৰ ৰাপ। চান্দমামাত প্ৰকাশ হোৱা কাহিনীবিলাকে এতিয়াও মোক বৰ আকৰ্ষণ কৰে। সেইবিলাকে শিশুসকলৰো জ্ঞান বৃদ্ধি কৰে। চান্দমামা সঁচাই সাহিত্যৰ জগতখনলৈ এক মূল্যৱান সংযোজন।

মোৰ স্মৃতি – গুজৰাটী

মোৰ নাম হ'ল আব্দুল হামিদ। মই গুজৰাটৰ বনস্কন্ঠ জিলাৰ পালনপুৰত বাস কৰো। মোৰ বয়স হ'ল প্ৰায় ৩৮ বছৰ। মোৰ বয়স যেতিয়া ১১ বছৰ আছিল, দেউতাই মোক চান্দমামা পঢ়িবলৈ দিছিল। প্ৰথমবাৰ পঢ়িয়েই মই ইমান সুখী হৈছিলো যে সেই কথা মই ভাষাৰে লিখি প্ৰকাশ কৰিব নোৱাৰো।

Name: Abdul Hamid Memon, Palanpur, Banskantha, Gujarat.

মই 'আৰবিয়ান নাইটছ' আৰু চান্দমামা বৰ ভাল পাও। চান্দমামাৰ চিত্ৰবিলাক বৰ সুন্দৰ। সেইবিলাক দেখাৰ লগে লগে এনে ভাৱ হয় যে কাহিনীৰ লগত আমি নিজেই গৈ সেই ঠাইত উপস্থিত হলোগৈ। মোৰ বোধেৰে পৃথিৱীৰ যিকোনো আলোচনীৰ চিত্ৰতকৈ চান্দমামাৰ চিত্ৰবিলাক অধিক চকুতলগা। চান্দমামাৰ শান্ত সৰু সুন্দৰ গাৱঁৰ চিত্ৰ, বৃহৎ ৰাজপ্ৰসাদ, বট গছ, পুখুৰী আৰু জলপ্ৰপাত, পাহাৰ–পৰ্বত, জীৱ–জন্তু আৰু চৰাই–চিৰিকতি, ময়ুৰ চৰাই, কুকুৰা আদিৰ চিত্ৰবিলাক এবাৰ চালে চকু ঘূৰাই আনিব নোৱাৰা বিধৰ। চান্দমামাৰ সফলতাৰ আঁৰত এই চিত্ৰবিলাক যথেষ্ট হাত আছে।

ভগৱানৰ কৃপাতহে আমি এনে এখন আলোচনী লাভ কৰিবলৈ সক্ষম হৈছো। চান্দমামা পঢ়ি আমি নানা কথা শিকাৰ লগতে আনন্দ আৰু আমোদো লাভ কৰো।

মই চান্দমামা প্ৰকাশৰ লগত জড়িত থকা সকলো লোকক অভিনন্দন জনাইছো। সকলোৰে আশাসুধীয়া প্ৰচেষ্টাৰ বাবেই এনে এখন আলোচনী প্ৰকাশ কৰি থকাটো সম্ভৱপৰ হৈ উঠিছে। মই আশাকৰো যে চান্দমামাৰ প্ৰকাশ বহু কালৰ বাবে অব্যাহত থাকিব।

মই যোৱা ৪০–৫০ বছৰৰ আগতে চান্দমামাই প্ৰকাশ কৰা কাহিনীবিলাকৰ লগতে 'আলিবাবা আৰু ছল্লিছ চোৰ' প্ৰকাশ কৰিবলৈ অনুৰোধ কৰো।

বৰ্তমানে চান্দমামাৰ বহু সালসলনি ঘটাই পুণৰ পুৰণা ৰূপ দিবলৈ চেষ্টা কৰা দেখা পোৱা গৈছে। এনে পদক্ষেপৰ বাবে সকলো ধন্যবাদৰ পাত্ৰ।

জনসাধাৰণৰ সেৱা

হতাশ নহৈ ৰজা বিক্ৰম পুণৰ গছজোপাৰ ওচৰলৈ উভতি গ'ল। শটো পুণৰ গছৰ পৰা নমাই কান্ধত তুলি ললে। তাৰপিছত নিৰৱে মৰিশালিৰ ফালে খোজ পেলাবলৈ আৰম্ভ কৰিলে। তেনেসময়তে, শটোৰ মাজত বাস কৰা ভুতটোৱে কবলৈ ধৰিলে, ''হে ৰাজন, মই তোমাৰ সাহস আৰু ধৈৰ্যৰ প্ৰশংসা কৰো। কিন্তু তুমি বিচাৰত তোমাৰ প্ৰজাক নিৰপেক্ষতা প্ৰদৰ্শন কৰানে নকৰা তাত মোৰ সন্দেহ আছে। মই তোমাক ৰজা ৰত্নভূষণে কৰা বিচাৰৰ বিষয়ে এটা কাহিনী কম। এই কাহিনী শুনি তুমি তোমাৰ কষ্টৰ কথা পাহৰি যাব পাৰিবা।

ৰজা ৰত্নভূষণে অৱন্তীপুৰ ৰাজ্যত ৰাজত্ব কৰিছিল। সেই ৰাজ্যৰে এখন ভিতৰুৱা গাৱঁৰ নাম আছিল বেৰামপুৰ। সেই গাৱঁৰ মানুহে প্ৰধানত খেতি কৰিয়েই জীৱন নিৰ্বাহ কৰিছিল। তেওঁলোক কঠোৰ পৰিশ্ৰমী আছিল। এদিনাখন গাৱঁত এজন অচিনাকি মানুহ আহি সোমাল। এনে লাগিল যে বহুদূৰ খোজ কাঢ়ি অহাৰ



বাবে তেওঁ ভাগৰুৱা হৈ পৰিছে। তেওঁ বেছ দূৰ্বল হৈ পৰিছিল। তথাপিও তেওঁ কিবা খোৱা বস্তু বিচাৰি কাকো ভিক্ষা নকৰিলে। তেওঁ কাম বিচাৰি আহিছিল। তেওঁ এখন দোকানৰ আগত এখন গৰুগাড়ীত বহু শস্যৰ বস্তা দেখিলে। তেওঁ সেই বস্তাবিলাক এটা এটাকৈ কঢ়িয়াই দোকানৰ ভিতৰলৈ লৈ গ'ল আৰু তাৰ পৰিৱৰ্তে দোকানৰ গৰাকী ৰমণভাইৰ পৰা এসাজ খাদ্য বিচাৰিলে। ৰমণভায়ে ঘৰত খোৱাৰ পিছত যিবা অলপ বাচি আছিল তাকে তেওঁক খাবলৈ দিলে আৰু বিনা পইচাই কামটো সম্পূৰ্ণ হোৱাত সুখী হ'ল। বিদেশী লোকজনে ৰমণভাইক নিজৰ পৰিচয় দিলে আৰু কলে যে তেওঁৰ নাম হ'ল ঘচীৰাম।

ঘচীৰামে সেই গাৱঁতে থিতাপি লবলৈ ঠিক কৰিলে। যাকেই প্ৰয়োজন তেওঁ তাকেই সহায়ৰ হাত আগবঢ়ালে। এনে কৰোতে তেওঁ সহায়ৰ বাবদ একো এটা আশা কৰা নাছিল। যদি কোনোবাই তেওঁক অলপমান টকা দিছিল, সেয়া তেওঁ আনন্দৰে গ্ৰহণ কৰিছিল আৰু সাঁচি থৈছিল। ৰাতি হলে তেওঁ মানুহবিলাকৰ ঘৰৰ বাৰান্দাতে শুই পৰিছিল। যাকেই যেতিয়াই সহায়ৰ প্ৰয়োজন হয়, তেৰেই তাক সহায়ৰ বাবে মাতি নিছিল। ঘচীৰামেও অতি কঠিন কঠিন কামবিলাক কৰাত সকলোকে সহায় কৰি গৈছিল। কামেই আছিল তেওঁৰ একমাত্ৰ লক্ষ্য। এইদৰে বহুদিন কাম কৰাৰ পিছত ঘচীৰামে অলপমান ধন সাঁচিবলৈ সক্ষম হ'ল। তেওঁ সেই ধন গাৱঁৰ বাবে উপকাৰত অহা কিবা এটা কামৰ বাবে খৰচ কৰিব বিচাৰিছিল।

ৰমণভাই আছিল এজন বৰ স্বাৰ্থপৰ ব্যৱসায়ী। গাৱঁত থকা একমাত্ৰ দোকানখনো তেওঁৰেই আছিল। তেওঁ ওজন কৰোতে গ্ৰাহকক ঠগিছিল আৰু সকলো বস্তুৰে বাবে বহু বেছি দাম লৈছিল। গাৱঁবাসীসকলৰ বাবে আন কোনো উপায় নাছিল। তেওঁ খুচুৰা বিক্ৰীৰ ক্ষেত্ৰত গাৱঁত একছত্ৰী সম্ৰাট আছিল।

ঘচীৰামে এই ঘটনা দেখি সহ্য কৰি থাকিব নোৱাৰিলে। তেওঁ গাৱঁবাসীক সহায় কৰিবলৈ সিদ্ধান্ত কৰিলে। তেওঁ হাতত থকা টকা কেইটা লৈ চহৰলৈ গ'ল আৰু গাৱঁবাসীক দৈনিক প্ৰয়োজন হোৱা কিবা-কিবি বস্তু কিনি আনিলে। তাৰপিছত তেওঁ সেইবিলাক বস্তু লৈ ঘৰে ঘৰে গৈ নূন্যতম লাভ লৈ বিক্ৰী কৰিবলৈ ধৰিলে। উচিত দামত বস্তু লাভ কৰাত গাৱঁৰ লোকসকলেও ঘচীৰামক তেওঁৰ এই ব্যৱসায় চলাই যাবৰ বাবে উদগণি দিলে। যিসকল লোকে

নগদ পইচা দি বস্তু কিনিব নোৱাৰিছিল, সেইসকলক ঘাচীৰামে বস্তু বাকীলৈও দিছিল। তেওঁ নুন্যতম লাভ লৈ বস্তু বিক্ৰী কৰাৰ বাবে এদিনতে বহু বস্তু বিক্ৰী কৰিবলৈ সক্ষম হৈছিল। এইদৰে অলপ অলপকৈ লাভ কৰি তেওঁ টকা-পইছা গোটাই গাৱত তেওঁ নিজাকৈ এটা ঘৰ নিৰ্মাণ কৰিলে। সেই ঘৰৰ আগফালে তেওঁ এখন দোকানো আৰম্ভ কৰিলে আৰু গাৱঁৰ মানুহক সহায় কৰাটো অব্যাহত ৰাখিলে। তেওঁ কেতিয়াও স্বাৰ্থপৰৰ দৰে কেৱল নিজৰ লাভৰ কথা নাভাৱিছিল।

আনফালে গ্ৰাহকৰ অভাৱত ৰমণভাইৰ দোকানৰ বস্তুবোৰ গেলিবলৈ আৰম্ভ কৰিলে। তেওঁৰ ব্যৱসায় পৰি অহাৰ বাবে ৰমণভায়ে কেৱল ঘাচীৰামকেই দোষৰোপ কৰিলে। তেওঁৰ ঈৰ্ষাই লাহে লাহে সীমা চেৰাই গ'ল। তেওঁ ঘাচীৰামৰ এই কাৰ্যৰ ইতি পেলাবৰ বাবে আঁচনি তৈয়াৰ কৰিবলৈ ধৰিলে। এদিনাখন ঘাচীৰাম শুই থকা অৱস্থাত ৰমণভায়ে ঘাচীৰামৰ ঘৰৰ দুৱাৰ বাহিৰৰ পৰা বন্ধ কৰি দি জুই লগাই দিলে।

ঘাচীৰামৰ ঘৰত জুই লগা দেখি ওচৰ-চুবুৰীয়া সাৰ পাই উঠিল। তেওঁলোকে যেতিয়া ঘাচীৰামক ঘৰৰ ভিতৰৰ পৰা উদ্ধাৰ কৰিলে, তেতিয়া তেওঁৰ অৱস্থা সংকটজনক হৈ পৰিছিল। মানুহবিলাকে তেওঁক তৎক্ষণাত চহৰৰ চিকিৎসালয়লৈ লৈ গ'ল। সকলো লোকেই তেওঁৰ এনেদৰে যত্ন লবলৈ ধৰিলে যেন তেওঁ পৰিয়ালৰহে এজন।

লাহে লাহে ঘাচীৰামৰ অৱস্থা ভাললৈ আহিবলৈ ধৰিলে। গাৱঁৰ লোকসকলে প্ৰদান কৰা পৰিচৰ্যাই তেওঁৰ স্বাস্থ্য ভাললৈ অহাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে।

চিকিৎসালয়ত ঘাচীৰামৰ বিচনাৰ কাষতে



থকা আন এজন লোকে ঘচীৰামৰ কাষত ইমান মানুহৰ সমাগম দেখি আঁচৰিত হ'ল। তেওঁ এবাৰ এজনক সুধি পেলালে, ''মহাশয়, এও আপোনাৰ সম্পৰ্কীয় নেকি?''

''নহয়, তেওঁ আমাৰ সম্পৰ্কীয় নহয়। কিন্তু আমাৰ সকলোৰে বাবে তেওঁ ভগৱানৰ দৰে। আমি তেওঁৰ দৰে সৎ স্বভাৱৰ লোক ক'তো দেখা নাই।'' গাৱঁৰ লোকজনে উত্তৰ দিলে।

''কিন্তু আপুনি জানেনে যে তেওঁক যিয়েই ধৰি দিব পাৰিব, তেৱেঁই দহহেজাৰ টকা পুৰস্কাৰ হিচাপে লাভ কৰিব? তেওঁক যিসকলে ৰক্ষণাবেক্ষণ দিব, তেওঁলোক শাস্তিৰ সন্মুখীন হব। তেওঁ হ'ল এটা ডকাইত। তেওঁৰ নাম ঘচীৰাম নহয়, চাংগামলহে।'' আনজন লোকে কলে।

আনবিলাক লোকৰ সৈতে ৰমণভায়েও ঘচীৰামৰ খবৰ লবলৈ বুলি চিকিৎসালয়লৈ আহিছিল যাতে কোনেও তেওঁক সন্দেহ নকৰে। তেওঁ আনজন লোকে কোৱা কথাষাৰ ঘটনাক্ৰমে শুনিবলৈ পালে। তেওঁ লগে লগে ৰজাৰ সৈন্যক ঘচীৰামৰ কথা জনাই দিলে। ৰজাৰ সৈন্যই আহি ঘচীৰামক গ্ৰেপ্তাৰ কৰিলে আৰু ৰজাৰ দৰবাৰত হাজিৰ কৰালে।

ঘচীৰামৰ প্ৰকৃত নাম আছিল চাংগামল। সি আছিল এটা দুৰ্দান্ত ডকাইত। দেশৰ মানুহে সেই নামটো শুনিলেই ভয়তে কপি উঠিছিল। ৰজাই চাংগামলক জীৱন্ত বা মৃত অৱস্থাত ধৰিব পৰা জনলৈ ১০০০০ টকা পুৰস্কাৰ ঘোষণা কৰি থৈছিল।

এদিনাখন চাংগামলে এঘৰত ডকাইতি কৰিবলৈ গৈছিল। দূৰ্ঘটনাবশত কিছু শব্দৰ সৃষ্টি হ'ল। সেই শব্দত ঘৰৰ মালিক সাৰ পাই উঠিল। তেওঁ কিহৰ শব্দ চাবৰ বাবে চাকিটো জ্বলাবলৈ চেষ্টা কৰিলে। চাকি জ্বলোৱা দেখি লৰালৰিকৈ পলাবলৈ চেষ্টা কৰোতে চাংগামলে চাকিটোতে উজুতিয়াই দিলে। চাকিটো পৰি যোৱাত তাৰ পৰা জুই জ্বলি উঠিল। কম সময়ৰ ভিতৰতে জুয়ে গোটেই ঘৰটো আৱৰি ধৰিলে। ঘৰৰ গৃহস্থ, তেওঁৰ পত্নী আৰু তেওঁলোকৰ চাৰিটা সন্তানক উদ্ধাৰ কৰা হ'ল। কেৱল এজনী সৰু ছোৱালী ঘৰৰ ভিতৰত আৱদ্ধ হৈ পৰিল।

তাত উপস্থিত মানুহবিলাকে চিঞৰ-বাখৰ কৰিবলৈ ধৰিলে, কিন্তু ঘৰটোৰ ভিতৰলৈ সোমাবৰ বাবে কাৰো সাহস নহ'ল। মানুহবিলাকৰ এনে অৱস্থা দেখি চাংগামলে ভাবিলে যে সেই সৰু ছোৱালীজনীৰ মৃত্যুৰ কাৰণ তেওঁ হোৱা উচিত নহয়। তেওঁ

ছোৱালীজনীক উদ্ধাৰ কৰি আনিবলৈ চেষ্টা কৰিলে।

নিজৰ জীৱনৰ কথা নাভাৱি চাংগামলে ঘৰটোৰ ভিতৰত প্ৰৱেশ কৰিলে আৰু অলপ সময়ৰ ভিতৰতে জীৱন্ত অৱস্থাত ছোৱালীজনীক উদ্ধাৰ কৰি আনিলে। সেই সময়লৈকে তাইৰ অৱস্থা সংকটজনক হৈ পৰিছিল। চাংগামলে তাইক চিকিৎসকৰ ওচৰলৈ লৈ যাবলৈ চেষ্টা কৰিলে। কিন্তু মানুহবিলাকে তাক বেৰি ধৰিলে।

"ৰাইজ, এই ছোৱালীজনীক চিকিৎসকৰ ওচৰলৈ লৈ যাবৰ বাবে মোক এৰি দিয়ক। তাৰপিছত আপোনালোকে মোক যি শাস্তি দিয়ে দিব।" চাংগামলে অনুৰোধ কৰিলে। কিন্তু কোনোৱে তেওঁৰ কথালৈ কাণ নিদিলে। সকলোৱে তেওঁক আক্ৰমণ কৰিবলৈ ধৰিলে। ইফালে চিকিৎসাৰ অভাৱত সৰু ছোৱালীজনী মৃত্যু মুখত পৰিল।

চাংগামলে মানুহবিলাকৰ আক্ৰমণৰ পৰা কিবা প্ৰকাৰে পলাবলৈ সক্ষম হ'ল।

সেই সৰু ছোৱালীজনীৰ মৃত্যুৱে চাংগামলৰ জীৱনলৈ পৰিৱৰ্তন আনি দিলে। তেওঁ ডকাইতি কৰা বাদ দি বাকী জীৱন মানুহৰ সেৱা কৰি জীয়াই থাকিবলৈ ঠিক কৰিলে। ডকাইতি কৰি পোৱা সকলো ধন-সম্পত্তি দুখীয়া লোকৰ মাজত বিলাই দিলে। তাৰপিছত তেওঁ গৈ ভিতৰুৱা অঞ্চলত থকা বেৰামপুৰ নামৰ গাওখন পাইছিলগৈ, য'ত তেওঁৰ বিষয়ে মানুহে একো কথাই নাজানিছিল।

চাংগামল ধৰা পৰাৰ কথা শুনি তেওঁৰ ডকাইতিৰ বলি হোৱা বহুলোক ৰজাৰ দৰবাৰলৈ গৈ চাংগামলক ফাঁচী দিব লাগে বুলি দাবী



কৰিলে। একেসময়তে বেৰামপুৰৰ লোকসকলে ৰাজসভালৈ গৈ চাংগামল ওৰফে ঘচীৰামৰ মহানতাৰ কথা বিৱৰি কৈ তেওঁক ক্ষমাদান কৰাৰ দাবী কৰিলে। তেওঁলোকে লগতে এই কথাৰ দাবী কৰিলে যে ৰমণভাইক উপযুক্ত শাস্তি প্ৰদান কৰিব লাগে। দুয়োপক্ষৰ কথা শুনি ৰজা বিপাঙত পৰিল।

বহু ভৱা-চিন্তা কৰাৰ পিছত ৰজাই উপলব্ধি কৰিলে যে ইতিমধ্যেই চাংগামল এটা ডকাইতৰ পৰা সৎ লোকলৈ ৰূপান্তৰ হৈছে। তেওঁ ঘোষণা কৰিলে যে ৰমণভায়ে চাংগামলক ধৰি দিয়াৰ বাবে পুৰস্কাৰ লাভ নকৰে। তাৰপিছত তেওঁ ঘোষণা কৰিলে যে চাংগামলক ৰাজ্যৰ ব্যৱসায় সম্বন্ধীয় কাম কাজ চোৱাৰ বাবে সৰ্বোচ্চ বিষয়াৰ পদত নিযুক্ত কৰা হব। এই বিষয়-বাবৰ বাবে চংগামলে বজাৰৰ দামৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিব

পাৰিব। ৰজাৰ এই ঘোষণা শুনাৰ পিছত চাংগামলে ৰজাক কলে, ‘‘মহাৰাজ, মই এটা সময়ত অপৰাধী আছিলো। গতিকে প্ৰথমতে মোক তাৰবাবে উপযুক্ত শাস্তি প্ৰদান কৰক। সেই শাস্তি গ্ৰহণ কৰাৰ পিছত আপুনি প্ৰদান কৰা দায়িত্ব পালন কৰাত মোৰ কোনো আপত্তি নাই।’’

চাংগামলৰ কথা শুনি ৰজাই চাংগামলক ছমাহৰ বাবে কাৰাবাসৰ আদেশ দিলে। চাংগামলে সেই শাস্তি আনন্দৰে গ্ৰহণ কৰিলে। সেই শাস্তিৰ ম্যাদ সম্পূৰ্ণ কৰি চাংগামলে ৰাজ্যৰ ব্যৱসায়ৰ মুৰব্বী বিষয়াৰ কামত যোগদান কৰিলে। তেওঁ ৰাজ্যৰ ব্যৱসায়ৰ অৱস্থাৰ সমৃদ্ধি ঘটাবলৈ সক্ষম হল। ৰজা আৰু প্ৰজা সকলোৰে পৰা তেওঁ সন্মান লাভ কৰিলে।

ইমানলৈকে কাহিনীটো কৈ বেতালে ৰজা বিক্ৰমক সুধিলে, ‘‘হে ৰাজন, ৰজা ৰত্নভুষণে ঘোষণা কৰাৰ দৰে চাংগামলক ধৰি দিয়াৰ বাবে পুৰস্কাৰ প্ৰদান নকৰিলে। তাৰপিছত ৰজাই চাংগামলক গুৰুত্বপূৰ্ণ পদত মকৰল কৰাৰ পিছতো চাংগামলে শাস্তি দিবৰ বাবে অনুৰোধ কৰিলে। এয়া পাগলামি নহয়নে? তুমি যদি মোৰ প্ৰশ্নৰ উত্তৰ জনা স্বত্ত্বেও নিদিয়া, তেন্তে তোমাৰ মূৰ ফাটি হেজাৰ টুকুৰা হব।’’

ৰজা বিক্ৰমে উত্তৰ দিলে, ‘‘ৰমণভায়ে কেৱল নিজৰ স্বাৰ্থসিদ্ধিৰ কথা চিন্তা কৰিয়েই এনে কৰিছিল। তেওঁ চাংগামলক ধৰাই দিয়াৰ আঁৰত ৰাইজৰ বা ৰাজ্যৰ মংগল কৰাৰ কোনো অভিপ্ৰায় নাছিল। এনে কাৰণৰ বাবে তেওঁ পুৰস্কাৰ লাভ নকৰাটোৱেই যুক্তিসংগত।

আকৌ এজন চৰকাৰী বিষয়াৰ যদি কোনো অপৰাধ কৰাৰ তথ্য থাকে আৰু তাৰ বাবে তেওঁ শাস্তি লাভ নকৰে, তেন্তে সি আন আইন ভংগকাৰী লোকসকলক শাস্তি প্ৰদান কৰাৰ ক্ষেত্ৰত অন্তৰায় হৈ উঠিব পাৰে। গতিকে চাংগামলে প্ৰথমতে ৰজাক শাস্তি প্ৰদান কৰিবৰ বাবে অনুৰোধ কৰিছিল।’’

ৰজা বিক্ৰমে নিৰৱতা ভংগ কৰি এইদৰে বেতালৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ প্ৰদান কৰাৰ লগে লগে বেতালে মৰাশটোৰে সৈতে উৰি গৈ আগৰ দৰেই গছজোপাত ওলমি ৰ’লগৈ।

– জি সুব্ৰমণ্যম গৌড়



অনুচিত দান

চন্দ্রনগৰত এজন জমিদাৰ আছিল। তেওঁৰ ওচৰত বিশাল পৰিমাণৰ মাটি আৰু বহুতো গো-গাই আছিল। কিন্তু তেওঁ বৰ লুভীয়া আছিল। কেতিয়াবা ক'ৰবাত খৰচ কৰাৰ কথা শুনিলেই কপি উঠিছিল। তেওঁ এক মহা কৃপণ আছিল।

এদিনাখন জমিদাৰৰ এজনী গাই গৰুৰ বেমাৰ হ'ল আৰু দিনক দিনে সেই বেমাৰ বৃদ্ধি পাই যাবলৈ ধৰিলে। গাইজনীৰ পেট ফুলি গ'ল আৰু উশাহ-নিশাহ লব নোৱাৰা হৈ আহিল। গাইজনী মৰি থাকিব পাৰে বুলি জমিদাৰৰ কোনো দুখ নাছিল। কিন্তু তেওঁ এইবাবেই বেছি চিন্তা হৈছিল যে মৰি গলে মজদুৰক গাইৰ মৰাশ পুতি থোৱাৰ বাবে দুটা টকা দিব লাগিব। সেইবাবে তেওঁ বৰ চিন্তা হৈ আছিল।

জমিদাৰে তেওঁৰ চিন্তাৰ কথা ঘৈনীয়েকক কলে। তেওঁ গিৰিয়েকতকৈ কম কৃপণ নাছিল। তেওঁ গিৰিয়েকক কলে, ''গৰুজনী আমি নিজেও নি পুতি থব নোৱাৰিম। গতিকে আপুনি কিবা চিন্তা কৰি এনে এক কাম কৰক যে তাৰ বাবে আমি এপইছাও খৰচ কৰিব নালাগে।''

''ময়ো সেই কথাই চিন্তা কৰি আছো।'' জমিদাৰে কলে।

তাৰপিছত তেওঁ ঘৰৰ বাৰান্দাত বহি চিন্তা কৰিবলৈ ধৰিলে যে কেনেকৈ বেমাৰী গৰুজনীৰ পৰা ৰক্ষা পাব পাৰে। তেনে সময়তে এজন ব্ৰাহ্মণ সেইফালে অহা দেখিবলৈ পালে। সেই ব্ৰাহ্মণ গাৱলৈ নতুনকৈ আহিছিল। তেওঁক দেখিয়েই জমিদাৰৰ মনত এটা বুদ্ধি খেলালে।

''দেউ, আপুনি সঠিক সময়তেই

পি ভি ভাবনাৰয়ুলু

আহিছে। মই আপোনাক মতাই অনাৰ কথা চিন্তা কৰিয়েই আছিলো।'' জমিদাৰে কলে।

''কথা কি জমিদাৰ বাবু? কিয়বা মোৰ প্ৰয়োজন হ'ল।'' ব্ৰাহ্মণে সুধিলে।

''অলপ দিনৰ আগতে যেতিয়া মই ৰোগত পৰিছিলো, তেতিয়া জ্যোতিষীয়ে মোক গো দান কৰিবলৈ বিধান দিছিল। কিন্তু কিবা-কিবি কাৰণত সেই কাম এতিয়ালৈকে সমাধা কৰিব নোৱাৰিলো। আজি বাকী থকা কাম কৰিম বুলি ভাৱি থাকোতেই আপোনাক দেখা পালো। আপুনি এতিয়াই দান লৈ যাওক।'' জমিদাৰে গম্ভীৰভাৱে কলে।

এই কথা শুনি ব্ৰাহ্মণ বৰ সুখী হ'ল। তেওঁৰ নিজৰ পৰিয়ালৰ বাবে সদায় গাখীৰৰ প্ৰয়োজন হৈয়েই আছিল। তেওঁ জমিদাৰ বৰ কৃপণ বুলি শুনি তেতিয়ালৈকে একোৱেই বিচৰা নাছিল। কিন্তু আজি তেওঁ গম পালে যে জমিদাৰ আচলতে মহাদানী। তেওঁৰ ভুল ভাগিল।

''জমিদাৰ বাবু, আপুনি দিয়া দান মই কেনেকৈ নলও বুলি কব পাৰো। কিন্তু আজি হ'ল অষ্টমী। দানৰ বাবে ভাল দিন নহয়। মই পৰহিলৈ দশমীৰ দিনাখন দান লৈ যামহি।''

''নহয় নহয়, আপুনি আজি, এতিয়াই দান লৈ যাওক। কোনো কামত অনাহকত পলম কৰি থকাটো মই ভাল নাপাও। গোদানৰ বাবে কোনো শুভ দিন বা তিথিৰ প্ৰয়োজন নাই। গোদান যেতিয়াই দিয়া হয়, তেতিয়াই শুভ।'' জমিদাৰে কলে।

জমিদাৰৰ কথা পেলাব নোৱাৰি ব্ৰাহ্মণে সেই সময়তেই গোদান গ্ৰহণ কৰিবৰ বাবে মান্তি হ'ল।



দুয়ো তাৰপিছত ঘৰৰ পিছফালে থকা জমিদাৰৰ গোহালিলৈ বুলি গ'ল। গোহালিত বেমাৰী গাইজনীক দেখিয়েই ব্ৰাহ্মণে সকলো কথা বুজিব পাৰিলে। জমিদাৰে সেই বেমাৰী গাইজনীলৈ দেখুৱাই কলে, ''এইজনীয়েই গাই। আপুনি এতিয়াই লৈ যাওক।''

''জমিদাৰ বাবু, এই গাইজনী বেমাৰী যেন বোধ হৈছে। দেখোতেই সেই কথা গম পোৱা গৈছে।''

''মই দান দিয়াৰ সময়ত কৈছিলো জানো যে গাইজনী বেমাৰী নহয়? মই এইজনী গাইকেই দান কৰিম বুলি ভাৱি আছিলো। এতিয়া তাইৰ বেমাৰেই হয় বা মাৰিয়েই যায়, সেয়া আপোনাৰ কথা। মই ইতিমধ্যেই গাইজনী আপোনাক দান দি দিছো।'' জমিদাৰে কলে।

''আপুনি যি ভাৱে। ময়ো মোৰ ভাগ্যনো কেনে তাক পৰীক্ষা কৰি চাম। কোনেও কাৰো ভাগ্য সলনি কৰিব নোৱাৰে। এক মিনিট ৰব। মই পৰীক্ষা কৰি চাও এইৰনো কি বেমাৰ।'' এইবুলি কৈ ব্ৰাহ্মণে গাইজনী ভালদৰে পৰ্যবেক্ষণ কৰিবলৈ ধৰিলে।

ব্ৰাহ্মণৰ পিতাক এজন পশু বৈদ্য আছিল। তেওঁ সৰু কালতেই দেউতাকৰ পৰা ভালে কেইটা দৰব শিকিছিল। তেওঁ গাইজনী পৰীক্ষা কৰাৰ পিছত কাষৰে বাৰীলৈ গৈ বনৌষধি বিচাৰিবলৈ ধৰিলে। তাৰ পৰা তেওঁ কেইজোপামান ঘাঁহজাতীয় গছ উভালি আনিলে।

তাৰপিছত ব্ৰাহ্মণে সেই বনৰ ৰস খুন্দি উলিয়ালে আৰু গাইজনীৰ নাকত ঢালি দিলে। গাইজনীয়ে হাঁচিয়াই দিলে। তাই ডিঙিত লাগি থকা এটা কেঁচা বেল বাহিৰ হৈ আহিল। অলপ পিছতে গাইজনী ঠিয় হব পৰা হ'ল। ব্ৰাহ্মণে গাইজনীলৈ জমিদাৰৰ পৰা বিদায় লৈ ঘৰ অভিমুখে ৰাওনা হ'ল।

এজনী গাই হেৰুৱাৰ দুখত জমিদাৰ আৰু তেওঁৰ পত্নীয়ে বহু দেৰীলৈকে চকুলো টুকি থাকিল।

ভূতৰ পৰা পৰিত্ৰাণ

ঘনশ্যাম আৰু কল্যাণমল দুয়ো খেতিয়ক আছিল। ঘনশ্যামে পালামপুৰত আৰু কল্যাণমলে টিমকুৰত বাস কৰিছিল। ঘনশ্যাম আৰু কল্যাণমলৰ পত্নী দুয়ো বাই-ভনী আছিল।

ঘনশ্যাম আৰু কল্যাণমল দুয়ো ক্ষুদ্ৰ খেতিয়ক আছিল। তথাপিও, কল্যাণমলে জ্যেষ্ঠ খেতিয়কসকলৰ পৰা পৰামৰ্শ আদি গ্ৰহণ কৰিছিল। কিবা এটা নতুন কথা তেওঁলোকৰ পৰা শিকিব পাৰিলেই তেওঁ সেইটো নিজৰ খেতিত প্ৰয়োগ কৰিবলৈ চেষ্টা কৰিছিল। এই কাৰ্যই তেওঁৰ উৎপাদন বৃদ্ধি কৰাত সহায় কৰিছিল। তাৰপিছত তেওঁ তেওঁৰ অভিজ্ঞতা বাকীসকল খেতিয়কক বৰ্ণনা কৰিছিল আৰু অধিক উৎপাদন লাভ কৰাত সহায় কৰিছিল। এনে কাৰ্যৰ বাবে তেওঁক গাৱঁত সকলোৱে সন্মান কৰিছিল।

আনহাতে ঘনশ্যামৰ খেতি কৰাৰ ওপৰত থকা ধাৰণা সম্পূৰ্ণ বেলেগ আছিল। তেওঁ নিজৰ খেতিৰ সফলতাৰ আঁৰত থকা কিটিপ আনক মুঠেই ব্যক্ত নকৰিছিল। যদি তেওঁ নিজৰ মাটিৰ শস্যত পোক লগা দেখে তেতিয়া আনবিলাক খেতিয়কক সাৱধান কৰি নিদিছিল। এনে কাম কৰি তেওঁ সেই পোক সকলোৰে খেতিলৈ বিয়পি পৰাত অৱদান যোগাইছিল। ঘনশ্যামে কঠোৰ পৰিশ্ৰম কৰিলেও কল্যাণমল সদায় এখোজ আগবঢ়া আছিল। এই কাৰণতেই ঘনশ্যামে কল্যাণমলক ঈৰ্ষা কৰিছিল।

এবছৰ, প্ৰয়োজন অনুসাৰে বৰষুণ নহ'ল। খেতি কৰিবৰ বাবে প্ৰয়োজনীয় পৰিমাণৰ পানী নাছিল। আনকি জলসিঞ্চনৰ নলাইদি বোৱাই অনাটোও সম্ভৱ নাছিল। কল্যাণমলে তেওঁ লগৰীয়া খেতিয়কসকলৰ লগত একেলগ হৈ আলোচনা কৰিলে। তাৰপিছত তেওঁ সকলোৰে

পি ভি সত্যনাৰায়ণ

হৈ সেই অঞ্চলৰ কৃষি বিষয়াজনক লগ ধৰিলে। তেওঁৰ পৰামৰ্শ অনুসৰি তেওঁ নগৰৰ পৰা এটা ৱাটাৰ পাম্প আনিলে। সেই পাম্পৰ সহায়ত মাটিৰ বহু তলৰ পৰা পানী তুলিব পৰা গৈছিল। সকলো খেতিয়কে মিলি সেই পাম্পটোৰ মূল্য পৰিশোধ কৰিলে আৰু তাৰ পানী ব্যৱহাৰ কৰি উপকৃত হ'ল। সেইবছৰ সকলোৰে যথেষ্ট পৰিমাণৰ শস্য উৎপাদন কৰিবলৈ সক্ষম হ'ল। সকলোৱে বুজন পৰিমাণৰ শস্য উৎপাদন কৰিব পৰাৰ বাবে কল্যাণমলক কৃতজ্ঞতা জনালে।



ঘনশ্যামে কল্যাণমলহতে পাম্প কিনি খেতি কৰি বুজন পৰিমাণৰ শস্য উৎপাদন কৰাৰ কথা গম পালে। তেওঁলোকৰ অঞ্চলতো পানীৰ পৰিমাণ কমি গৈছিল। তেওঁ সেইবাবে এটা ৱাটাৰ পাম্প কিনিবলৈ ঠিক কৰিলে। কিন্তু তেওঁ কাৰো লগত একগোট হৈ সেইটো কিনাৰ কথা চিন্তা নকৰিলে। অকলে কিনিবৰ বাবেও তেওঁৰ ওচৰত ইমান টকা নাছিল। গতিকে তেওঁ গাৱৰে সুতলৈ টকা দিয়া ব্যৱসায়ী বিৰলা শেঠৰ পৰা টকা ধাৰে ললে।

'শস্যৰ উৎপাদন যথেষ্ট পৰিমাণে বৃদ্ধি পালে এই ধাৰ মৰাটো বৰ টান নহব। একেবছৰতে ধাৰ মাৰি শেষ কৰিব পৰা যাব।' ঘনশ্যামে মনতে ভাৱিলে।

ঘনশ্যামে কল্যাণমলক এই কথা কব নুখুজিলে যে তেওঁ এটা ৱাটাৰ পাম্প কিনিব বিচাৰিছে। তেওঁ কল্যাণমলৰ গাৱৰ পাম্প ব্যৱহাৰ কৰা আনবিলাক খেতিয়কৰ পৰাও কোনো পৰামৰ্শ গ্ৰহণ নকৰিলে। তেওঁ সকলো কথা কল্যাণমলৰ পৰা লুকুৱাই ৰাখিব বিচাৰিছিল।

ঘনশ্যাম পাম্প কিনিবৰ বাবে অকলেই নগৰলৈ গ'ল। তাত তেওঁ গৈ নানা ধৰণৰ পাম্পৰ বিষয়ে সুধিলে। এজন মানুহে লক্ষ্য কৰিলে যে পাম্প সম্বন্ধে ঘনশ্যামৰ একো জ্ঞান নাই। তেওঁ নিজে উপযাচি আহি ঘনশ্যামৰ লগত চিনাকি হ'ল আৰু কলে যে পাম্প সম্পৰ্কে তেওঁৰ ভাল জ্ঞান আছে। ঘনশ্যামেও তেওঁৰ কথাত বিশ্বাস কৰি ললে। তাৰপিছত তেওঁ ঘনশ্যামক এনে এখন দোকানলৈ লৈ গ'ল য'ত গ্ৰাহক গোটাই দিয়াৰ বাবে তেওঁ ধন লাভ কৰে। ঘনশ্যামে বিশ্বাসেৰে তাৰ পৰাই পাম্পটো কিনিলে। সেইটো আছিল একেবাৰে নিম্ন মানৰ। কিন্তু পাম্পৰ বিষয়ে একো জ্ঞান নথকা বাবে তেওঁ একো ধৰিব নোৱাৰিলে।



ঘনশ্যামে বুজিব পাৰিলে যে তেওঁৰ আঁচনি সফল নহ'ল। তেওঁ ভাবিছিল যে পাম্পটো ব্যৱহাৰ কৰি মজদুৰক দিয়া টকা বচাব পাৰিব। কিন্তু তেওঁ পাম্পৰ বাবে তেল কিনাত প্ৰতিমাহে তাতোকৈ অধিক টকা খৰচ কৰিব লগীয়া হ'ল। তেল কিনিবলৈ খৰচ কৰা টকাৰে তেওঁ দহটা মজদুৰ লগাই কুঁৱাৰ পৰা পানী তুলি খেতিপথাৰত দিব পাৰিলেহেতেন।

তেওঁ হতাশ হৈ পৰিল। তেওঁ কল্যাণমলতকৈ অধিক উৎপাদন লাভ কৰিব বিচাৰিছিল। তেওঁ বুজিব নোৱাৰিলে যে তেওঁৰ ক্ষেত্ৰত কিয় এনে হ'ল। ঘনশ্যামক চিন্তিত অৱস্থাত দেখি চন্দন নামৰ এজন খেতিয়কে তাৰ কাৰণটো সুধিলে। তেওঁ ঘনশ্যামৰ পৰা সকলো কথা জনাৰ পিছত কলে, ''ঘনশ্যাম, তোমাৰ সম্বন্ধীয় কল্যাণমলৰ গাৱৰ লোকসকলে যিমানবিলাক পাম্প ক্ৰয় কৰিছে, সকলোবিলাকেই ভালদৰে কাম কৰি আছে। কেৱল তোমাৰ পাম্পটোৱেহে কাম কৰা নাই। মোৰ বোধেৰে কিবা বেয়া শক্তিৰ প্ৰভাৱতহে এনে হৈছে। ই একেবাৰে তেজ খোৱাৰ দৰে তেল খাইছে। তুমি কোনো ভাল বেজ বা তান্ত্ৰিকৰ লগত এবাৰ পৰামৰ্শ কৰি নোচোৱা কিয়? কিবা তাবিজ আদি ললে ভাল হৈ পৰিব পাৰে।''

ইতিমধ্যেই হতাশ হৈ থকা ঘনশ্যামে এই কথা শুনি আৰু বেছি চিন্তিত হৈ পৰিল। তেওঁৰ মনত এই চিন্তা হ'ল যে যদি কেনেবাকৈ গাৱত এই কথা প্ৰচাৰ হৈ পৰে যে কিবা বেয়া শক্তিৰ প্ৰভাৱৰ বাবে পাম্পটোৱে কাম কৰা নাই, তেন্তে মজদুৰেও ভয়তে কাম কৰিবলৈ অহাটো বাদ দি দিব।

গতিকে ভাৱি চিন্তি তেওঁ গাৱৰ তান্ত্ৰিকজনৰ ওচৰলৈ গ'ল আৰু ৰাতি কোনেও নেদেখাকৈ খেতি-পথাৰলৈ লৈ গ'ল। তেওঁ তান্ত্ৰিকৰ হতুৱাই পুজা-পাতল কৰোৱাই পাম্পটোৰ গাত এটা তাবিজো বান্ধি দিবলৈ কলে। অৰিহণা হিচাপে ঘনশ্যামে সেই তান্ত্ৰিকজনক বুজন পৰিমাণৰ ধন আদায় দিবলগীয়া হ'ল।

এই সকলোবিলাক কৰাৰ পিছতো ঘনশ্যামে কোনো ফল লাভ নকৰিলে। পাম্পটোৱে অধিক তেল খায়েই থাকিল। গাৱতো এই কথা প্ৰচাৰ হৈ পৰিল যে ঘনশ্যামৰ পাম্পত অশুভ শক্তিয়ে বাহ লৈছে। এই কথা শুনাৰ পিছত ভয়তে তেওঁৰ পথাৰত কাম কৰিবৰ বাবে মজদুৰো নহা হ'ল। ঘটনা দেখি ঘনশ্যাম

একেবাৰে হতাশ হৈ পৰিল। তেওঁৰ শেতেলী লও লও অৱস্থা হ'ল।

তেনে সময়তে, পালনপুৰৰ গাওবুঢ়াক কিবা কথাত লগ ধৰিবলৈ বুলি এদিন কল্যাণমল সেই গাৱলৈ আহিল। সেই কাম শেষ কৰি তেওঁ ভাল-বেয়া খবৰ কৰি যাবৰ বাবে সম্বন্ধীয় ঘনশ্যামৰ ঘৰলৈকো আহিল। ঘনশ্যামে তেওঁক খুটি-নাটি মাৰি সকলো কথা বিৱৰি নকলেও খেতিপথাৰলৈ গৈ তেওঁ সকলো কথা অনুমান কৰি লব পাৰিলে।

তেওঁ কলে, ''ককাইদেউ, আশাকৰো মই তোমাৰ লগত এই বিষয়ে কথা পাতিলে তুমি বেয়া নোপোৱা। মই ভাৱো যে নতুন কিবা মেচিন আদি কিনাৰ আগতে লগৰ কৃষকসকলৰ লগত আলোচনা কৰি লোৱাটো ভাল কথা। তোমাৰ পাম্পটোক কোনো ভূত-প্ৰেত বা অশুভ আত্মাই লম্ভা নাই। এইটো হ'ল এটা নিম্ন মানৰ পাম্প। তাৰোপৰি তোমাৰ কুঁৱাৰ পানী যিমান তলত আছে সেই হিচাপত ইয়াৰ পাইপডাল অলপ ওপৰত আছে। এই কাৰণৰ বাবে ই অতি বেছি তেল খাইছে। তুমি সেই পাইপডাল ঠিকমতে লগাই ললেই তোমাৰ সমস্যা প্ৰায় সমাধান হৈ পৰিব।''

কল্যাণমলৰ কথাত ঘনশ্যামে কিবা বুজি পালে। আচলতে মেচিনত কোনো অশুভ শক্তিয়ে লম্ভা নাছিল। তেওঁৰ মনতহে ঈৰ্ষাৰ দৰে অশুভ শক্তিয়ে বাহ লৈছিল। তেওঁ কল্যাণমলক ঈৰ্ষা কৰিছিল আৰু তেওঁতকৈ বেছি পৰিমাণৰ শস্য উৎপাদন কৰি দেখুৱাব খুজিছিল। তেওঁ সেয়া কৰিবলৈ যাওতে ভুল পথটো বাচি ললে। ইমানৰ পিছতো কল্যাণমলে নিজে আগবাঢ়ি আহি প্ৰয়োজনৰ সময়ত শুদ্ধ পৰামৰ্শ দি সমস্যাটো সমাধান কৰাত সহায় কৰিলে। ঘনশ্যামে অন্তৰৰ পৰা কল্যাণমলক ধন্যবাদ জনালে।

তাৰপিছত কল্যাণমলৰ উপদেশ অনুসৰি তেওঁ খেতি কৰিবলৈ আৰম্ভ কৰিলে। অতি সোনকালেই তেওঁ গাৱৰ সকলোৰে মাজত জনপ্ৰিয় আৰু সম্মানীয় হৈ পৰিল। আনকি তেওঁ বুজন পৰিমাণৰ শস্যও উৎপাদন কৰিবলৈ সক্ষম হ'ল।

পঞ্চতন্ত্ৰৰ সাধু

কৰটকে দমনকক ভাটৌৰ কাহিনী শুনাই কলে, ‘‘তুমি নিজৰ কথা এনেকৈয়ো কব পাৰা যে তুমি সকলো কাম তোমাৰ মিত্ৰ সিংহৰ বাবে কৰিলা। কিন্তু মই তোমাক এটা কথা কব বিচাৰো। ‘মূৰ্খ বন্ধুতকৈ জ্ঞানী শত্ৰুৱেই ভাল।’ এজন ডকাইতৰ কহিনী ইয়াৰ সাক্ষী। আন এটা ঘটনাত এক বান্দৰে মিত্ৰ ৰজাকো বধ কৰিছিল।’’

‘‘সেয়ানো কি আছিল?’’ দমনকে সুধিলে।

কৰটকে সেই কাহিনী বৰ্ণনা কৰিবলৈ ধৰিলে।

প্ৰচীন কালত কৌশাম্বী ৰাজ্যত এজন ৰাজকুমাৰ আছিল। তেওঁ সদায় ব্ৰাহ্মণ মন্ত্ৰীৰ পুত্ৰ আৰু কোষাধক্ষ্যৰ পুত্ৰৰ লগত একেলগে সময় কটাইছিল। তেওঁলোকে সদায় খেলা-ধুলা, আমোদ প্ৰমোদ আদিৰ সম্বন্ধে আলোচনা কৰিছিল।

তেওঁলোকৰ সংগত সময় কটোৱাৰ বাবে ৰাজকুমাৰে অস্ত্ৰ-শস্ত্ৰৰ শিক্ষা, তৰোৱাল চালনা, গজাৰোহন আদিৰ দৰে ক্ষত্ৰিয়ৰ বিষয়সমূহত পাৰ্গত হৈ উঠিব নোৱাৰিলে।

এদিনাখন ৰজাই তেওঁৰ পুত্ৰক সুধিলে, ‘‘তুমি আজিলৈকে কোনো ক্ষত্ৰিয় বিদ্যা নিশিকিলা। এনে অৱস্থাত তুমি ৰাজ্য কেনেকৈ পৰিচালনা কৰিবা?’’

ৰজাৰ মুখৰ পৰা এনে কথা শুনি ৰাজকুমাৰ বৰ দুখী হৈ পৰিল। তেওঁ এই ঘটনাৰ কথা বন্ধুসকলক কলেগৈ।

সেই কথা শুনি ৰাজকুমাৰৰ বন্ধুসকলে উত্তৰ দিলে, ‘‘আমাৰ পিতায়ো আমাৰ কথা সদায় এইদৰেই কৈ থাকে। তেওঁলোকে কয় যে আমি আমাৰ বংশ পৰম্পৰা অটুত ৰাখি বিদ্বান হৈ উঠিব নোৱাৰিলো। তেওঁলোকে কয় যে আমি নষ্ট হলো। এতিয়া তুমি তেনে

মিত্ৰ ভেদ - ৩০

কথা শুনিবলগীয়া হোৱাত আমি বৰ দুখ পাইছো।”

“যি ঠাইত আমি অপমানিত হবলগীয়া হয়, সেই ঠাইত থকা উচিত নহয়। আমি তিনিওজন নিজৰ পিতাৰ দ্বাৰা অপমানিত হলো। আমি দেশৰ পৰা বহু দূৰলৈ যাত্ৰা কৰিম আৰু আমাৰ ওপৰত যি আৰোপ লগোৱা হৈছে তাক ভুল প্ৰামাণিত কৰিম।” ৰাজকুমাৰে তেওঁৰ বন্ধু দুজনক কলে।

ৰাজকুমাৰৰ পৰামৰ্শ দুয়োজনে মানি ললে। কিন্তু তেওঁলোকৰ মনত এই প্ৰশ্ন উঠিল যে তেওঁলোক ক'লৈ যাব। তিনিওজনে বহু দেৰী ধৰি সেই বিষয়ৰ ওপৰত আলোচনা কৰিলে। অন্তত কোষাধক্ষ্যৰ পুত্ৰই কলে, “ধন নহলে আমি কোনো কাৰ্যই সমাধা কৰিব নোৱাৰো। আমি সেইবাবে প্ৰথমতে ৰোহন পৰ্বতলৈ যাম। তাত থকা অমূল্য ইন্দ্ৰনীল মণি প্ৰাপ্ত কৰিবৰ বাবে আমি চেষ্টা কৰিম। সেই মণি লাভ কৰি আমি আমাৰ আচনি ৰূপায়ন কৰিবলৈ সমৰ্থ হব পাৰিম।”

কোষাধক্ষ্যৰ পুত্ৰই দিয়া পৰামৰ্শ বাকী দুয়োজনৰে মনপুত হ'ল আৰু তেওঁলোকে ৰোহন পৰ্বত অভিমুখে যাত্ৰা আৰম্ভ কৰিলে। ভাগ্যই তেওঁলোকক লগ দিলে। গতিকে বৰ বিশেষ কষ্ট নকৰাকৈয়ে তেওঁলোকে প্ৰত্যেকেই একোটাকৈ মূল্যৱান ইন্দ্ৰনীল মণি লাভ কৰিবলৈ সক্ষম হ'ল। সেই মূল্যৱান মণি লাভ কৰি তেওঁলোক বৰ আনন্দিত হ'ল। তাৰপিছত তিনিও এই কথা চিন্তা কৰিলে, 'যাত্ৰাৰ বাবে অৰণ্য মাৰ্গ সুৰক্ষিত

নহয়। এনে মূল্যৱান মণি লগত লৈ অৰণ্যইদি যোৱা উচিত নহব।'

“মই হলো মন্ত্ৰীৰ পুত্ৰ। সেইবাবে এই ধৰণৰ সমস্যা কেনে ধৰণেৰে সমাধান কৰিব লাগে সেই কথা মোৰ ভালদৰেই জনা আছে। আমি প্ৰত্যেকেই এই মণিক খাদ্যৰ লগত গিলি খাই থম। সেই মণি আমাৰ পেটৰ ভিতৰত সুৰক্ষিত হৈ থাকিব। সেইটো কোনেও বিচাৰি নাপাব। আজি যাত্ৰা আৰম্ভ কৰিলে পৰহিলৈ আমি ৰত্নপুৰ পামগৈ। তাত আমি দৰৱ ব্যৱহাৰ কৰি পেটৰ ভিতৰৰ পৰা সেই মণি উলিয়াই অনাৰ ব্যৱস্থা কৰিম।” মন্ত্ৰী পুত্ৰই এইদৰে নিজৰ বিচাৰ ব্যক্ত কৰিলে।

মন্ত্ৰীপুত্ৰৰ উপায় বাকী দুয়োজনে মানি ললে। তিনিওজনে খাদ্যৰ লগত নিজৰ নিজৰ ভাগৰ ইন্দ্ৰনীল মণিটো গিলি খাই পেলালে।

সুবুদ্ধি নামৰ এজন ব্যক্তিয়ে গছৰ আঁৰৰ পৰা তিনিওজনৰ কথা লুকাই লুকাই শুনি আছিল। তেওঁ ৰোহন পৰ্বতলৈ ইন্দ্ৰনীল মণি বিচাৰি আহিছিল। তেওঁ নিজে ৰোহন পৰ্বতত বহু বিচাৰিও এটাও মণি লাভ কৰিবলৈ সক্ষম নহ'ল। কিন্তু তেওঁ তিনিওজনে খাদ্যৰ লগত ইন্দ্ৰনীল মণি গিলি খোৱা দেখা পালে।

'এওলোকে গমেই নাপায় যে কেনে অদ্ভুত মণি লাভ কৰিবলৈ সক্ষম হ'ল। মই এওলোকৰ লগত মিতিৰালি কৰি একেলগে যাত্ৰা কৰিম। যেতিয়া তিনিওজন গভীৰ টোপনীত থাকিব, তেতিয়া তেওঁলোকৰ পেট কাটি মণি উলিয়াই লম।' সুবুদ্ধিয়ে মনতে পাঙিলে।

এইবুলি তেওঁ উভতি যোৱাৰ পথৰ অলপ দূৰত গৈ ৰৈ থাকিল। অলপ পৰৰ পিছতে তিনিও বন্ধুৱে যাত্ৰা আৰম্ভ কৰিলে। তেওঁলোক তিনিও গৈ সুবুদ্ধিৰ ওচৰ পাওতেই সুবুদ্ধিয়ে কলে, ''বন্ধুসকল, এই ভয়ানক জংঘলৰ মাজেদি মই অকলে যাবলৈ বৰ ভয় খাইছো। মই ৰত্নপুৰৰ নিবাসী। অনুগ্ৰহ কৰি আপোনালোকে মোক লগত যাবলৈ দিবনে?''

তেওঁলোকে চিন্তা কৰিলে যে আৰু এজন ব্যক্তি লগত গলে ভালেই হব। তেওঁলোকে সন্মতি দি দিলে।

সেই পথতে এখন ডকাইতৰ গাঁও আছিল। সেই গাৱৰ চৰ্দাৰৰ ঘৰ পথৰ একেবাৰে কাষতে আছিল। তেওঁৰ অনেক পোহনীয়া পক্ষী আছিল। তাৰে এজনী চৰাইৰ অদ্ভুত শক্তি আছিল। কোনোবাই ইন্দ্ৰনীল মণি লগত লৈ গলে বুজিব পাৰিছিল। তেওঁলোক চাৰিওজনে চৰ্দাৰৰ ঘৰৰ কাষেদি পাৰ হৈ যাওতেই সেই পক্ষীয়ে জোৰেৰে চিঞৰিবলৈ ধৰিলে।

ডকাইতৰ চৰ্দাৰে চৰাইৰ মাতৰ অৰ্থ বুজিব পাৰিছিল। লগে লগে তেওঁ নিজৰ অনুচৰ সকলক আদেশ দিলে, ''আমাৰ চৰায়ে কৈছে যে সেই পথিক কেইজনৰ ওচৰত ইন্দ্ৰনীল ৰত্ন আছে। সিঁহতক তুৰন্ত বন্দী কৰি পেলোৱা।''

(ক্ৰমশঃ)



মোৰ সোণালী মাছটো ক'ত?

ভাৱনা আচৰিত হ'ল। আচৰিত হবৰ কাৰণো আছিল। সেইদিনা ৰাতিপুৱা তাই শুই উঠাৰ লগে লগে তাই পোহনীয়া মাছবিলাকক চাবৰ বাবে বহা কোঠাত থকা মাছৰ একুৰিয়ামটোৰ ওচৰলৈ গৈছিল। মাছবিলাক চাই, বিশেষকৈ সোণালী বৰণৰ মাছটো চাই তাই বৰ আনন্দ পায়। মাছবিলাকক 'সুপ্ৰভাত' বুলি কৈহে তাই দাঁত মাজিবলৈ যায়। আৰু আজি এয়া কি হ'ল। তাইৰ সোণালী বৰণৰ মাছটো হেৰাই থাকিল। তাই বৰ দুখী হৈ পৰিল। ক'লৈ যাব পাৰে মাছটো? ৰাতি কেনেবাকৈ ঘৰত মেকুৰী সোমাই তাইৰ প্ৰিয় মাছটো খাই পেলালে নেকি? সেয়াটো হব নোৱাৰে। মেকুৰী সোমোৱা হলে গোটেইকেইটা মাছ খালেহেতেন। একুৰিয়ামৰ মুঠ ১৯টা মাছৰ ভিতৰত কেৱল সোণালী বৰণৰ মাছটোহে নাই, বাকী কেইটা ঠিকেই আছে।

তাইৰ চকু চলচলীয়া হৈ পৰিল। সেই সোণালী বৰণৰ মাছটো সকলোকেইটা মাছৰ ভিতৰতে সবাতোকৈ আকৰ্ষণীয় আছিল। খিৰিকিৰ মাজেদি সোমাই অহা সূৰ্যৰ ৰশ্মি পৰি সি জিলিকি থকা মাছ আছিল। জিৰণি নোলোৱাকৈ সি অনবৰতে সাতুৰি থকা মাছ আছিল।

ভাৱনাই মাকক সেই মাছটোৰ বিষয়ে প্ৰায়েই সুধিছিল, "মা, সোণালী বৰণৰ মাছটোৱে জিৰণি ললেনে বাৰু?"

"সি নিশ্চয় ললে।" ভাৱনাৰ এনে প্ৰশ্নৰ বাবে মাকৰ উত্তৰ প্ৰায় সাজু থাকে।

"নহয় মা, মই তাক কেতিয়াও জিৰণি লোৱা দেখা নাই। সি অনবৰতে সাতুৰিয়েই থাকে।"

"ভাৱনা, সম্ভৱত সেই সোণালী মাছটোৱে তোমাক বৰ ভাল পায়। গতিকে

টি ভেংকটেশ্বন



ওলাই মজিয়াত পৰি গ'ল। কোনে এনে চুৰি কাৰ্য কৰিব পাৰে বাৰু? স্বাভাৱিকতে তাইৰ কোনোবা বন্ধুৰেই কাম হব লাগিব। ৰম্যা, ৰাধা, ৰবি? যিকোনো হব পাৰে। এইদৰে ভাৱি তাই লগে লগে দৌৰি গৈ ৰম্যাৰ ঘৰ পালেগৈ।

ৰম্যাৰ লগত কথা পাতি তাই গম পালে যে ৰম্যাই এই কাম কৰা নাই। তাৰপিছত তাই গৈ ৰাধাৰ ঘৰ পালেগৈ। তাই ৰাধাৰ লগত ইটো সিটো কথা পতাৰ চলেৰে ভালদৰে তাইৰ একুৰিয়াটো লক্ষ্য কৰিলে। সোণালী মাছটো তাত নাছিল। ভাৱনাক যে কিবা কথাই ব্যতিব্যস্ত কৰি ৰাখিছে সেই কথা ৰাধাই অনুমান কৰিব পাৰিলে।

ৰাধাই ভাৱনাই কি কথাৰ বাবে তাই ইমান চিন্তিত হৈ আছে সেই কথা কবলৈ অনুৰোধ কৰিলে। ভাৱনাই ৰাধাক কলে যে তাই সোণালী মাছটো বিছাৰি ফুৰিছে। কেনেবাকৈ সেইটো হেৰাল।

"ভাৱনা, মই জানো সেইটো কোনে চুৰ কৰিব পাৰে। মই ৰবিক তহতৰ ঘৰত সোমোৱা দেখিছিলো। তই ছাগৈ তেতিয়া শুয়েই উঠা নাছিলি। গতিকে সি উভতি গুচি গ'ল। মই ভাৱো সিয়েই সেইটো লৈ গৈছে। ব'ল, আমি দুয়ো গৈ তাৰ ঘৰত চাই আহোগৈ।"

দুয়োজনী গৈ ৰবিৰ ঘৰ পালেগৈ। ৰবি সমুখৰ কোঠাটোত নাছিল। ৰবিৰ মাকে সিঁহতক স্বাগতম জনালে। "কি খবৰ তোমালোকৰ? আজি স্কুল বন্ধ নহয়। তোমালোকে ৰবিৰ পৰা কিবা নিবলৈ আহিছা নেকি?"

"নহয় খুৰী, আচলতে ভাৱনাৰ সোণালী

তুমি একুৰিয়ামৰ ওচৰলৈ গলে অনবৰতে সাতুৰি খেলি থাকে।"

"হু, কাৰণটো সেইটোৱেই হব পাৰে।" ভাৱনাই মাকৰ কথাৰ লগত সন্মতি প্ৰকাশ কৰে।

ভাৱনাৰ বৰ দুখ লাগিল। তাই উচুপিবলৈ ধৰিলে। সি বাৰু ক'লৈ যাব পাৰে? তাই একুৰিয়ামৰ ওচৰলৈ গৈ লক্ষ্য কৰি দেখা পালে যে একুৰিয়ামৰ পৰা পানী ওলাই বাহিৰত পৰিছিল। তাই ভালদৰে চাই সেই পানী বাগৰি গৈ মূল দুৱাৰখন পোৱা দেখিলে। হঠাতে, তাই মনত এই কথা খেলাল যে হয়তো কোনোবা বন্ধু আহিছিল আৰু ঘৰত কাকো নেদেখি সেই সোণালী মাছটো চুৰ কৰি লৈ গুচি গ'ল। যিহেতু কামটো খৰধৰকৈ কৰিবলগীয়া হ'ল গতিকে একুৰিয়ামৰ পৰা পানী

মাছটো বিচাৰি পোৱা নাই। গতিকে আমি ৰবিক সুধিবলৈ আহিছো যে সেইবিষয়ে সি কিবা জানে নেকি?"

লগে লগে ৰবিৰ মাকে তাক চিঞৰি মাতিলে। কিন্তু সি ওপৰমহলৰ পৰা তললৈ নামি নাহিল। তাকে দেখি ৰবিৰ মাকে ওপৰ মহলালৈ গৈ তাক জোৰকৈ নমাই আনিলে।

"তুমি ভাৱনাৰ সোণালী মাছটোৰ কথা কিবা জানা নেকি?"

"মই? ভাৱনাৰ সোণালী মাছ? মই কেনেকৈ জানিম?" সি আন এফালে চাই কলে। যেন মাকৰ প্ৰশ্নৰ উত্তৰ দিব বিচৰা নাই।

"কিন্তু তুমি আজি ৰাতিপুৱা ভাৱনাৰ ঘৰলৈ গৈছিলা। তুমি তাৰ পৰা উভতি অহাৰ সময়ত কিবা এটা লুকুৱাই অনা যেন মোৰ বোধ হৈছিল।"

"মই... তুমি মিছা কথা কৈছা। মই কোনো সোণালী মাছ চুৰ কৰা নাই। মোৰ মূৰৰ বিষ হৈ আছে।" এই বুলি সি দুয়োখনৰ হাতেৰে মূৰ মোহাৰিবলৈ ধৰিলে।

ৰবিৰ কথা শুনি ভাৱনাৰ শেষ আশাও নাইকীয়া হৈ পৰিল। তাই বৰ হতাশ হ'ল আৰু মূৰ্চ্ছা যাও যাও হ'ল। তাই চকী এখনত বহি পৰিল।

"কি হ'ল? কি হ'ল?" ৰবিৰ মাকে তৎক্ষণাত ভাৱনাক ডাঙি ধৰিলে।

"মই অলপ পানী খাম খুৰী।" ভাৱনাই কলে।

লগে লগে ৰবিৰ মাকে গিলাচ এটা পানী থোৱা পাত্ৰটোত ভৰাই এগিলাচ পানী উলিয়াই ভাৱনাক খাবলৈ দিলে। পানী গিলাচ দেখিয়েই ভাৱনাই চিঞৰি উঠিল, "খু..ৰী..." তাইৰ মৰমৰ সোণালী মাছটো সেই গিলাচটোতেই সাতুৰি আছিল।

"তোৰ সোণালী মাছ...ভাৱনা..." হাতচাপৰি বজাই ৰাধাই কলে।

ৰবিৰ মাক আচৰিত হ'ল। তেওঁ সকলো কথা বুজি পাই ৰবিৰ ফালে চালে। ৰবি ইতিমধ্যেই ভয়ত শেঁতা পৰি গৈছিল।

"তুমি ইমান বেয়া কাম কৰিছা ৰবি। ভাৱনাক ক্ষমা খোজা।" ৰবিৰ মাকে কলে।

"নালাগে খুৰী। মই যে সোণালী মাছটো ঘূৰাই পালো অতেই সুখী।" তাই আনন্দেৰে কলে।



মোক্ষ লাভৰ যোগ্য

পূৰ্ণিমা আহিল। বাবাই আৰামেৰে জোনাক ৰাতিৰ চন্দ্ৰমালৈ চাই বহি আছিল। শিশুসকল আহি তেওঁৰ চাৰিওফালে বহিল। কিবা এটা ভাৱি বাবাই নিজে নিজে হাঁহি উঠিল। তাৰপিছত তেওঁ এটা শ্লোক আওৰালে–

"মনসা বধ্যতে জীৱ
মনসোৰ বিমুচ্যতে
দৰদাসী গতৌ বন্ধ
বেশ্যাদাসী বিমৌচিতহ।"

"ইয়াৰ অৰ্থ কি বাবা?" শিশুসকলে সুধিলে।

বাবাই লগে লগে কোনো উত্তৰ নিদিলে। তেওঁ নস্যৰ টেমাটো উলিয়ালে। তাৰপিছত নাকত নস্য দি কেইটামান হাঁচি মাৰি সুধিলে, "শ্লোকৰ অৰ্থ কি তোমালোকে তাকেই সোধা নাই জানো? কৈছো ৰবা। জীৱ মনৰ বাবে কাৰণ বন্ধা হোৱা আছে। সেই মনৰ কাৰণৰ বাবে জীৱই মোক্ষ প্ৰাপ্ত কৰিব পাৰে। কেতিয়াবা দেৱদাসে নৰক ভোগ কৰিবলগীয়া হয় আৰু বেশ্যাদাসেও স্বৰ্গবাস লাভ কৰে।"

"দেৱদাসনো কোন? আৰু বেশ্যাদাসৰ মোক্ষলাভ কেনেকৈ হব পাৰে? আমাক কাহিনীটো কওকচোন।" শিশুসকলে আব্দাৰ ধৰিলে।

"ঠিক আছে। তোমালোকে ইমান ইচ্ছা কৰিছা যেতিয়া মই কাহিনীটো কও বাৰু। শুনা।" এইবুলি বাবাই কাহিনীটো কবলৈ আৰম্ভ কৰিলে–

অৱন্তী নামৰ এখন নগৰ আছিল। সেই নগৰত একে আয়ুসৰে দুজন ব্ৰাহ্মণ নৱযুৱক আছিল। তেওঁলোক বৰ ভাল বন্ধু আছিল। কিন্তু তেওঁলোকৰ ব্যৱহাৰৰ মাজত আকাশ

চি শেষাদ্ৰী

পাতাল পাৰ্থক্য আছিল। এজন সদায় ভক্তিতেই ডুবি আছিল। নীতিৱান আছিল। সদায় নিয়মমতে পুজা পাঠ কৰিছিল। সন্ধিয়া ভজন কৰিছিল। তেওঁৰ ব্যৱহাৰ দেখি সকলোৱে তেওঁক দেৱদাস নাম দিছিল আৰু কৈছিল তেওঁৰ মোক্ষ প্ৰাপ্ত হোৱাটো নিশ্চিত। আনহাতে আনজনে বেশ্যাগমন কৰিছিল। ভোগ-বিলাসত জীৱন কটাইছিল। সেইবাবে সকলো মানুহে তেওঁৰ নাম বেশ্যাদাস ৰাখিছিল।

তেওঁলোকে এনে কাম কৰিছিল যদিও তেওঁলোকৰ মন কেনেকুৱা আছিল তোমালোকে জানানে? দেৱদাস ব্ৰাহ্মণে নিজৰ মনতে চিন্তা কৰিছিল, 'চোৱা, এই বেশ্যাদাসে কিমান ভোগ বিলাসত জীৱন কটাই আছে। মইহে তেনে বৈষয়িক সুখ লাভ কৰিব পৰা নাই।'

আনহাতে বেশ্যাদাসে চিন্তা কৰিছিল যে তেওঁৰ বন্ধুৱে উত্তম জীৱন যাপন কৰিছে আৰু অৱশ্যেই মোক্ষ প্ৰাপ্ত কৰিব।

এইদৰে কিছুদিন জীয়াই থকাৰ পিছত দুয়োজনৰ মৃত্যু হ'ল। যমদূতে আহি দেৱদাসক নৰকলৈ লৈ গ'ল। আনহাতে বিষ্ণুৰ সেৱক আহি বেশ্যাদাসক পুষ্পক ৰথত তুলি স্বৰ্গলৈ লৈ গ'ল।

"এয়াটো অন্যায়। সেই বেশ্যাদাসে মোক্ষ লাভ কৰিলে আৰু মই নৰক ভোগ কৰিবলগীয়া হ'ল।" দেৱদাসে সুধিলে।

"কি কৰিম ? তুমি সদায় মনে মনে বেশ্যাৰ কথা চিন্তা কৰি আছিলা আৰু বেশ্যাদাসে সদায় মোক্ষৰ কথা চিন্তা কৰি আছিল। মনৰ চিন্তাই প্ৰকৃত। কামৰ ইমান গুৰুত্ব নাই।" যমদূতে কলে।

সেইবাবেই জ্ঞানীলোকে কয়,

"ন কাষ্ঠ বিদ্যতে দেৱৌ
ন পাষাণৌ নমৃন্ময়ৌ
ভাৱেতু বিদ্যতে দেৱ
স্তস্মাতদাবৌহি কাৰণম।"

(ভগৱান কাঠ, শিল বা মাটিৰ প্ৰতিমাত নাই। ভগৱান আমাৰ বুদ্ধি, ভাৱনা, চিন্তাত আছে। গতিকে ইবিলাকেই হ'ল মুখ্য।)



বিশ্বাসঘাটকতা

ৰৎস দেশৰ ৰাজধানী আছিল অমৰাৱতী। নৰবাহন সেই ৰাজ্যৰ ৰজা আছিল। সেই দেশত বসুধৰ নামৰ এজন দুখীয়া লোকে বাস কৰিছিল। তেওঁ দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰিছিল।

এদিন বসুধৰে ৰাজমহলৰ কাষেদি গৈ থাকোতে হীৰা খটোৱা এডাল খাৰু হেৰোৱাই পালে। তেওঁ সেইডাল ঘৰলৈ লৈ গ'ল। সেই খাৰুৰ পৰা এটা হীৰা উলিয়াই সেইটো ৰত্নৰ বেপাৰীৰ ওচৰলৈ লৈ গ'ল।

সেই ৰত্নৰ বেপাৰীৰ নাম আছিল হিৰণ্যগুপ্ত। তেওঁ বসুধৰে লৈ যোৱা হীৰা পৰীক্ষা কৰি চাই কলে, "এই হীৰা একেবাৰে উত্তম বিধৰ। যদি তুমি এইটো বিক্ৰী কৰিব খোজা, তেন্তে মই লাখ টকা দিবলৈ ৰাজী আছো। কোৱা, বেচিবা নেকি?"

"মই ইমান টকা লৈ গৈ কি কৰিম। আপুনি টকা আপোনাৰ ওচৰতে ৰাখক। মোৰ যেতিয়াই প্ৰয়োজন হব, মই তেতিয়াই আহি আপোনাৰ পৰা লৈ যামহি।" বসুধৰে কলে।

তাৰপিছত বসুধৰে ৰত্নৰ বেপাৰী হিৰণ্যগুপ্তৰ ওচৰলৈ গৈ এহেজাৰ টকাকৈ পাচবাৰ লৈ আহিল। তেওঁ লাহে লাহে ধনী হৈ পৰিল। ভাল ভাল কাপোৰ আদি পিন্ধিবলৈ ধৰিলে। আৰু লগতে দিন হাজিৰা কৰাও বাদ দিলে।

অমৰাৱতী নগৰতে ৰত্নদত্ত নামৰ আন এজন হীৰাৰ বেপাৰীয়ে বাস কৰিছিল। তেওঁৰ বাবে আগতে কেতিয়াবা কেতিয়াবা বসুধৰে কাম কৰিছিল। হঠাতে বসুধৰে মজুৰী কৰিবলৈ নহা দেখি বাকী মজুৰী কৰা লোক সকলক তাৰ বিষয়ে সুধিলে। তেতিয়া তেওঁলোকে কলে, "এতিয়া আৰু সি কিয় হাজিৰা কৰিবলৈ আহিব। সি ধনী হৈ পৰিল। বহু টকাৰ গৰাকী হ'ল।"

ৰত্নদত্তই এই কথা বুজি নাপালে যে হঠাতে

বি অংকৰাজু

বসুধৰে ইমান টকা ক'ৰ পৰা পালে। তেওঁ এই কথা জানিব বিচাৰিলে। তেওঁ বসুধৰক মতাই আনিলে। বসুধৰ অহাত তেওঁ সুধিলে, ''বসুধৰ, মই শুনা পাইছো যে তুমি বহুত ধনী হৈ পৰিলা। বৰ ভাল কথা। তুমি এদিন সময় উলিয়াই মোৰ ঘৰলৈ ভাত খোৱাকৈ আহিবা। দুয়ো সুখ–দুখৰ কথা পাতিব পাৰিম।''

বসুধৰে ৰত্নদত্তৰ আমন্ত্ৰণ গ্ৰহণ কৰিলে। তেওঁ কেইদিনমানৰ পিছতে ৰত্নদত্তৰ ঘৰলৈ ভাত খাবলৈ আহিল। তেওঁক ৰত্নদত্তই খুব বেচিকৈ মদিৰা পান কৰোৱালে। মদৰ নিচাত মাতাল হৈ পৰা বসুধৰৰ পৰা সেই হেৰাই পোৱা খাৰুৰ বিষয়ে সকলো কথা উলিয়াই ললে। পিছদিনাখন তেওঁ ৰজাৰ ওচৰলৈ গ'ল আৰু সকলো কথা বিৱৰি কলে।

''মহাৰাজ, এনে মূল্যৱান খাৰু কেৱল আপোনাৰেই হব পাৰে। আপুনি এবাৰ তদন্ত কৰোৱাই চোৱা উচিত হব।''

ৰত্নদত্তৰ কথা শুনি ৰজা নৰবাহনে চিন্তা কৰিলে যে এবাৰ তদন্ত কৰাই চোৱা যাওক। খাৰুডাল হেৰুৱাৰ কথা তেওঁ পাহৰিয়েই গৈছিল। কিছুদিনৰ আগতে যেতিয়া তেওঁ চহৰৰ পৰা উভতি আহিছিল, তেতিয়া হাতৰ খাৰুডাল নাছিল।

নৰবাহনে বসুধৰক মতাই আনিলে। বসুধৰে হেৰাই পোৱা খাৰুডাল চাই গম পালে যে সেইডাল প্ৰকৃততে ৰজাৰেই আছিল। তাত আনকি ৰজাৰ নাম লিখা আছিল।

''এই খাৰুৰ ওপৰত মোৰ নাম লিখা থকা দেখিও তুমি কেনেকৈ নিজৰ বুলি ভাৱিব পাৰিলা?'' ৰজাই খঙেৰে সুধিলে।

''মহাৰাজ, মই হলো এজন সামান্য খাটি খোৱা লোক। মইনো কেনেকৈ জানিব পাৰো তাত কি লিখা আছে।''

''তুমিটো লিখা–পঢ়া জনা কাৰোবাক সুধিব পাৰিলাহেতেন?'' ৰজাই কলে।

''মহাৰাজ, মোৰ দৰে দুখীয়া লোকৰ হাতত এনে মূল্যৱান খাৰু দেখি প্ৰথমতে লোকে চুৰ কৰিবলৈ চেষ্টা কৰিব, তাৰপিছতহে কথা পাতিব।'' বসুধৰে বিনয়েৰে কলে।

বৃদ্ধ মন্ত্ৰী যোগেন্দ্ৰৰায়ে এই সকলো কথা শুনি আছিল। তেওঁ কলে, ''মহাৰাজ, মোৰ অনুমান হৈছে যে এইজন লোক নিৰপৰাধী। এওক যাবলৈ দিয়াই উচিত হব। এওঁৰ পৰা হীৰা কিনি লোৱা ৰত্ন বেপাৰী হিৰণ্যগুপ্তক হীৰা সহিতে ৰাজসভাত উপস্থিত হবলৈ কোৱা উচিত হব।''

ৰজাই মন্ত্ৰীৰ কথামতেই হিৰণ্যগুপ্তক ৰাজসভাত হাজিৰ কৰাবলৈ আদেশ দিলে।

অলপ পিছতে বসুধৰৰ পৰা কিনি লোৱা হীৰা লৈ হিৰণ্যগুপ্ত ৰাজসভাত উপস্থিত হ'ল।

''তুমি সেই খাৰুত মোৰ নাম লিখা থকা দেখিও বসুধৰৰ পৰা কিনি লৈছিলা। এই ভুলৰ বাবে তুমি শাস্তি পাব লাগেনে নালাগে?'' ৰজাই খঙেৰে হিৰণ্যগুপ্তক সুধিলে।

''মহাৰাজ, মই কেতিয়াও সেই খাৰুডাল দেখাই নাই। মোৰ ওচৰলৈ বসুধৰে কেৱল এটা হীৰাহে লৈ আহিছিল। মই তেওঁ নঠগি সেই হীৰাৰ বাবদ উচিত মূল্য দিছিলো। এতিয়ালৈকে তেওঁ মোৰ পৰা কেৱল পাঁচ হেজাৰ টকাহে ললে। বাকী পইছা মোৰ ওচৰতে আছে।'' হিৰণ্যগুপ্তই ৰজাক মিনতি কৰি কলে।

''সেই দুখীয়া খাটি খোৱা লোকৰ ওচৰলৈ ইমান মূল্যৱান হীৰা ক'ৰ পৰা আহিল সেই কথাত তোমাৰ সন্দেহ নহ'ল? তেওঁ ক'ৰবাৰ পৰা চুৰ কৰিও আনিব পাৰে। তুমি এই কথা এবাৰো নাভাৱিলা নেকি?'' ৰজাই সুধিলে।

''মহাৰাজ, মোৰ কাম হ'ল ব্যৱসায় কৰা। চোৰ ধৰা নহয়। যদি মই ব্যৱসায়ী হিচাপে মোৰ দায়িত্ব পালন কৰা নাই, তেন্তে অৱশ্যেই মই শাস্তিৰ যোগ্য।'' হিৰণ্যগুপ্তই কলে।

''মহাৰাজ, মোৰ বোধেৰে হিৰণ্যগুপ্তও নিৰপৰাধী। এওক পাঁচহেজাৰ টকা দি যাবলৈ দিয়াই উচিত হব। ৰত্নদত্তক এবাৰ মতাই আনি সোধা-পোচা কৰাটো ভাল হব।'' মন্ত্ৰীয়ে ৰজাক মন্ত্ৰণা দিলে।

ৰত্নদত্তই ৰজাৰ আমন্ত্ৰণ পাই ভাৱিলে যে তেওঁক ৰজাই পুৰস্কৃত কৰিব। তেওঁ আনন্দ মনেৰে ৰাজসভালৈ গ'ল। তেওঁ ৰাজসভাত উপস্থিত হোৱাত মন্ত্ৰী যোগেন্দ্ৰৰায়ে কলে, ''তোমাৰ ব্যৱহাৰ আমি একেবাৰেই ভাল পোৱা নাই। তুমি বসুধৰৰ প্ৰথমতে বিশ্বাস কৰাই তাৰপিছত বিশ্বাসঘাটকতা কৰিলা। এনে কৰা উচিত নাছিল। যিহেতু এয়া তোমাৰ প্ৰথম অপৰাধ, গতিকে তোমাক ক্ষমা কৰি দিয়া হ'ল।''

এই কথা শুনি ৰত্নদত্তই বৰ লাজ পালে।



কুকুৰাৰ দাম

এখন গাৱত বীৰু নামৰ এজন লোকে বাস কৰিছিল। সংক্ৰান্তিৰ সময় পালেহি। তেওঁৰ পত্নীয়ে তেওঁক এটা কুকুৰা কিনি আনিবলৈ কলে। গাৱঁৰে এজন ডাঙৰ খেতিয়ক নাহৰৰ ওচৰলৈ গৈ বীৰুৱে এটা কুকুৰা দিবলৈ কলে।

নাহৰে তেওঁক এটা কুকুৰা দি কলে, "যদি তোমাৰ হাতত এতিয়া পইছা নাই পিছত দিলেও হব। মই হিচাপ লিখি থৈ দিম।" বীৰুৱেও নাহৰৰ কথাত ভাল পাই হিচাপ লিখি থবলৈ বুলি কৈ কুকুৰা লৈ ঘৰলৈ গুচি গ'ল।

সেইদিনা বীৰু আৰু তেওঁৰ পত্নীয়ে কুকুৰাৰ মঙহেৰে নানা ব্যঞ্জন তৈয়াৰ কৰি খাই উৎসৱ পালন কৰিলে।

অলপদিনৰ পিছত বীৰুৱে সেই কুকুৰাৰ দাম দিবলৈ বুলি নাহৰৰ ওচৰ পালেগৈ।

"এতিয়া মোৰ বহুত কাম আছে। হিচাপ চাবৰ বাবে সময় লাগিব। তুমি পিছত আহিবা।" নাহৰে কলে।

"কুকুৰাৰ দাম লবৰ বাবে হিচাপ চোৱাৰ কি প্ৰয়োজন আছে? কিমান দিব লাগে কৈ দিয়ক। মই দি গুচি যাম।" বীৰুৱে কলে।

"আৰে ভাই, এয়া যথেষ্ট ডাঙৰ হিচাপ।" এই বুলি কৈ নাহৰ নিজৰ কাম কৰিবলৈ গুচি গ'ল। বীৰু উভতি আহিল।

এইদৰে দুদিনমান বীৰুৱে নাহৰৰ ওচৰলৈ গৈ দাম পৰিশোধ কৰিব খোজাত এদিন নাহৰে কাগজ কলম উলিয়াই দুঘন্টামান হিচাপ নিকাচ কৰিলে। তাৰপিছত তেওঁ বীৰুক কলে, "সকলো মিলাই দুশ

ভি ৰামাৰাজু

পঞ্চাশ টকাতকৈ অলপ বেছি হৈছে। তুমি দুশ পঞ্চাশ টকা দিলেই হব।''

বীৰুৱে বিশ্বাস কৰিব নোৱাৰিলে যে তেওঁ খোৱা কুকুৰাটোৰ দাম দুশ পঞ্চাশ টকা হব পাৰে। তেওঁ মুখৰ পৰা অলপ সময়লৈকে মাতেই নোলাল।

''এটা কুকুৰাৰ দাম দুশ পঞ্চাশ টকা? এনে কথাটো মই আগতে ক'তো শুনা নাই। এইটো কি সোণৰ কুকুৰা আছিল নেকি?'' বীৰুৱে নাহৰক সুধিলে।

''মোৰ হিচাপত কোনো ভুল নাই। তুমি আনক দেখুৱাই প্ৰমাণ কৰি চাব পাৰা। তুমি কিনা কুকুৰাই আজিলৈকে কিমান কণী পাৰিলেহেতেন? সেই কণীৰ পৰা কিমান পোৱালী জগিলেহেতেন? আকৌ সেই পোৱালীয়ে ডাঙৰ হৈ কিমান কণী পাৰিলেহেতেন? সেই সকলোবিলাকৰ দাম তুমি দিব নালাগিব জানো?'' নাহৰে কলে। এই কথা শুনি বীৰু আৰু বেছি আচৰিত হ'ল।

''মই ন্যায়ধিকাৰীৰ লগত পৰামৰ্শ নকৰাকৈ তোমাক এটকাও নিদিও।'' বীৰুৱে কলে।

''ঠিক আছে। তুমি পৰামৰ্শ কৰি লোৱা। মইতো তোমাক মানা কৰা নাই।'' নাহৰে কলে।

দুয়ো লগ লাগি ন্যায়ধিকাৰীৰ ওচৰলৈ গ'ল। নাহৰে ন্যায়ধিকাৰীক কলে, ''ধৰ্মাৱতাৰ, এই বীৰুৱে দুমাহৰ আগতে সংক্ৰান্তিৰ উৎসৱৰ সময়ত মোৰ পৰা এজনী কুকুৰা লৈ গৈছিল। এতিয়া তেওঁ তাৰ দাম পৰিশোধ কৰিব খুজিছে। সেই কুকুৰাই এতিয়ালৈকে কিমান কণী পাৰিব,



সেইবিলাকৰ পৰা কিমান পোৱালী হব, আকৌ সেইবিলাকে কিমান কণী পাৰিব, এই সকলোবিলাকৰে হিচাপ কৰি মুঠতে দুশ পঞ্চাশ টকা হয়। আপুনি হিচাপ এবাৰ পৰীক্ষা কৰি চাওক। তেওঁৰ পৰা বেছি পইছা এনেয়ে মই কিয় লম!''

ন্যায়ধিকাৰীয়ে হিচাপ ওপৰৰ পৰা তললৈকে ভালদৰে পৰীক্ষা কৰিলে। তাৰপিছত তেওঁ কলে, ''এই হিচাপত কোনো ভুল নাই।''

''মই তেতিয়াই কৈছিলো। বীৰুৱেহে মোক বিশ্বাস কৰা নাছিলা। সেইবাবে আপোনাৰ ওচৰলৈ আহিবলগীয়া হ'ল। বেচেৰাই লিখিব–পঢ়িব নাজানে। হিচাপ কৰিবও নাজানে।'' নাহৰে বীৰুৰ ওপৰত দয়া দেখুৱাই কলে।

বীৰু হতভম্ব হ'ল। তেওঁ তাৰ পৰা দুখমনেৰে নিজৰ ঘৰ অভিমুখে গৈ থাকোতে গোমস্তাক লগ পালে। তেওঁ দুখ মনেৰে বীৰুক গৈ থকা দেখি সুধিলে, ''কি হ'ল তোমাৰ? ইমান দুখ মনেৰে গৈ আছা যে? কিবা বিপদত পৰিছা নেকি?''

বীৰুৱে সমস্ত ঘটনা বিৱৰি কলে। সকলো কথা শুনাৰ পিছত সেই গোমস্তাই কলে, ''মই যিদৰে কম, তুমি তাকে কৰিবা। তোমাৰ লগত অন্যায় কৰা হৈছে। তুমি নাহৰক গৈ কোৱা যে কালিলৈ গাৱঁৰ বজাৰত তুমি এই বিষয়ে সকলো ঠিক কৰি পেলাব খোজা। গতিকে তেওঁ তালৈ আহিব লাগে। মই তোমাৰ হৈ সাক্ষী দিম।'' গোমস্তাই কলে।

বীৰুৱে গৈ নাহৰক এই কথা কলেগৈ।

''আকৌ গাৱৰ বজাৰত এই কথা সিদ্ধান্ত লবৰ কি প্ৰয়োজন আছে? ন্যায়ধিকাৰীয়ে ইতিমধ্যেই ৰায় দিলে।'' নাহৰে সুধিলে।

''আপোনাৰ হিচাপ মই বুজি পোৱা নাই। ন্যায়ধিকাৰীৰ হিচাপো একো বুজি পোৱা নাই। সেইবাবে বজাৰৰ দুই-চাৰিজন লোকৰ হতুৱাই সেই হিচাপ কৰোৱাই লব খুজিছো। তাত আপুনি ভয় খোৱাৰ কি কাৰণ আছে?'' বীৰুৱে কলে।

''মই ভয় খোৱা নাই।'' নাহৰে কলে। তেওঁ বজাৰৰ পঞ্চায়তৰ ওচৰলৈ যাবলৈ ৰাজী হৈ গ'ল।

পিছদিনা আবেলি সকলো লোক বজাৰত জমা হ'ল। কিন্তু সেই গোমস্তাক দেখা পোৱা নগ'ল। বীৰুৱে চিন্তা কৰিলে যে গোমস্তাই আহিম বুলি মিছাকৈ কৈ তেওঁক এটা ৰাম ঠগন দিলে। সকলোৱে বীৰুলৈ চাই হাঁহিবলৈ ধৰিলে। অৱশেষত আন্ধাৰ হোৱাৰ পিছত গোমস্তা আহিল।

''সম্ভৱত মোৰ অহা অলপ পলম হ'ল। কোনো কথা নাই। মজদুৰবিলাকে কলে যে আজিয়েই ধান সিজাই থব লাগিব। নহলে কঠিয়া পৰাত পলম হৈ যাব পাৰে। সেইবাবে বহু কাম কৰি আহিবলগীয়া হ'ল।'' গোমস্তাই কলে।

''বীজৰ বাবে উখোৱা ধান থোৱাৰ কি প্ৰয়োজন আছে? এনে ধানৰ পৰা বীজ নোলায়।'' ন্যায়ধিকাৰীয়ে হাঁহি মাৰি কলে।

''যেতিয়া বীৰুৱে খোৱা কুকুৰাই কণী পাৰি থাকিব পাৰে, তেনেস্থলত উখোৱা ধানৰ পৰা কিয় কঠীয়া নগজিব?'' গোমস্তাই কলে।

গোমস্তাৰ কথা শুনি সকলোৱে হাঁহিবলৈ ধৰিলে। ন্যায়ধিকাৰীয়ে বৰ লাজ পালে। তেওঁ লাহেকৈ উঠি ঘৰলৈ গুচি গ'ল। নাহৰেও তাৰপিছত কেতিয়াও কুকুৰাৰ দাম নিবিচাৰিলে।

এলেহুৱা

এদিনাখন ধীৰেন্দ্ৰৰ গাটো বৰ ভাল লাগি থকা নাছিল। সেইবাবে তেওঁ দুয়োটা পুতেককে খেতি-পথাৰত কাম কৰিবলৈ পঠালে। দুয়ো পুতেকৰ ভিতৰত জগত কঠোৰ পৰিশ্ৰমী আছিল, আনহাতে সুকেশ আছিল এলেহুৱা। সি বাপেকৰ কথা পেলাব নোৱাৰি জগতৰ লগতে পথাৰলৈ গ'ল। জগতে পথাৰত গৈ গোটেই দিনটো কষ্ট কৰি কাম কৰিলে। ইফালে সুকেশ গোটেই দিনটো গছ এজোপাৰ তলত শুই থাকিল।

আবেলি সময়ত, সুকেশে নিজৰ কাপোৰত অলপমান বোকা চটিয়াই ঘৰলৈ উভতি আহিল। আহি মাকক কলে, ''মই কষ্ট কৰি গোটেই দিনটো পথাৰত কাম কৰিলো। জগতে ইফালে সিফালে ঘূৰি-পকি গোটেই দিনটো কটাই দিলে।'' মাকে সেই কথা বিশ্বাস কৰি জগত বৰকৈ গালি পাৰিলে। জগতেও সৰু ভায়েকক বচাবৰ বাবে একো নকৈ মনে মনে থাকিল। ৰাতিৰ আহাৰ খোৱাৰ পিছত জগত অতি সোনকালে টোপনি গ'ল। কিন্তু সুকেশৰ টোপনি নাহিল। সি বিচনাত ইকাটি-সিকাটি কৰি থাকিল।

ধীৰেন্দ্ৰই এই সকলোবিলাক লক্ষ্য কৰি আছিল। তেওঁ সুকেশক কলে, ''তোমাৰ ককায়েৰাই নিশ্চয় গোটেই দিনটো পথাৰত পৰিশ্ৰম কৰিছে, সেইবাবে বিচনাত পৰা মাত্ৰকে টোপনী গ'ল। তোমাৰ টোপনি নাই। তুমি নিশ্চয় গোটেই দিনটো শুই আছিলা। তোমাক বচাবৰ বাবেই সি মাকৰ গালি খায়ো একো নকলে। হয়নে নহয় বাৰু?''

ককায়েকে একো নোকোৱা স্বত্বেও দেউতাকে সকলো কথা বুজি পোৱা দেখি সুকেশে বৰ লজ্জিত অনুভৱ কৰিলে।

– এম মুৰুলী মোহন



মই কৃপণ নেকি?

মাকৰ ঘৰত কেইটামানদিন থকাৰ পিছত, এদিন সন্ধিয়া পাৰ্বতী নিজৰ ঘৰলৈ উভতি আহিল। দুৱাৰত টোকৰ মৰাত তেওঁৰ পতি শিৱ ভিতৰৰ পৰা ওলাই আহি দুৱাৰখন খুলি দিলে। তেওঁ দুৱাৰত টোকৰ মাৰি ৰৈ থকা সময়ত দুৱাৰৰ ঠিক ওপৰত নতুনকৈ এটা টিউব লাইট লগাই থোৱা দেখিবলৈ পালে। সেইটো বহুদিনৰ আগৰে পৰা থকা শূণ্য পাৱাৰৰ বাল্বটোৰ কাষতে লগাই থোৱা আছিল। পাৰ্বতীয়ে টিউব লাইটটো দেখি আচৰিত হ'ল। কিহৰ বাবে সেইটো তাত লগোৱা হ'ল?

তাই জানে যে তাইৰ পতি শিৱ হ'ল কৃপণ। তেওঁ প্ৰতিটো টকা খৰচ কৰাৰ আগতে দহবাৰমান ভাৱে। তেওঁ বৈদ্যুতিক শক্তিও জুখি-মাখিহে খৰচ কৰে। বৈদ্যুতিক শক্তিৰ ব্যৱহাৰ তেওঁ ঠিক কৰি থোৱা সীমা পাৰ হলেই পাৰ্বতীক খেচখেচায়। তেওঁ কয় যে এক ৱাট শক্তি বচোৱাটো এক ৱাট শক্তি উৎপাদন কৰাৰ সমান। এনে ক্ষেত্ৰত তাই এই কথা বুজিব নোৱাৰিলে যে কিহৰ বাবে গিৰিয়েকে প্ৰয়োজন নথকা স্বত্বেও দুৱাৰৰ ওপৰত এটা অতিৰিক্ত টিউব লাইট লগাই দিলে।

শিৱ কৃপণ হব পাৰে। কিন্তু তাৰ অৰ্থ এইটো নহয় যে তেওঁৰ কোনো ভাল গুণ নাই। তেওঁ আন সকলো দিশৰ পৰাই এজন ভাল লোক। পাৰ্বতীয়ে কথাটো নোকোৱা আগতেই তেওঁ পত্নীৰ মনৰ কথা বুজিব পাৰিলে। তেওঁ কলে, "পাৰ্বতী, তোমাৰ মনত উদয় হোৱা প্ৰশ্নৰ কথা মই অনুমান কৰিব পাৰিছো। তুমি দুৱাৰৰ ওপৰৰ অংশত এটা নতুন টিউব লাইট দেখি নিশ্চয় আচৰিত হৈছে। ভাৱিছা, মই কিয় এনে কৰিলো। তুমি এই কথাও কৈ থাকা যে মই কৃপণ।" এইবুলি কৈ তেওঁ মিচিকিয়াই হাঁহিলে।

ডি জানকী

তাৰপিত পুণৰ কলে, ‘‘তুমি গম পোৱা যে আমাৰ ঘৰৰ ওচৰত নতুনকৈ নিৰ্মাণ কৰা ঘৰবিলাকত নম্বৰ দিয়া কাম চলি আছে আৰু আমাৰ বিপৰীতে থকা ঘৰটোত ইতিমধ্যেই নতুন নম্বৰ দিয়া হৈছে। আচলতে সেইবিলাক হ’ল চৰকাৰে কম উপাৰ্জন কৰা লোকৰ বাবে নিৰ্মাণ কৰা ঘৰ। সেইবিলাকত ইতিমধ্যেই বহু লোকে বাস কৰিবলৈ আৰম্ভ কৰিছে। কিন্তু সেইবিলাক ঘৰত বৈদ্যুতিক শক্তি ব্যৱহাৰ কৰাৰ বাবে সুবিধা এতিয়াও কৰি নিদিয়া বাবে মানুহবিলাকে আন্ধাৰতে ৰাতি কটাব লগীয়া হৈছে।

পৰীক্ষাৰ সময় ওচৰ চাপি অহা বাবে সেইবিলাক পৰিয়ালৰ শিশুসকল চিন্তিত হৈ পৰিছে। গতিকে মই চিন্তা কৰিলো যে আমি যদি সন্মুখত এটা টিউব লাইট লগাই দিও, তেন্তে আমাৰ বাৰান্দাত সেই শিশুসকলে বহি পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাব পাৰিব।

মানুহে যিমান ধৰণৰ সমাজ সেৱামূলক কাম কৰে, মই ভাৱো সেই সকলোবিলাকৰ ভিতৰত শিক্ষাৰ প্ৰসাৰ কৰাটোৱেই সকলোতকৈ উত্তম। মইতো এখন বিদ্যালয় নিৰ্মাণ কৰিব নোৱাৰো। সেই কাম কৰিব পৰাকৈ মই সিমান ধনী লোক নহয়। এই শিশুবিলাকৰ বাবে মই যিমানখিনি সামৰ্থ অনুযায়ী কৰিব পাৰো সেয়া কৰি মই অতি আনন্দিত হৈছো। আন্ধাৰ হৈ আহিলেই আৰু শিশুবিলাকো নিশ্চয় আহিবলৈ আৰম্ভ কৰিছেই। ব’লা, আমি বাহিৰলৈ গৈ চাওগৈ।’’

এইবুলি তেওঁ দুৱাৰখন খুলি পাৰ্বতীক বাহিৰলৈ লৈ গ’ল। তেওঁলোকক ইতিমধ্যেই জমা হোৱা শিশুসকলে হাঁহি মাৰি সম্ভাষণ জনালে। শিৱই হাঁহি এটা মাৰি পাৰ্বতীৰ ফালে চাই কলে, ‘‘পাৰ্বতী, মই বিদ্যুত শক্তিৰ অপচয় কৰাৰ বিৰোধিতা কৰো। মই আচলতে যিকোনো বস্তুৰেই অপব্যৱহাৰৰ বিৰোধী। কিন্তু তাৰ বাবে তুমি মোক কৃপণ বুলি ভৱাটো ভুল। মই সকলো ক্ষেত্ৰতে হাত নধৰো। কোৱা এতিয়া, মই জানো কৃপণ?’’

পতিৰ কথাত পাৰ্বতীয়ে তেওঁৰ চকুলৈ চালে। তাইৰ চাৱনিত গিৰিয়েকৰ প্ৰতি থকা সন্মান প্ৰকাশ পাই উঠিল।

দিয়াৰ অভ্যাস

ৰজা মহেন্দ্ৰই অতি পাৰদৰ্শিতাৰে ৰাজ্য শাসন কৰিছিল আৰু তেওঁ বিশ্বাস কৰিছিল যে সেয়া কেৱল তেওঁক গুৰুৱে প্ৰদান কৰা শিক্ষাৰ বাবেহে সম্ভৱ হৈছে। তেওঁ গুৰুক উচিত সন্মান প্ৰদৰ্শন কৰিব বিচাৰিলে। তেওঁ গুৰুৰ আশ্ৰমলৈ গ'ল আৰু গুৰুক ৰাজসভালৈ আমন্ত্ৰণ জনালে। গুৰু বেদনাথে তেওঁৰ শিষ্যৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰিলে। তেওঁ গুৰু পূৰ্ণিমাৰ দিনাখন ৰাজসভালৈ যাব বুলি কথা দিলে।

কেইজনমান শিষ্যক লগত লগত লৈ নিৰ্দিষ্ট দিনা গুৰুৱে ৰাজসভালৈ যাত্ৰা কৰিলে। ৰজা মহেন্দ্ৰ আৰু তেওঁ পত্নীয়ে গুৰুক সন্মান সহকাৰে সম্ভাষণ জনালে। তেওঁলোকে গুৰুৰ ভৰি চুই প্ৰণাম কৰিলে। ৰজাই তাৰপিছত গুৰুৰ ডিঙিত এধাৰি মালা পিন্ধাই দিলে। তাৰপিছত তেওঁলোকে গুৰুক ৰেচমী কাপোৰেৰে বন্ধা উপহাৰ প্ৰদান কৰিলে। "গুৰুদেৱ, আমাৰ সাফল্যত আপোনাৰ যি যোগদান তাৰ চিন স্বৰূপে এই সামান্য উপহাৰ গ্ৰহণ কৰক।" ৰজাই কলে। ৰাণীয়ে সেই টোপোলা খুলি গুৰুক তাৰ ভিতৰত থকা উপহাৰ প্ৰদৰ্শন কৰিলে। তাত আছিল মূল্যৱান ৰত্ন আৰু বহু সোণৰ মোহৰ। গুৰুৱে সেইবিলাক দেখি উপহাৰৰ টোপোলাটো ৰজাক ঘূৰাই দি কলে, "শিক্ষক হিচাপে মোৰ কেৱল দিয়াৰহে অভ্যাস আছে। একো লোৱাৰ অভ্যাস মোৰ নাই। তুমি নিশ্চয় মোৰ কথা বুজিব পাৰিছা। তুমি এই দেশৰ প্ৰজাৰ সমৃদ্ধিৰ বাবে খৰচ কৰা প্ৰতিটো পইছা মোৰ বাবে উপহাৰ বুলি গণ্য কৰিম।"

ৰজা মহেন্দ্ৰই লগে লগে তেওঁৰ ভুল বুজিব পাৰিলে আৰু এই শিক্ষাক গুৰু পূৰ্ণিমাৰ দিনা লাভ কৰা এক শিক্ষা বুলি গ্ৰহণ কৰিলে। তাৰপিছত তেওঁ গুৰুক উপহাৰ হিচাপে প্ৰদান কৰিব খোজা সকলো টকা–পইছা ৰাজ্যৰ প্ৰজাৰ সমৃদ্ধিৰ বাবে খৰচ কৰিলে।

– এছ শ্ৰীনিৱাস

কি ভাল, কি বেয়া?

চীন দেশত এজন বৃদ্ধ লোকে বাস কৰিছিল। তেওঁৰ ওচৰত যিবা অলপ সম্পত্তি আছিল তাৰ ভিতৰত এটা ঘোঁৰাও আছিল। কিন্তু সেই বৃদ্ধৰ কপাল বেয়া আছিল। এদিনাখন সেই ঘোঁৰাটো পলাই ঘৰৰ পৰা আন ক'ৰবালৈ গুচি গ'ল। বৃদ্ধলোক বৰ দুখী হৈ পৰিল। ওচৰ চুবুৰীয়াই আহি তেওঁক সান্ত্বনা দিলে।

সকলোৰে কথা শুনি বৃদ্ধজনে কলে, ''এয়া সম্ভৱত মোৰ ভালৰ বাবেই হৈছে।''

বৃদ্ধই কোৱা ধৰণেই এটা ঘটনা ঘটিল। কেইদিনমানৰ পিছতে বৃদ্ধৰ হেৰুৱা ঘোঁৰাটো ঘৰলৈ উভতি আহিল আৰু লগত আন এটা ঘোঁৰা লৈ আহিল। তাৰফলত আগতে এটা ঘোঁৰাৰ গৰাকী বৃদ্ধ দুটা ঘোঁৰাৰ মালিক হৈ পৰিল।

এই সুখবৰ শুনাৰ পিছত ওচৰ-চুবুৰীয়াই আহি বৃদ্ধক অভিনন্দন জনালে। কিন্তু বৃদ্ধক এনে ঘটাৰ বাবে বৰ বেছি সুখী হোৱা যেন নালাগিল। তেওঁ অভিনন্দন জনোৱাসকলক উদ্দেশ্যি কলে, ''কোনে জানে ইয়াৰ পৰা হয়তো কিবা লোকচানো হব পাৰে।''

তাৰ কিছুদিনৰ পিছত বৃদ্ধৰ সন্তানে সেই নতুন ঘোঁৰাটো চেকুৰাই থাকোতে তাৰ পিঠিৰ পৰা পৰি গ'ল। তাৰ এটা ভৰি ভাগি থাকিল।

আকৌ ওচৰ-চুবুৰীয়াই আহি বৃদ্ধক সহানুভূতিসূচক কথা কলেহি। সেই কথা শুনি বৃদ্ধই পুণৰ কলে, ''এয়াও সম্ভৱত মোৰ ভালৰ বাবেই হৈছে।''

সেই সময়ত হুনসকলৰ লগত চীনৰ ৰজাৰ যুদ্ধ আৰম্ভ হ'ল। চীন দেশত যিসকল ডেকা স্বাস্থ্যৱান আছিল, ৰজাই সেই সকলো ডেকাকে যুদ্ধ কৰিবৰ বাবে যাবলৈ আদেশ দিলে। সকলোকে জোৰ কৰি যুদ্ধ কৰিবলৈ লৈ যোৱা হ'ল। সেই যুদ্ধত সকলোৰে মৃত্যু হ'ল। কিন্তু ভৰি ভাঙি থকা কাৰণে বৃদ্ধৰ সন্তান বাচি গ'ল।

ভয়ংকৰ মনুষ্য

এখন নিৰ্জন বনত বহু প্ৰকাৰৰ জীৱ-জন্তু এটা সিংহৰ শাসনত সুখে শান্তিৰে বাস কৰি আছিল। সেই বনলৈ কেতিয়াও কোনো মানুহ অহা নাছিল। সেই অৰণ্যত থকা এজনী হাঁহে এক সপোন দেখিলে। সপোনত তাই এটা মনুষ্য দেখা পালে। সেই মনুষ্যই তাইক বৰ মৰমেৰে মাতিলে। মনুষ্যৰ কাষলৈ যাব খোজোতেই কোনোবাই তাইৰ কাণে কাণে কলে, 'তুমি সেই পশুৰ ওচৰলৈ নাযাবা। সি সকলো পশুতকৈ অধিক ক্ৰুৰ।' তেনে সময়তে হাঁহজনীৰ টোপনী ভাগি গ'ল আৰু তাই ভয়তে দৌৰিবলৈ ধৰিলে।

দৌৰি দৌৰি তাই গৈ সিংহৰ গুহাৰ ওচৰ পালেগৈ। গুহাৰ ওচৰতে যুৱৰাজ থিয় হৈ আছিল। যুৱৰাজৰ মাতা-পিতাই তাক গুহাৰ বাহিৰলৈ যাবলৈ নিদিছিল। গতিকে তাৰ সাংসাৰিক জ্ঞান নাছিল। জংঘলৰ নানা ধৰণৰ জন্তু সম্বন্ধে তাৰ কোনো জ্ঞান নাছিল। এজনী পক্ষীক এইদৰে ভয় খাই অহাত যুৱৰাজে সুধিলে, "আৰে পক্ষী, তুমি কোন? তুমি কোন জাতিৰ? তোমাক ইয়াত কি লাগে?"

"মহাৰাজ, মই এজনী হাঁহ। মই স্বপ্নত এক মনুষ্য দেখা পালো। কোনোবাই স্বপ্নতে মোৰ কাণে কাণে কলে যে মনুষ্য সকলোতকৈ ভয়ংকৰ জন্তু। এই কথা শুনি মই ভয়তে দৌৰিবলৈ ধৰিলে। আহি আহি এই ঠাই পালোহি।" হাঁহজনীয়ে কলে।

"আৰে পাগলী। মই থাকোতে তুমি কোনো পশুলৈকে ভয় কৰিবৰ দৰকাৰ নাই। সেই মনুষ্যক মই নখেৰে ফালি টুকুৰা-টুকুৰ

ৰাই সোমাসুন্দৰম

কৰি পেলাম। মোকো সপোনত কোনোবাই এইদৰে মনুষ্য সম্পৰ্কে সাৱধান কৰি দিছিল। কিন্তু মই ভয় নাখালো।'' এইবুলি কৈ হাঁহজনী যিফালৰ পৰা আহিছিল যুৱৰাজ সেইফালে যাবলৈ ধৰিলে। হাঁহজনীয়েও থেপেক থেপেককৈ যুৱৰাজৰ পিছে পিছে যাবলৈ ধৰিলে।

কিছুদূৰ যোৱাৰ পিছত তেওঁলোকে পথত ধুলি উৰা দেখিবলৈ পালে। ''সেয়া চোৱা। মনুষ্য আহি আছে। তুমি লুকাই থাকা। মই তাৰ দিহা লগাম।'' সিংহই কলে। কিন্তু সেই জন্তুতো এটা গাধ আছিল। সিংহই তাক চিনি নাপালে। সি গাধক সুধিলে, ''তুমি কোন? কি জাতিৰ? কিয় এইদৰে ভয় খাই দৌৰি আহিছা?''

''মহাৰাজ, মই হলো গাধ। মই গাধবিলাকৰ জাতিৰ। মনুষ্যই মোক কিমান যে কষ্ট দিলে সেই কথা কিদৰে বুজাম। মোক কিমান যে মাৰিলে। মোৰ শক্তি কমি যোৱাৰ লগে লগে মোৰ ওপৰত পৰা মাৰ বৃদ্ধি পাই যাবলৈ ধৰিলে। খাবলৈও কমকৈ দিয়া হ'ল। এতিয়া সিঁহতে মোক মাৰি পেলাব বিচাৰিছে।'' গাধই বৰ দুখেৰে কলে।

''যেতিয়ালৈকে মই পশুৰ ৰজা, তেতিয়ালৈকে তোমাক কোনেও মাৰিব নোৱাৰে। তুমি চাই থাকা, মই মনুষ্যক কেনেকৈ বধ কৰিম।'' সিংহই কলে।

''ক্ষমা কৰিব মহাৰাজ, মোৰ সিমান সাহস নাই যে মই পুণৰ সেই মনুষ্যৰ সন্মুখলৈ যাও।'' এইবুলি কৈ গাধ তাৰ পৰা গুচি গ'ল।

আকৌ অলপদূৰ যোৱাৰ পিছতে তেওঁলোকে পথত পুণৰ ধুলি উৰা দেখা পালে। সেইটো এটা ঘোঁৰা আছিল। যুৱৰাজে তাক ৰখাই তাৰ নাম, জাতি আদি সম্পৰ্কে সুধিলে। ইয়াকো সুধিলে যে সি কিয় এইদৰে দৌৰি আহিছে।

''মহাৰাজ, মই মনুষ্যলৈ ভয় কৰি পলাই আহিছো।'' ঘোঁৰাই কলে।

''তুমি ইমান ডাঙৰ, ইমান শক্তি আছে। কিয় মনুষ্যলৈ ভয় কৰিব লাগে। তোমাতকৈ কি মনুষ্যৰ শক্তি বেছি আছে?'' সিংহই সুধিলে।

‘‘এইটো সঁচা যে মনুষ্যৰ শক্তি আমাতকৈ বেছি নহয়, কিন্তু সিঁহত বৰ ক্ৰুৰ আৰু বুদ্ধিয়ক। মোক ইমান দিন ধৰি গোলামী কৰোৱাই আছিল। মোৰ পিঠিত উঠি, মুখত লেকাম লগাই বহু দূৰ দৌৰিবৰ বাবে বাধ্য কৰিছিল। যেতিয়া বুঢ়া হৈ পৰো তেতিয়া বধ কৰি চামৰা আদি বিক্ৰী কৰি দিছিল।’’ ঘোঁৰাই কলে।

সিংহই ঘোঁৰাক আশ্বাস দিলে। কিন্তু ঘোঁৰাই তেওঁলোকৰ লগত আগবাঢ়িবলৈ মান্তি নহৈ নিজৰ ৰাস্তাত গুচি গ’ল।

তাৰপিছত সিঁহতে এটা উট দৌৰি দৌৰি অহা দেখা পালে। সিও মানুহলৈ ভয় কৰি পলাই আহিছিল।

‘‘তোমালোক সকলোকে ৰক্ষা কৰা মোৰ কৰ্তব্য। গতিকে তুমি পলাই যাবৰ প্ৰয়োজন নাই। ইয়াতে ৰৈ থাকা। মই চাই লম, কোন মনুষ্যই তোমাক অনুসৰণ কৰি আহিছে। তাক মই বধ কৰিম।’’ সিংহই কলে।

কিন্তু উট তাত থাকিবলৈ মান্তি নহ’ল। সি ক্ষমা মাগিলে আৰু গুচি গ’ল।

সিংহই এই সকলোবিলাক দেখি আচৰিত হ’ল। বুজিব নোৱাৰিলে মনুষ্য কিমান শক্তিশালী হব পাৰে।

অলপ সময়ৰ পিছত, এজন বুঢ়ালোক সেইফালে আহিল। তেওঁৰ মূৰৰ ওপৰত এটা পাচি আছিল। সেই পাচিত কেইডালমান খৰি আছিল। তেওঁ সিংহক দেখি সেই পাচি থৈ সষ্টাংগে প্ৰণিপাত কৰিলে।

‘‘সিংহ মহাৰাজৰ জয় হওক।’’ বৃদ্ধই কলে। ক্ষীণ–মীন, দূৰ্বল সেইলোকক দেখি

সিংহই হাঁহিলে। তাৰপিছত সি সুধিলে, ''তুমি কোন? তোমাৰ জাত কি? তুমিও মনুষ্যৰ পৰা বাচিবৰ বাবে পলাই আহিছা নেকি?'' মনুষ্যক দেখি হাঁহ ইতিমধ্যেই মূৰ্ছিত হৈ পৰিছিল। তাই সিংহক সাৱধান কৰি দিবৰ বাবে সময়েই নাপালে।

''মহাৰাজ, মই হলো বাঢ়ৈ। মই বাঢ়ৈ জাতিৰ লোক। আপোনাৰ মন্ত্ৰী চিতা বাঘে তেওঁৰ বাবে ঘৰ সাজি দিবৰ বাবে মোক মাতিছিল। তেওঁৰ বাবে ঘৰ সাজিবৰ বাবেই মই ইয়ালৈ আহিছো।'' বাঢ়ৈয়ে কলে।

''প্ৰথমতে তুমি মোৰ বাবে ঘৰ সাজিব লাগিব। তাৰ পিছতহে চিতাৰ বাবে ঘৰ সাজিব পাৰিবা।'' সিংহই কলে।

''মহাৰাজ, প্ৰথমতে চিতাৰ বাবে ঘৰ বনাবলৈ অনুমতি দিয়ক। তাৰপিছত মই আপোনাৰ বাবে মহল বনাই দিম।'' বাঢ়ৈয়ে পাচিটো মূৰৰ ওপৰত তুলি লৈ কলে।

''তুমি জানানে মই কোন?'' এইবুলি খঙতে সিংহই হাতোৰা তুলি বাঢ়ৈৰ পিঠিত এধকা মাৰিলে। ধকা খাই বাঢ়ৈ মাটিত পৰি গ'ল। তেওঁ কপি কপি কলে, ''হুজুৰ, আপুনি কোৱা মতেই মই কাম কৰিম।''

তাৰপিছত বাঢ়ৈয়ে এটা পিঞ্জৰা তৈয়াৰ কৰিলে। তাত এখন দুৱাৰ লগাই দিলে, যিফালেদি সিংহ ভিতৰলৈ সোমাব পাৰে। তাৰপিছত সিংহক ওচৰলৈ মাতি কলে, ''মহাৰাজ, এবাৰ ভিতৰলৈ গৈ চাওক।''

বাঢ়ৈৰ কথা মতে সিংহ ভিতৰলৈ সোমাই যোৱাৰ লগে লগে বাঢ়ৈয়ে দুৱাৰখন বাহিৰৰ পৰা বন্ধ কৰি দিলে। তাৰপিছত তেওঁ সেই পিঞ্জৰাটো চহৰলৈ লৈ গ'ল।

''আৰে বাঢ়ৈ। এয়া তুমি কি কৰিলা ?'' সিংহই ভিতৰৰ পৰা গৰজি কলে।

''ময়েই মনুষ্য। মোক দেখি তুমি পলাই যাব লাগিছিল।'' বাঢ়ৈয়ে কলে।

অকথিত প্ৰশংসা

আৰাৱল্লী পৰ্বতে আৱৰি থকা ৰাজ্যখন ৰজা বিজয় সিংহই শাসন কৰিছিল। তেওঁৰ কেৱল এটাই মাত্ৰ পুত্ৰ সন্তান আছিল আৰু সি বিবাহৰ বহুদিনৰ পিছত জন্মলাভ কৰিছিল। ৰজা-ৰাণীয়ে তাৰ নাম ৰাখিছিল প্ৰশংস বাৰ্মা আৰু বৰ মৰম চেনেহৰ মাজত তুলি তালি ডাঙৰ দীঘল কৰিছিল।

শিক্ষা লাভৰ বয়স হোৱাৰ লগে লগে প্ৰশংস বাৰ্মক গুৰুৰ আশ্ৰমলৈ প্ৰেৰণ কৰা হ'ল। সেই গুৰুৰ আশ্ৰমত শিক্ষা লাভ কৰা প্ৰতিটো শিশুৱেই ডাঙৰ হৈ সফলতা লাভ কৰিছিল আৰু সকলোৱে প্ৰশংসাৰ পাত্ৰ হৈছিল। সেই আশ্ৰমৰ গুৰুৰ নাম আছিল সৰ্বজ্ঞানী। তেওঁ সকলো শিষ্যকে সমান চকুৰে চাইছিল। তেওঁৰ মানত ৰজা আৰু সাধাৰণ লোকৰ সন্তানৰ মাজত একো পাৰ্থক্য নাছিল।

তেওঁ প্ৰতিজন শিষ্যৰে স্বভাৱ-চৰিত্ৰ ভালদৰে জানি লৈছিল আৰু সেই অনুসৰি শিক্ষা প্ৰদান কৰিছিল। সেইবাবে যিসকল অলপ দুষ্ট ধৰণৰ শিষ্য আছিল, তেওঁলোকৰ বাবে গুৰুকুলৰ প্ৰথম কেইমাহ মান সময় অলপ কঠিন আছিল। লাহে লাহে তেওঁলোকে আশ্ৰমৰ নীতি নিয়ম শিকি লৈ তাৰ পৰিবেশৰ লগত খাপ খাই পৰিছিল।

এদিনাখন গুৰু সৰ্বজ্ঞানীয়ে শিষ্যসকলক এটা কাম কৰিবলৈ দিলে। আশ্ৰমৰ ওচৰৰে এখন অৰণ্যত এজোপা ঔষধি গছ আছিল। তাৰ শিপা বৰ প্ৰয়োজনীয় আছিল আৰু তাৰে নানা ধৰণৰ ৰোগ-ব্যাধিৰ চিকিৎসা কৰা সম্ভৱ হৈছিল। সেই গছ এটা টিলাতহে পোৱা গৈছিল আৰু সেই টিলাটোক অৰণ্যত বাস কৰা এটা জাতিয়ে ভগৱান বুলি মানি পূজা কৰিছিল। গতিকে সেই গছৰ শিপা

সীতা সত্য

অনাটো বৰ সহজ কথা নাছিল। গুৰু সৰ্বজ্ঞানীয়ে ঘোষণা কৰিলে যে যিজনে সেই গছৰ শিপা লৈ আহিব পাৰিব তেওঁকেই সকলো শিষ্যৰ ভিতৰত উত্তম বুলি গণ্য কৰা হ'ব।

প্ৰশংস বাৰ্মাৰ বাহিৰে আন সকলো শিষ্যই গুৰুৰ আশীৰ্বাদ লৈ সেই কাম সমাধা কৰাৰ উদ্দেশ্যে ৰাওনা হ'ল। তাকে দেখি গুৰু সৰ্বজ্ঞানীয়ে প্ৰশংস বাৰ্মাৰ ফালে আঁচৰিত হৈ চালে আৰু সুধিলে, ''তুমি এই কাম সমাধা কৰি নিজকে উত্তম ছাত্ৰ বুলি প্ৰমাণ কৰিব নোখোজা নেকি?''

''গুৰুদেৱ, মই নিজকে যোগ্য বুলি প্ৰমাণ কৰাৰ কোনো প্ৰয়োজন নাই। মই হলো ৰাজকুমাৰ। এই কামত বিফল হলে মই লাজ নাপাম জানো? গতিকে মই ভাৱো যে মই কামত ভাগ নোলোৱাই ঠিক হব।''

গুৰু সৰ্বজ্ঞানী ৰাজকুমাৰৰ কথা শুনি হাঁহি এটা মাৰি কলে, ''এইটো সঁচা যে তুমি ৰাজকুমাৰ। যদি তুমি ভৱিষ্যতে ৰজা হব খোজা তেন্তে তাৰ বাবে নিজকে যোগ্য বুলি প্ৰমাণ কৰিব লাগিব। এজন ভাল ৰজা হোৱাৰ যোগ্যতা মানুহে জন্মতেই লাভ নকৰে। সেইবিলাক চেষ্টা কৰি অৰ্জন কৰা প্ৰয়োজন।''

গুৰুৰ কথা শুনাৰ পিছত প্ৰশংস বাৰ্মাই পলম নকৰি অৰণ্য অভিমুখে যাত্ৰা কৰিলে। তেওঁ অৰণ্যৰ মাজেদি কেইমাইলমান যোৱাৰ পিছত অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত অৰণ্যবাসীয়ে আগুৰি ধৰিলে। তেওঁলোকৰ লগত প্ৰশংস বাৰ্মাই সাহসেৰে যুদ্ধ কৰিলে। কিন্তু শেষত

তেওঁ আত্ম সমৰ্পণ কৰিবলগীয়া হ'ল। অৰণ্যবাসীসকলে তেওঁক বান্ধি তেওঁলোকৰ নেতাৰ ওচৰলৈ লৈ গ'ল। তাত গৈ প্ৰশংস বাৰ্মাই দেখিলে যে তেওঁৰ লগৰ সকলো ছাত্ৰকে বন্দী কৰি থোৱা আছে।

প্ৰশংস বাৰ্মাক সেই অৰণ্যবাসীসকলৰ নেতাই সুধিলে, ''তুমি কোন?''

''মোৰ বান্ধ খুলি দিয়া, তেতিয়া নিজেই গম পাবা মই কোন।'' প্ৰশংস বাৰ্মাই কলে।

সেই কথা শুনি নেতাই শান্ত স্বৰেৰে কলে, ''এই বালকৰ বান্ধ খুলি দিয়া। মই চাব খুজো এওনো কোন।'' তেওঁৰ বান্ধ খুলি দিয়া হ'ল। লগে লগে জাপ মাৰি প্ৰশংস বাৰ্মাই অৰণ্যবাসীৰ নেতাৰ ডিঙি চেপি ধৰিলে। বাকী সকলে বিবুদ্ধি হৈ চাই ৰ'ল। অলপ সময়ৰ পিছত ৰাজকুমাৰে এনে এটা পেচ প্ৰয়োগ

কৰিলে যে অৰণ্যবাসীৰ নেতাই লৰচৰ কৰিব নোৱাৰা হ'ল।

গোটেই ঘটনাটো অৰণ্যবাসীসকলৰ জ্যেষ্ঠ লোকসকলে সহজ ভাৱে লব নোৱাৰিলে। তেওঁলোক সকলোৱে প্ৰশংস বাৰ্মাক আক্ৰমণ কৰিবলৈ আগুৱাই গ'ল।

কিন্তু নেতাই সকলোকে বাধা দি কলে, ''এই যুৱক হ'ল মহান যোদ্ধা। আমি তেওঁক অপমান নকৰি সন্মান কৰাহে উচিত।''

তেতিয়া প্ৰশংস বাৰ্মাই কলে, ''আশাকৰো মই মোৰ পৰিচয় প্ৰদান কৰিলো।'' তাকে শুনি নেতাই কলে, ''সাহসীজনক সন্মান কৰাটো আমাৰ পৰম্পৰা। তোমাক কি উপহাৰ লগে কোৱা।''

''মোৰ সেই ঔষধি গছৰ শিপাৰ প্ৰয়োজন, যি গছ তোমালোকে পুজা কৰা টিলাটোত আছে।'' প্ৰশংস বাৰ্মাই কলে।

তাকে শুনি নেতাই নিজেই গৈ সেই গছৰ শিপা আনি প্ৰশংস বাৰ্মাক প্ৰদান কৰি সুধিলে, ''তোমাক আৰু কিবা লাগে যদি কব পাৰা।''

''মোৰ সকলো সহপাঠীয়ে মুক্তি লাভ কৰাটো কামনা কৰো।'' প্ৰশংস বাৰ্মাৰ কথা মতে বন্দী কৰি থোৱা সকলো শিষ্যকে মুকলি কৰি দিয়া হ'ল। তাৰপিছত সকলো গুৰুৰ আশ্ৰমলৈ উভতি আহিল।

সেই ঔষধি গছৰ শিপাৰ লগতে লগৰ সকলো সহপাঠীক মুক্ত কৰি অনাৰ বাবে প্ৰশংস বাৰ্মাই গুৰুৰ পৰা প্ৰশংসা লাভ কৰিব বুলি আশা কৰিছিল। কিন্তু সেই শিপা লোৱাৰ পিছত তেওঁ এটাও শব্দ উচ্চাৰণ নকৰিলে।

তাৰপিছত, কিছুদিনৰ পিছত আশ্ৰমৰ গৰু গাই আদি মাৰি আমনি কৰা থকা এটা বাঘক বধ কৰাৰ দায়িত্ব প্ৰশংস বাৰ্মাৰ হাতত অৰ্পন কৰা হ'ল।

তেওঁৰ বাঘৰ খোজ পৰ্যবেক্ষণ কৰিলে আৰু তাৰ স্বভাৱ চৰিত্ৰ অনুমান কৰিবলৈ চেষ্টা কৰিলে। তিনিদিনৰ ভিতৰতে তেওঁ সেই জ্ঞানৰ সহায়ত বাঘটো বধ কৰিলে। তেওঁ মৰা বাঘটো আনি গুৰু সৰ্বজ্ঞানীৰ আগত পেলাই দিলে। কিন্তু গুৰুৱে সেইবাৰো তেওঁক প্ৰশংসা কৰি একো নকলে।

অৱশেষত শিক্ষা শেষ কৰাৰ দিনটো আহি পালেহি। প্ৰশংস বাৰ্মাই নিজৰ শিক্ষা সমাপ্ত কৰি ৰাজধানীলৈ উভতি যাবৰ বাবে সাজু হ'ল। গুৰুৱে তেওঁক ওচৰলৈ মাতি কলে, ''মই জানো যে মোৰ পৰা এটাও

প্ৰশংসাসূচক শব্দ শুনা নাপাই তুমি বেজাৰ পাইছা। কিয়নো তুমি মই দিয়া প্ৰতিটো কামেই ভালদৰে সমাধা কৰিলা।

এতিয়া তুমি তোমাৰ শিক্ষা সমাপ্ত কৰিলা। মই এটা কথা তোমাক কব খুজো। কাৰোবাৰ পৰা প্ৰশংসা লাভ কৰিব বিচৰাটো হ'ল এজন নেতাৰ দূৰ্বলতা। তুমি কাৰোবাৰ পৰা প্ৰশংসা লাভ কৰিব বিচৰাৰ অৰ্থ হ'ল তুমি নিজৰ সক্ষমতাক জানিবলৈ সক্ষম হোৱা নাই। যেতিয়ালৈকে তুমি আনৰ প্ৰশংসা লাভ কৰিবলৈ ইচ্ছা কৰি থাকিবা, তেতিয়ালৈকে মানসিকভাৱে সবল আৰু নেতা হোৱাৰ যোগ্যতা লাভ কৰিব নোৱাৰিবা।

গুৰু হিচাপে, মই যদি তোমাক প্ৰশংসা কৰো, তাৰ অৰ্থ এইটো হব যে 'তোমাৰ পৰাক্ৰমৰ সৰ্বোচ্চ সীমা সেইটোৱেই।' পৰিৱৰ্তে মই মৌন হৈ থাকিলো। তুমি তাৰ পৰাই অনুমান কৰি লোৱা দৰকাৰ যে মই সেই কাম কৰিয়েই তোমাক এইটো ইংগিত দিলো যে তোমাৰ কামৰ বাবে মই তোমাক প্ৰশংসা কৰাৰ প্ৰয়োজন নাই। মই জানো যে ইয়াতকৈও কঠিন কাম কৰাৰ সক্ষমতা তোমাৰ আছে। মই কি কৈছো তুমি নিশ্চয় উপলব্ধি কৰিব পাৰিছা।

মই তোমাক আৰু এটা কথা কব বিচাৰো যে মোৰ সকলো শিষ্যৰ ভিতৰত তুমিয়েই সৰ্বোত্তম। তুমি এতিয়া ৰাজধানী অভিমুখে যাত্ৰা আৰম্ভ কৰিব পাৰা। নিজৰ জ্ঞান আৰু সক্ষমতা ব্যৱহাৰ কৰি সকলো লোকৰে মংগল কৰিবলৈ চেষ্টা কৰা। তেনে কৰিলে সকলো প্ৰজাই সুখী হব আৰু তুমি এজন আদৰ্শ ৰজা হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব পাৰিবা। মোৰ আৰ্শীবাদ আৰু শুভ কামনা সদায় তোমাৰ লগত থাকিব।" এইবুলি গুৰু সৰ্বজ্ঞানীয়ে ৰাজকুমাৰ প্ৰশংস বাৰ্মাৰ মূৰত হাত থৈ আৰ্শীবাদ কৰিলে।

গুৰুৰ মুখৰ পৰা এনে কথা শুনি ৰাজকুমাৰে সকলো কথা উপলব্ধি কৰিলে। তেওঁ অলপ দিনৰ পিছত সিংহাসনত আৰোহন কৰিলে আৰু জনসাধাৰণৰ হিতৰ বাবে কাম কৰি নিজকে এজন আদৰ্শ ৰজা হিচাপে প্ৰতিষ্ঠা কৰিলে।



দৃষ্টিকোণ

শ্ৰীপুৰম নামৰ গাৱঁৰ লোকসকলে সিদ্ধৰামক এজন ভদ্ৰ আৰু জ্ঞানী লোক বুলি গণ্য কৰিছিল। সকলোৱে তেওঁক বৰ সন্মান কৰিছিল। এদিনাখন তেওঁ এক ৰাজহুৱা স্থানত কিছু লোকৰে সৈতে কথা পাতি আছিল। তেনেসময়তে এজনে নিজৰ চিনাকি দি কলে, ''মহাশয়, মোৰ নাম হ'ল দেৱ। মই ঘনপুৰম গাৱঁত থাকো। মই আপোনালোকৰ গাৱঁত থিতাপি লোৱাৰ কথা চিন্তা কৰি আছো।''

সেই কথা শুনি সিদ্ধৰামে কলে, ''আপুনি অনুগ্ৰহ কৰি মোক এই কথা কওক যে আপুনি কি কাৰণৰ বাবে তাৰ পৰা ইয়ালৈ অহাৰ চিন্তা কৰিছে।''

দেৱই কলে, ''মোৰ গাৱঁৰ মানুহবিলাক হ'ল অতি স্বাৰ্থপৰ। গতিকে তাত বাস কৰাটো মোৰ বাবে কঠিন হৈ পৰিছে।''

''যদি সেইটোৱেই কাৰণ, তেন্তে মই এই কথা কব পাৰো যে আমাৰ গাৱঁৰ লোকসকল তাতোকৈ একো ভাল নহয়।'' সিদ্ধৰামে হাঁহি এটা মাৰি কলে।

''সেই কথাটো মই নাজানিছিলোৱেই।'' এইবুলি কৈ দেৱ তাৰ পৰা গুচি গ'ল।

তাত উপস্থিত থকা গাৱঁৰ সকলো লোকে সিদ্ধৰামৰ কথা শুনি আচৰিত হ'ল।

কিছুদিনৰ পিছত, দেৱই লগত আন এজন মানুহ লৈ আহিল। তেওঁ সিদ্ধৰামক কলে, ''মহাশয়, এও মোৰ গাৱঁৰে, নাম হ'ল ৰামনাথ। তেওঁ আপোনালোকৰ গাৱঁলৈ আহি থিতাপি লব বিচাৰে। আপুনি মোক কোৱা কথা মই তেওঁক কলো। কিন্তু তেওঁ আপোনাৰ পৰা নিজেই জানিব বিচাৰে।''

সিদ্ধৰামে সুধিলে, ''দেৱৰ পৰা আপুনি নিশ্চয় সকলো কথা শুনিলে। তাৰপিছতো আপুনি কিয় ইয়াত আহি থিতাপি লব বিচাৰে?''

ৰামনাথে কলে, ''মহাশয়, মই য'ত বাস

জোনালগাড্ডা ৰত্ন

কৰো তাত মোৰ একো সমস্যা হোৱা নাই। কিন্তু মই এই কথাও দাবী কৰা নাই যে তাৰ মানুহবিলাক বৰ ভাল আৰু একেবাৰে স্বাৰ্থপৰ নহয়। কিন্তু মই এই গাৱত থিতাপি লৈ আপোনাৰ দৰে জ্ঞানীজনৰ সংগ লাভ কৰি মোৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিব খুজো।''

সেই কথা শুনি সিদ্ধৰামে কলে, ''তেতিয়া হলে আপুনি আমাৰ গাৱলৈ আহি থিতাপি লব পাৰে। আমাৰ গাৱত বহু জ্ঞানী লোক আছে। আপুনি উপকৃত হব পাৰিব।''

এই কথা শুনি দেৱ আচৰিত হ'ল। তেওঁ সুধিলে, ''মহাশয়, কেইদিনমানৰ আগতে আপুনি মোক এক বেলেগ ছবি দাঙি ধৰিছিল। এতিয়া আপুনি বেলেগ কথা কৈছে।''

সিদ্ধৰামে হাঁহি এটা মাৰি কলে, ''আমি পৃথিৱীখন যেনেকৈ চাও তেনেকৈয়ে দেখা পাও। যি ক্ষেত্ৰত আপুনি নিজৰ গাৱৰ লোকসকলক স্বাৰ্থপৰ আৰু অজ্ঞানী বুলি ভাৱে, ৰামনাথে তেনে বুলি নাভাৱে। মই ভাৱো যে আপুনি আমাৰ গাৱৰ লোকসকলকো সেই একেই দৃষ্টিকোণৰ পৰা চাব। মই আপোনাৰ চিন্তাৰ ধৰণত সুখী হোৱা নাছিলো। তেনে চিন্তা লৈ কোনোবা আমাৰ গাৱত থিতাপি লোৱাটো আমাৰ কাম্য নহয়। মই সেইবাবেই আপোনাক তেনেদৰে কৈছিলো।''

সিদ্ধৰামৰ কথা শুনি দেৱ আৰু ৰামনাথ দুয়ো কলে, ''আমি এতিয়া উপলব্ধি কৰিছো যে আমি এই গাৱত থিতাপি লোৱাৰ কোনো প্ৰয়োজন নাই। আমি আমাৰ দৃষ্টিকোণৰ পৰিসৰ বৃদ্ধি কৰিবলৈ চেষ্টা কৰিম।'' এইবুলি দুয়োজন তাৰ পৰা গুচি গ'ল।

তাৰপিছত সিদ্ধৰামে তাত উপস্থিত থকা গাৱৰ বাকী লোকসকলক উদ্দেশ্য কৰি কলে, ''এতিয়া নিশ্চয় আপোনালোকে বুজিব পাৰিলে যে মই দেৱক সেইদিনা কিয় তেনেকৈ কৈছিলো। আমি সকলোৱেই নিজৰ মাজত থকা দোষ-ত্ৰুটি সমূহ শুধৰাই নিজকে এজন ভদ্ৰলোক বুলি প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰা উচিত। তেতিয়াহে গাৱৰ সমৃদ্ধি সম্ভৱপৰ হব।''

গাৱৰ লোকসকলে সিদ্ধিৰামৰ কথা শুনি বৰ আনন্দিত হ'ল আৰু নিজকে এজন সৎ নাগৰিক হিচাপে প্ৰতিষ্ঠা কৰাৰ পণ ললে।



ৰহস্যজনক উপহাৰ

ৰাজকুমাৰ অনন্তসেনে ৰাজকুমাৰী শান্তনাৰ চিত্ৰখন বৰ ভাল পালে। সেইখন তেওঁলৈ ৰাজকুমাৰীৰ লগত বিবাহৰ প্ৰস্তাৱ দি প্ৰেৰণ কৰা হৈছিল। তেওঁ এবাৰ ৰাজকুমাৰীৰ বুদ্ধিৰ পৰীক্ষা লব খুজিলে। তেওঁ ৰাজকুমাৰীলৈ অলপমান মিঠা আলু উপহাৰ হিচাপে প্ৰেৰণ কৰিলে। তাৰ উত্তৰত ৰাজকুমাৰীয়ে তেওঁলৈ কিছুমান শস্য প্ৰেৰণ কৰিলে। তাৰপিছত তেওঁ ৰাজকুমাৰীলৈ বুলি এখৰাহী মিলেট প্ৰেৰণ কৰিলে। উত্তৰত ৰাজকুমাৰীয়ে পিছদিনাখন দুখৰাহী ধান প্ৰেৰণ কৰিলে। তাৰপিছত ৰাজকুমাৰে এটা কুকুৰ উপহাৰ হিচাপে প্ৰেৰণ কৰাত ৰাজকুমাৰীয়ে এটা বান্দৰ উপহাৰ হিচাপে প্ৰেৰণ কৰিলে।

ৰাজকুমাৰীৰ পৰা সেইবিলাক উপহাৰ লাভ কৰি ৰাজকুমাৰ বৰ সুখী হ'ল আৰু ৰজা নাগবৰ্ধনক কলে, "পিতা, ভৱিষ্যতৰ ৰাণী হবৰ বাবে যি যি গুণৰ আৱশ্যক সেই সকলোবিলাক ৰাজকুমাৰী শান্তনাৰ আছে। অনুগ্ৰহ কৰি বিবাহৰ যো-জা কৰক।" "কিন্তু তোমালোকৰ এই উপহাৰৰ অৰ্থ হলে মই নুবুজিলো।" ৰজাই কলে। "পিতা, মই মিঠা আলু প্ৰেৰণ কৰি ইয়াক বুজাইছিলো যে তেওঁলোকৰ ৰাজ্য বেছ সমৃদ্ধিশালী। তেওঁ শস্য প্ৰেৰণ কৰি এই কথা কলে যে আচলতে তেওঁলোকৰ ৰাজ্যৰ অৱস্থা তাতোকৈ বেছি ভাল। তাৰপিছত প্ৰেৰণ কৰা মিলেটৰ অৰ্থ হ'ল যে তেওঁলোকে তাতোকৈ ভাল বস্তু ভক্ষণ কৰিব পাৰে। দুখৰাহী ধান প্ৰেৰণ কৰি তেওঁ উত্তৰ দিলে যে তেওঁলোকৰ তাত ধানৰ অভাৱ নাই।" "তেন্তে কুকুৰ আৰু বান্দৰৰ অৰ্থ কি?" ৰজাই সুধিলে। "মই ৰাজকুমাৰীক জোকাবৰ বাবে কুকুৰ প্ৰেৰণ কৰিছিলো। তেওঁ মোলৈ বান্দৰ প্ৰেৰণ কৰিলে। তাৰে তেওঁ এই কথা বুজাইছে যে মই যে হনুমানৰ ভক্ত সেই কথা তেওঁ জানে।" "বৰ ভাল কথা। মই এতিয়াই বিবাহৰ প্ৰস্তাৱ গ্ৰহণ কৰা বুলি বাৰ্তা প্ৰেৰণ কৰিম।" ৰজাই কলে।

কিছুদিনৰ পিছতে ৰাজকুমাৰ অনন্তসেন আৰু ৰাজকুমাৰী শান্তনাৰ বিৱাহ ধুমধামেৰে আয়োজন কৰা হ'ল।

–পি কৃষ্ণমূৰ্তি

শিথিলালয় - ২৬

(ইম্যু লোকসকলৰ চকুত ধূলি দি শিথিলালয়ৰ পুজাৰীয়ে এটা গুহাৰ ভিতৰত থকা সুৰংগইদি পলাই যাবলৈ সক্ষম হ'ল। ইম্যু নায়কে নিজৰ এটা দলৰ নেতা নাগসোমক শিখিমুখীহঁতক 'বৃশ্চিকৰ দেশ'লৈ বাট দেখুৱাই লৈ যোৱাৰ দায়িত্ব দিলে। তিনিখন নাৱত সকলো বস্তু-বেহানি লাদি অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত হৈ সকলোৱে বৃশ্চিক দেশ অভিমুখে যাত্ৰা আৰম্ভ কৰিলে। তাৰপিছত...)

সূৰ্যাস্তৰ সময়লৈকে শিখিমুখী আৰু তেওঁৰ দলে যাত্ৰা অব্যাহত ৰাখিলে। তেওঁলোকে ৰাতিটো কটাব পৰাকৈ এটা উপযুক্ত চৰৰ সন্ধান কৰিবলৈ ধৰিলে। পোন্ধৰ মিনিটমান যাত্ৰা কৰাৰ পিছত তেওঁলোকে তেনে এটা চৰ দেখা পালে। সেই চৰৰ পাৰলৈ নাও চপাই দি নাওদুখন গছত ৰচীৰে বান্ধি দিলে। তেওঁলোকে চিন্তা কৰিলে ডাঙৰ নদীখনেদি ঘূৰি অহা ডাঙৰ নাওখনো অতি সোনকালেই আহি সেই ঠাইত উপস্থিত হব।

লাহে লাহে আন্ধাৰ হৈ আহিল। ৰাতিৰ আহাৰ তৈয়াৰ কৰি সকলোৱে ভোজন কৰিলে। একুৰা জুই ধৰি তাৰ চাৰিওফালে সকলো বহি ইটো সিটো কথা পাতি থাকিল। তৃতীয়খন নাও আহি তেতিয়াও উপস্থিত নহ'ল। শিখিমুখী এই কথাত নিশ্চিত আছিল যে শিথিলালয়ৰ পুজাৰী তেওঁলোকতকৈ আগতেই বৃশ্চিকৰ দেশ অভিমুখে ৰাওনা হৈছে। যদি পথত ক'ৰবাত তেওঁলোকৰ নাৱৰ লগত পুজাৰীৰ নাও মুখামুখি হয়, তেন্তে দুয়োদলৰ মাজত যুদ্ধ নিশ্চিত। সেই যুদ্ধত কিছু লোক জলজন্তুৰ আহাৰ হোৱাৰ সম্ভাৱনা প্ৰৱল।

শিখিমুখীয়ে এইদৰে চিন্তা কৰি আছিল।

দাসৰি সুব্ৰমন্যম



হাঁহিলে আৰু অলপ শুকান খৰি জুইত জাপি দিলে। অকস্মাতে সেই চৰৰ এটা ফালৰ পৰা বুকু কপাই যোৱা ভয়ংকৰ শব্দ শুনা গ'ল। লাল কুকুৰে শব্দ হোৱাৰ ফালে মুখ কৰি ভুকিবলৈ ধৰিলে। শিখিমুখীয়ে লগে লগে বহাৰ পৰা উঠি ইফালে সিফালে চাই কলে, ''সেয়া জন্তুৰ শব্দ নে মানুহৰ শব্দ? কোনোবা মানুহ বিপদত পৰিছে যেন পাইছো। নহলে আমাক ঠগিবৰ বাবে পুজাৰীৰ আন এক আঁচনিও হব পাৰে। হাতে হাতে অস্ত্ৰ-শস্ত্ৰ লৈ সেই দিশত আগবাঢ়ি যোৱাই ভাল হব।''

অজিত আৰু বীৰভদ্ৰই হাতত জ্বলি থকা জোৰ লৈ আগে আগে গ'ল। অলপদূৰ যোৱাৰ লগে লগে মানুহৰ চিঞৰ স্পষ্টকৈ শুনা গ'ল। সকলো সেই চিঞৰৰ অভিমুখে দৌৰিবলৈ ধৰিলে। হঠাতে সকলোৱে দেখিলে যে এটা লেঙেৰা মানুহে হাতত এডাল লাঠি লৈ দুটা প্ৰকাণ্ড ঘঁৰিয়ালৰ লগত যুঁজ কৰি আছে।

শিখিমুখী সেই লেঙেৰা মানুহটোক ৰক্ষা কৰিবৰ বাবে আগুৱাই গ'ল। লাল কুকুৰে ভুকি সেই মানুহটোৰ ফালে আগুৱাই গ'ল। কুকুৰৰ ভুকভুকনি শুনি সেই মানুহটোৱে ভয় খাই কলে, ''শিখি চাহাব, প্ৰথমতে আপুনি মোক এই লাল কুকুৰৰ পৰা ৰক্ষা কৰক। তাৰপিছত আপুনি মোক যি শাস্তি দিব খোজে দিব।''

সেই লেঙেৰা মানুহটোৰ মাত শুনি

তেনেসময়তে সেই চৰৰ গছত থকা পক্ষীৰ কলৰব আৰু পানীত থকা ঘঁৰিয়াল আৰু অন্য জলজন্তুৰ মাত শুনা গ'ল। তেওঁ কাষতে থকা বিক্ৰমকেশৰীক কলে, ''এই চৰৰ চাৰিওফালৰ বাতাবৰণ বেছ ভয়ংকৰ। ইয়াতকৈ অটব্য অৰণ্যৰ মাজত কটোৱাটো বেছি সুখদায়ক হব।''

শিখিমুখীৰ কথাত সন্মতি দি নাগসোমে মূৰ দুপিয়ালে। বিক্ৰমকেশৰীয়ে এবাৰ চাৰিওফালে ভালদৰে লক্ষ্য কৰি কলে, ''তুমি কি এই চৰৰ কথা ভাৱিছা? মইটো পুজাৰীৰ কথা ভাৱি আছো। মোৰটো এনে সন্দেহ হয় যে সি এনে কোনো চৰতে শিৱিৰ পাতি আছে।''

বিক্ৰমকেশৰীৰ কথা শুনি শিখিমুখীয়ে

শিখিমুখী, বিক্রমকেশৰী আৰু তেওঁলোকৰ সহচৰ অজিত আৰু বীৰভদ্ৰই বুজিব পাৰিলে যে সি পলাই যোৱা জংঘলাৰ বাহিৰে আন কোনো নহয়। সি যিমানেই দুষ্টনহওক কিয়, কুকুৰৰ কামোৰত মৰিবলৈ এৰি নিদি শিখিমুখীয়ে লাল কুকুৰক ওচৰলৈ মাতিলে। তাৰপিছত তেওঁ হাতৰ তৰোৱালেৰে এটা ঘঁৰিয়ালৰ মূৰৰ ওপৰত প্ৰহাৰ কৰিলে। সেই সময়তে অজিতে আনটো ঘঁৰিয়ালক শেলেৰে বিদ্ধ কৰিলে।

দুয়োটা ঘঁৰিয়ালে আঘাত পাই আৰু লগতে জুইৰ পোহৰ দেখি পানীলৈ গুচি গ'ল। জংঘলাই ফোঁফাই জোফাই মাটিত বাগৰি পৰিল। সি কিবা কব খুজিছিল যদিও, তাৰ মুখেদি মাতেই নোলাল।

শিখিমুখী আৰু তেওঁৰ দলৰ সকলো লোক এই ঘটনাত আঁচৰিত হ'ল। তেওঁলোকে চিন্তা কৰি উলিয়াব নোৱাৰিলে যে ইমান ৰাতি জংঘলাই কেনেকৈ আহি সেই চৰত উপস্থিত হ'ল। ইফালে বিক্ৰমকেশৰীৰ মনত এই সন্দেহ হবলৈ ধৰিলে যে পুজাৰীয়ে তেওঁলোকৰ সন্তেদ লবলৈ জংঘলাক তালৈ প্ৰেৰণ কৰিবও পাৰে।

শিখিমুখীয়ে জংঘলাক কিবা সুধিব খোজোতেই বিক্ৰমকেশৰীয়ে তৰোৱালখন উলিয়াই কলে, ''জংঘলা, যি সোধো সঁচা কবি। নহলে তোৰ আনটো ভৰিও মই কাটি পেলাম। তাৰপিছত জীয়াই জীয়াই ঘঁৰিয়ালৰ মাজলৈ দলিয়াই দিম। ভালে ভালে কৈ দে,



এই চৰৰ ক'ত তোৰ মালিক পুজাৰী লুকাই আছে।''

এনে লাগিল যে প্ৰশ্নটো শুনি জংঘলাই ভয় নাখালে। সি এনে ধৰেণেৰে নিশ্বাস পেলালে যে জীৱন ভৰ নিশ্বাস পেলাব পৰা নাছিল। তাৰপিছত সি কলে, ''বিক্ৰম চাহাব, মই আপোনালোকৰ লগত যি বিশ্বাসঘাটকতা কৰিলো, তাৰপিছত এতিয়া মই সঁচা কথা কলেও আপোনালোকে বিশ্বাস নকৰিব। গতিকে আপোনালোকে যি উচিত বুলি ভাৱে সেই দণ্ডই মোক প্ৰদান কৰক। মই তাকে গ্ৰহণ কৰিবলৈ ৰাজী আছো।''

''তোৰ এই কপট নাটক মোৰ আগত নেদেখুৱাবি। মই যি সুধিছো তাৰ সঁচা উত্তৰ

দে।'' এইবুলি কৈ বিক্রমকেশৰীয়ে জংঘলাৰ ডিঙিত তৰোৱাল লগালে।

ঘটনা দেখি শিখিমুখীয়ে হাঁহি এটা মাৰি কলে, ''মোৰ বোধ হৈছে যে তুমি নিজৰ প্ৰতিজ্ঞা পাহৰি জংঘলাৰ শিৰচ্ছেদ কৰিব বিচাৰিছা। অলপ আগতে তাৰ ভৰি কাটি জীৱিত অৱস্থাত ঘঁৰিয়ালৰ আহাৰ কৰাৰ কথাহে আছিল।'' তাৰপিছত তেওঁ জংঘলালৈ চাই কলে, ''জংঘলা, মোৰ এনে লাগিছে যে তই আৱামৰ মৰণ বিচাৰিছ। কিন্তু এই কথা মনত ৰাখ যে তই যদি সঁচা কথা নকৱ, তেন্তে তোক বিক্রমে জীয়াই জীয়াই ঘঁৰিয়ালৰ মাজলৈ দলিয়াই দিব। বুজিলি?''

জংঘলা অলপ সময় মৌণ হৈ ৰ'ল। তাৰপিছত সি লাহে লাহে কলে, ''শিখি চাহাব, অপৰাধীয়ে মৰাৰ আগতে সত্যই কওক বা অসত্যই কওক, তাৰ কোনো পাৰ্থক্য নাই। কিন্তু মৰাৰ আগতে মই আপোনালোকক যি কথা কম, সেয়া আপোনালোকৰ বাবে লাভদায়ক হব। পুজাৰীয়ে আজি দিনৰ দুপৰীয়া সময়ত দুখন নাৱলৈ শিথিলালয় থকা চৰটোলৈ যাত্ৰা আৰম্ভ কৰি দিলে। আপোনালোক গৈ সেই ঠাই পোৱাৰ লগে লগে সি আপোনালোকৰ অহিত কৰিবলৈ চেষ্টা কৰিব। সেইবাবে আপোনালোক সাৱধান হৈ থকাটো উচিত হব।''

শিখিমুখীৰ এনে লাগিল যে জংঘলাৰ কথাত অসত্যতা নাই। তেওঁ বিক্রমক মাতি অলপ দূৰলৈ লৈ গ'ল। যাওতেই তেওঁ জংঘলাক কলে, ''তই কি কাৰণে তোৰ মালিকৰ লগত নগৈ এই ঘঁৰিয়াল আদি থকা চৰত অকলে অকলে থাকি গলি?''

''মৰাৰ আগতে আপোনালোকক অন্তত এটা সঁচা কথা কবলৈ মই ইয়াত থাকি গলো। মই আপোনালোকৰ লগত যি বিশ্বাসঘাটকতা কৰিলো, তাৰ বাবেই চিতা বাঘৰ মুখত পৰি লেঙেৰা হবলগীয়া হ'ল। মোৰ পাপৰ বাবে ভগৱানে মোক উচিত দণ্ড দিলে। কামাখ্যা নগৰত মই সন্মান সহকাৰে জীৱন যাপন কৰিছিলো। পুজাৰীয়ে মোৰ ধনৰ লোভ দি বেয়া কাম কৰিবলৈ বাধ্য কৰিলে। মই সুবিধা বুজি তাক বধ কৰিবলৈ চেষ্টা কৰিছিলো। কিন্তু সি আছিল দুষ্ট শক্তিৰ উপাসক। সি সম্ভৱত মোৰ মনৰ

কথা গম পালে। সেইবাবেই সি মোক বনৰীয়া জন্তু আৰু জলজন্তুৰ আহাৰ বনাব খুজিলে।'' জংঘলাই কলে।

''তোক পুজাৰীয়ে কেনেকৈ জলজন্তুৰ আহাৰ কৰিব খুজিলে? এয়া কেনেকৈ সম্ভৱ হব পাৰে।'' শিখিমুখীয়ে সুধিলে।

জংঘলাই কবলৈ আৰম্ভ কৰিলে, ''গোলভৰা প্ৰদেশৰ নদীৰ পৰা ইয়ালৈকে পুজাৰীৰ নাও চলি আহি থকাৰ সময়ত মই আশে পাশে থকা সকলো চৰকে নিৰীক্ষণ কৰি আহিছিলো। মই এক কুশলী সাঁতোৰবিদ। সুবিধা বিচাৰি মই পুজাৰীৰ দলৰ নাও পানীত ডুবাই যেনে তেনে গোলভৰালৈ উভতি যাব বিচাৰিছিলো। সেয়াই আছিল মোৰ আঁচনি। কিন্তু পুজাৰীয়ে কেনেবাকৈ মোৰ আঁচনিৰ উমান পালে। আজি দুপৰীয়া যেতিয়া নাও এই চৰৰ কাষেদি পাৰ হৈ গৈছিল, তেতিয়া সি পানীলৈ এবাৰ চাই কলে, ''শিথিলেশ্বৰীৰ কণ্ঠাভৰণ মহা জল সৰ্পই মোক দৰ্শন দিছে। তাৰ বাবে মই প্ৰসাদ উচৰ্গা কৰিব লাগিব। মই নিশ্চয় দিম। সেই প্ৰসাদ গ্ৰহণ কৰি আমাক নিৰাপদে শিথিলেশ্বৰীৰ মন্দিৰত উপনীত কৰোৱা।'' এইবুলি কৈ চকু মুদি সি নিজৰ পীতাম্বৰ ওপৰলৈ দলিয়াই দিলে। সেই কাপোৰ আহি মোৰ মূৰৰ ওপৰতে পৰিলহি। তাকে দেখি সি চিঞৰি কলে, 'হেৰ' জংঘলা, তোৰ ভাগ্যৰ কথা কি কম। শিথিলেশ্বৰীৰ সেৱিকাৰ আহাৰ হৈ অহা

জনমত ইম্যু জাতিৰ নেতা হিচাপে জন্ম লাভ কৰাৰ সৌভাগ্য তোৰ হৈছে।'

মই এই কথা ভাৱি আছিলো যে সেই দুষ্টই কি কৰিব। তাৰ পিছত সি সবৰগীধক এক ইংগিত দিলে। সবৰগীধে আহি মোক গটা মাৰি নাৱৰ পৰা পানীত পেলাই দিলে। মই ডুবি যোৱাৰ ভাও ধৰি পানীৰ তলে তলে বুৰ মাৰি আহি ওচৰতে থকা চৰটোত উঠিলোহি। মই ভাগৰ আৰু ভোকত জৰ্জৰিত হৈ পৰিলো। আপোনালোকে আহি মোক ৰক্ষা কৰিলেহি। নহলে সম্ভৱত মই মৃত্যু মুখত পৰিবলগীয়া হলহেতেন। এয়াই হ'ল মোৰ কাহিনী।''

শিখিমুখীয়ে বিক্ৰমকেশৰীৰ ফালে চালে। তেওঁ আনফালে চাই কিবা ভাৱি আছিল।

শিখিমুখীয়ে অলপ পৰ ৰৈ বিক্ৰমকেশৰীক সুধিলে, ‘‘বিক্ৰম, এইক্ষেত্ৰত তোমাৰ বিচাৰ কি? আমি জংঘলাৰ কথাৰ ওপৰত বিশ্বাস কৰিব পাৰোনে নোৱাৰো?’’

‘‘সি নিজৰ কাহিনী এনেধৰণেৰে ৰচিলে যে আমি তাত বিশ্বাস কৰিবলগীয়া হৈছে।’’ বিক্ৰমকেশৰীয়ে উত্তৰ দিলে।

বিক্ৰমৰ এনে উত্তৰত হাঁহি মাৰি শিখিয়ে সেই একেই প্ৰশ্ন অজিত, বীৰভদ্ৰ আৰু নাগসোমক সুধিলে। তেওঁলোকে কলে যে জংঘলাৰ কথা বিশ্বাসযোগ্য যেন বোধ হৈছে।

‘‘তেতিয়াহলে কালিলৈ আমি যাত্ৰা কৰাৰ সময়ত জংঘলাকো আমাৰ লগত লৈ লম। তুমি এই কথা সন্মত আছানে বিক্ৰম?’’ শিখিমুখীয়ে সুধিলে।

‘‘নিশ্চয় তাক আমি লগত লৈ যাম। আৰু এইবাৰ সি আমাক ঠগিবলৈ চেষ্টা কৰিলে ক্ষমা নকৰি কাটি টুকুৰা টুকুৰ কৰি পেলাম।’’ বিক্ৰমকেশৰীয়ে কলে।

তাৰপিছত সকলো শিবিৰৰ অভিমুখে ৰাওনা হ’ল। জংঘলাই শিখিমুখী আৰু বিক্ৰমকেশৰীৰ ভৰি চুই প্ৰণাম কৰিলে আৰু লাঠিৰ সহায়ত লেঙেৰাই লেঙেৰাই তেওঁলোকৰ পিছ ললে।

পিছদিনাখন ৰাতিপুৱা সকলো লোক সাৰ পাই উঠিল। প্ৰাতকৃত শেষ কৰি যাত্ৰাৰ বাবে সাজু হ’ল। জংঘলাক শিখিমুখী আৰু বিক্ৰমকেশৰীৰ লগত একেখন নাৱতে তুলি দিয়া হ’ল। শিখিমুখীয়ে এই কথা ভাৰি এনে প্ৰৱন্ধ কৰিলে যাতে জংঘলাই কোনো ঠগবাজী কৰিব নোৱাৰে। যাত্ৰা কৰাৰ আগমূহূৰ্তত ইম্যুসকলক লৈ অহা ডাঙৰ নাওখন ওচৰে পাজৰে আছে নেকি মুখ ঘূৰাই চালে। নাও দেখা পোৱা নগ’ল। শিখিমুখী আৰু বিক্ৰমকেশৰীৰ এনে সন্দেহ হ’ল যে হয়তো নাৱখনে দিশ হেৰুৱাই আন ক’ৰবাত উপস্থিত হ’লগৈ।

বতাহৰ গতি যাত্ৰাৰ অনুকুল আছিল। গতিকে তেওঁলোকে বঠা মাৰিবলৈ বন্ধ কৰি নাৱৰ পাল তুলি দিলে। বীৰভদ্ৰ আৰু নাগসোমৰ নাওখন আগে আগে যাবলৈ ধৰিলে। দুপৰীয়া সময় হোৱাৰ লগে লগে শিখিমুখীৰ মনলৈ এই চিন্তা আহিল কোনোবা এটা চৰত নাও ৰখাই দুপৰীয়াৰ

আহাৰ খাই লোৱাই ভাল হব। তেনে সময়তে তেওঁলোকে দূৰত এটা ডাঙৰ জলতৰংগ দেখিবলৈ পালে। কোনেও বুজিব নোৱাৰিলে যে প্ৰশান্ত জলৰাশিত সেই জলতৰংগ কিহে সৃষ্টি কৰিছে।

লগে লগে নাগসোমে খৰকৈ বঠা মাৰি নাৱখন ওচৰতে থকা চৰ এটাৰ ফালে লৈ গ'ল আৰু শিখিমুখীহতকো তেনে কৰিবৰ বাবে সংকেট দিলে। তেনেসময়তে আন দুখন নাও পানীত লহৰ তুলি তেওঁলোকৰ ফালে আহিবলৈ ধৰিলে।

সেই নাও দুখনত বহি থকা লোকসকলক শিখিমুখী আৰু বিক্ৰমকেশৰীয়ে দেখা মাত্ৰকেই চিনি পালে। তাৰে এখন নাৱত পুজাৰীয়ে থিয় হৈ হাত এখন দাঙি কৈছে, "জলসৰ্পই আমাৰ পিছ লৈছে। নাও চৰৰ আৰু কাষলৈ লৈ বলা।"

খন্তেক পিছতে শিখিমুখী আৰু তেওঁৰ দলে সেই ভয়ংকৰ জলসৰ্পক দেখিবলৈ পালে। তাৰ মূৰটো সাপৰ দৰে আছিল যদিও গাটো দহ-বাৰটা হাতীৰ দৰে দীঘল আৰু বিশাল আছিল। সি ঠেঙেৰে পানীত লহৰ তুলি পুজাৰীৰ দলৰ নাৱৰ পিছ লৈছিল।

সেই দৃশ্য দেখি শিখিমুখী আৰু তেওঁৰ দলৰ সকলো লোক থক থককৈ কপিবলৈ ধৰিলে। ভাগ্যবশত তেওঁলোকৰ নাও গৈ ইতিমধ্যেই চৰৰ কাষ পাইছিলগৈ। গতিকে তেওঁলোকে ততাতৈয়াকৈ গৈ সেই চৰত উপস্থিত হ'ল।

শিখিমুখী আৰু বাকীসকলে সেই চৰৰ পাৰলৈ উঠি দেখিলে যে জলসৰ্পই পুজাৰীৰ দলৰ নাৱৰ কাষ পাই এজন লোকক গোটাই গোটাই গিলি পেলালে। পুজাৰীকে ধৰি বাকীলোকসকলে ভয়তে পাগলৰ দৰে চিঞৰিবলৈ ধৰিলে। সৰ্পই সেই মানুহটোক গিলি শেষ কৰাৰ পিছত পুণৰ পুজাৰীৰ দলৰ নাৱৰ পিছ লবলৈ ধৰিলে।

"শিখি, এয়াই ভাল সুবিধা। পুজাৰী মোৰ বাণৰ সীমাৰ ভিতৰত আছেনে নাই, মই বাণ নিক্ষেপ কৰি চাও।" এইবুলি কৈ বিক্ৰমে পুজাৰীৰ ওপৰত লক্ষ্য স্থিৰ কৰি বাণ নিক্ষেপ কৰিবলৈ ধৰিলে। *(আগলৈ)*



ব্যৱসায়িক বুদ্ধি

সূৰ্যই মাটিত বহি কলে, ‘‘বস্তুৰ দাম দিনক দিনে বৰ বাঢ়ি গৈছে। শাক-পাচলি বিক্ৰী কৰি জীৱন ধাৰণ কৰাটো অসম্ভৱ হৈ পৰিছে।’’

‘‘কিয় তেনেকৈ কৈছা। কেৱল এই ব্যৱসায়ৰ সম্পৰ্কেহে আমাৰ জ্ঞান আছে। গতিকে আমি এই ব্যৱসায়ত অধিক মনোযোগ দিব লাগে। যদি আমি এতিয়া নতুন ব্যৱসায় আৰম্ভ কৰো, তাৰ বিষয়ে বুজি উঠোতেই বহু দিন লাগিব।’’ তেওঁৰ পত্নী ৰত্নাই কলে।

‘‘মই গোটেই দিনটো চিঞৰি আছো– কিলো ৪০ টকা...কিলো ৪০ টকা। কিন্তু কোনেও কিনিব নোখোজে।’’ সূৰ্যই কলে। তেওঁ হতাশ হৈ পৰিছিল।

‘‘তুমি অলপ সময় জিৰণি লোৱা। মই শাক-পাচলি বিক্ৰী কৰাৰ কাম কৰিম।’’ ঘৈনীয়েক ৰত্নাই কলে। এই কথা শুনি সূৰ্যই এঘূমতি মাৰি লবলৈ গ’ল। তেওঁ যেতিয়া সাৰ পাই উঠিল, দেখিলে, সকলো শাক-পাচলি বিক্ৰী হৈ গৈছে।

‘‘তুমি লোকচান কৰি সকলো শাক-পাচলি বিক্ৰী কৰি দিলা নেকি?’’ সি আচৰিত হৈ ঘৈনীয়েকক সুধিলে।

‘‘মই তুমি কোৱা দামতে সেইবিলাক বেচিলো। মই কিলোত ৪০ টকা বুলি নিচিঞৰি এপোৱাত ১০ টকা বুলি চিঞৰিলো। বহুত মানুহে ১০ টকা শুনি কিনিবলৈ আহিল। তেওঁলোকে পৰিমাণৰ ওপৰত বৰ বেছি গুৰুত্ব নিদিলে।’’

সূৰ্যই পত্নীৰ বুদ্ধিৰ প্ৰশংসা কৰিলে আৰু শাক-পাচলিৰ ব্যৱসায় চলাই যাবৰ বাবে প্ৰেৰণা লাভ কৰিলে। *– বি ভি পাটনায়ক*



অন্ধ চৰকাৰ

বহু দিনৰ আগতে হায়দৰাবাদ চহৰৰ কাষত শুকুৰা নামৰ এক বৃদ্ধই বাস কৰিছিল। তেওঁ নবাবৰ তাত সৰু-সুৰা কাম-বন কৰি কমেও দুটকামান দৰমহা লাভ কৰাৰ আশা লৈ হায়দৰাবাদ চহৰলৈ আহিল। সেই কালত দুটকাৰে এটা পৰিয়ালে সুন্দৰভাবে জীৱন-যাপন কৰিব পাৰিছিল।

শুকুৰাই বহু চেষ্টা কৰাৰ পিছতো কোনো ফল নধৰিলে। তেওঁ বহু দৰ্খাস্ত প্ৰেৰণ কৰিলে। তেওঁৰ চিনাকী কোনো নথকাৰ বাবে সকলো দৰ্খাস্তই পেলনীয়া কাগজৰ পাচিত ঠাই পালে।

শেষত শুকুৰাই সাহস কৰি এটা কাম কৰিলে। তেওঁ কাৰিকৰৰ হতুৱাই এটা ছীল-মোহৰ তৈয়াৰ কৰোৱালে। তাৰপিছত সেইটো লৈ তেওঁ আদালতৰ বাহিৰত বহি থাকিল। সন্মুখত এখন মেজো ৰাখিলে। যিয়েই ভিতৰত দৰ্খাস্ত দিবলৈ যায়, তাৰে দৰ্খাস্তত মোহৰ লগাই তেওঁ প্ৰতিজন ব্যক্তিৰে পৰা মাচুল লবলৈ ধৰিলে।

মানুহবিলাকে ভাৱিলে এই কাম চৰকাৰৰ দ্বাৰাই কৰা হৈছে। লাহে লাহে এয়া এক নিয়মত পৰিণত হ'ল। কেতিয়াবা কোনোবাই মোহৰ নলগালে তেওঁক মোহৰ লগাই আনিবলৈ কোৱা হ'ল। আদালতৰ লোকো এই মোহৰত অভ্যস্ত হৈ পৰিল।

কিন্তু কোনেও এই কথা চিন্তা নকৰিলে যে সেই মোহৰ তাত কিয় লগাব লাগে, বা কাৰ হুকুমত লগোৱা হৈছে। শুকুৰাই অলপ দিনৰ পিছতে বহু টকা অৰ্জন কৰিলে। তাৰ পিছত তাৰ ভয় লাগিল যে কেনেবাকৈ ধৰা পৰিলে নবাবে তাৰ শিৰচ্ছেদ কৰোৱাব। গতিকে তেওঁ এটা উপায় চিন্তা

জি সত্য জগনাথ ৰাও

কৰিলে। তেওঁ আগতে এটা মোহৰত এপইছা মাচুল লৈছিল, সেই মাচুলৰ পৰিমাণ বৃদ্ধি কৰি দুই পইছাকৈ লবলৈ আৰম্ভ কৰিলে। তাৰে এপইছা তেওঁ জমা কৰিবলৈ ধৰিলে।

এইদৰে প্ৰায় দহ বছৰ পাৰ হৈ গ'ল। কিবা কাৰণত এদিনাখন শুকুৰা আদালতলৈ যাব নোৱাৰিলে। সেইদিনাখন যিমান দৰ্খাস্ত জমা হ'ল তাত কোনো মোহৰ নাছিল। আদালতৰ ভিতৰত গোমস্তাই সেই দৰ্খাস্তবিলাক দেখি কলে, ''এইবিলাকত কোনো মোহৰ নাই। এইবিলাক লোৱা নহব।'' তাৰপিছত তেওঁ বৰ চাহাবৰ ওচৰলৈ গ'ল আৰু এই মোহৰৰ বিষয়ে সুধিলে। কিন্তু তেৰো এই বিষয়ে একো নাজানিছিল।

পুৰণি দৰ্খাস্তবিলাক পৰীক্ষা কৰি চোৱা হ'ল। সেই মোহৰত লিখা আছিল– 'অন্ধ চৰকাৰ, পিতলৰ দুৱাৰ, শুকুৰা মোহৰ।' সকলোৰে আঁচৰিত হ'ল।

এই কথা গৈ নবাবৰ কাণত পৰিলগৈ। তেওঁ শুকুৰাক ধৰি আনিবলৈ কলে। চিপাহীয়ে গৈ শুকুৰাক আনি নবাবৰ আগত হাজিৰ কৰিলে। শুকুৰাৰ মনত এই ভয় আছিল যে এদিন নহয় এদিন তেওঁ ধৰা পৰিবই। গতিকে নবাবৰ ওচৰলৈ যাওতে তেওঁ জমা হোৱা ধনখিনি লৈ গ'ল।

নবাবে তাক সুধিলে, ''তুমি কোন? এই মোহৰটো তোমাৰেই নহয় জানো? এই অধিকাৰ তোমাক কোনে দিলে?''

শুকুৰাই একো কথা নলুকুৱাকৈ সকলো কথা নবাবক বিৱৰি কলে। ''আপোনাৰ হিচাপত তিনিহেজাৰ মোহৰ গোট খাইছে। এয়া গ্ৰহণ কৰক।'' এইবুলি কৈ মোহৰখিনি নবাবক দিব খুজিলে।

নবাবে সকলো কথা গম পাই তাৰ বুদ্ধিৰ প্ৰশংসা কৰিলে। তাৰপিছত শুকুৰাক সেই কামতেই মকৰল কৰিলে। কেৱল মোহৰৰ পৰা 'অন্ধ' শব্দটো আঁতৰাই দিলে। বাকী অংশ একেই থাকিল।

শুকুৰাৰ সেই মোহৰ বহু দিনলৈ চলি থাকিল।

অহংকাৰী

এজন দুখীয়া লোকে হাবিলৈ গৈ খৰি কাটি মুঠা বান্ধি বজাৰত বেচি জীৱিকা অৰ্জন কৰিছিল। সেই বজাৰলৈ বহু লোক আহিছিল। দুখীয়া লোকজনে ভাৰ পাতি অনা খৰিৰ বোজা বেচ গধুৰ আছিল, সেইবাবে পথৰ পৰা মানুহবিলাকক আতৰাবৰ বাবে 'ৰাস্তা দিয়া, ৰাস্তা দিয়া'কৈ চিঞৰিছিল।

তাৰ এনে চিঞৰ শুনি বজাৰৰ সকলোৱেই পথ এৰি দিছিল। কিন্তু এদিনাখন এটা অহংকাৰী লোক পথৰ পৰা আতৰি নগ'ল। ফলত খৰিত লাগি তাৰ কাপোৰ ফাটি থাকিল। সেই মানুহটোৰ বৰ খং উঠিল। সি দুখীয়া খৰিকটীয়াক টানি-আজুৰি ন্যায়ালয়লৈ লৈ গ'ল। তাৰ অভিযোগ আছিল যে খৰিকটীয়াৰ খৰি লাগি তাৰ কাপোৰ ফাটি থাকিল। গতিকে সি তাৰ বাবে খৰিকটীয়াৰ পৰা উচিত ক্ষতিপূৰণ লাভ কৰিব লাগে।

ন্যায়াধিকাৰীয়ে দুখীয়া খৰিকটীয়াক বহুতো প্ৰশ্ন সুধিলে। কিন্তু খৰিকটীয়া মনে মনে থিয় হৈ ৰ'ল। শেষত আনটো মানুহক সুধিলে, ''কি হ'ল? তুমি মোৰ ওচৰলৈ বোবা এটা লৈ আহিলা দেখোন।''

''ধৰ্মাৱতাৰ, ই বৰ ধূৰ্ত। মই বাটে পথে ইয়াক চিঞৰি থকা শুনিছো- ৰাস্তা দিয়া, ৰাস্তা দিয়া।'' অহংকাৰী লোকজনে কলে।

''অ' সেইটো কথা, তেওঁৰ চিঞৰ শুনি যদি তুমি পথৰ পৰা আতৰি দিয়া নাই, তেনেহলে সেইটো তোমাৰহে ভুল, খৰিকটীয়াৰ ভুল নহয়। তোমাৰ অভিযোগ বাতিল কৰা হ'ল।'' ন্যায়াধিকাৰীয়ে কলে।





ধাৰ লোৱা বিপদজনক

শ্ৰীপুৰ গাৱত নাৰায়ণ আৰু ৰামমূৰ্তি নামৰ দুজন বন্ধুৱে বাস্ কৰিছিল। ৰামমূৰ্তিৰ খেতিৰ মাটিৰ পৰিমাণ আছিল দহ বিঘা আৰু বিপৰীতে নাৰায়ণৰ কেৱল পাচ বিঘা। ৰামমূৰ্তি সেইবাবে নাৰায়ণতকৈ অৰ্থনৈতিকভাৱে সৱল আছিল।

গাৱৰ খেতিয়কসকলক সুত লৈ পইচা ধাৰে দিবৰ বাবে চহৰৰ পৰা ব্যৱসায়ীসকল আহিছিল। তেওঁলোকে ধাৰ লবৰ বাবে গাৱৰ খেতিয়কসকলক উৎসাহিত কৰিছিল। গাৱৰ খেতিয়কসকলৰ পৰা মাটি–বাৰী আৰু ঘৰ–দুৱাৰ আদি বন্ধকত লৈ তেওঁলোকে টকা ধাৰলৈ দিছিল। কেতিয়াবা তেওঁলোকে ধাৰলৈ লোৱা লোকৰ পৰা খালী কাগজত চহী কৰাই লৈছিল। গাৱৰ লোকসকলেও খেতি বাতি কৰিবৰ বাবে ধাৰ লবলগীয়া হৈছিল। তেওঁলোকে ধাৰলৈ লোৱা টকাৰ বাবে উচ্চ হাৰত সুত পৰিশোধ কৰিবলগীয়া হৈছিল। তথাপিও তেওঁলোকে সাময়িক লাভৰ কথা ভাৱি পইছা ধাৰলৈ লোৱাটো অব্যাহত ৰাখিছিল।

ৰামমূৰ্তিয়ে পইছা ধাৰলৈ লোৱাৰ কোনো প্ৰয়োজন নাছিল। কিন্তু তথাপিও তেওঁ সেই ব্যৱসায়ীসকলৰ পৰা টকা ধাৰলৈ লৈছিল। তেওঁ উৎপাদন কৰা শস্য কলা বজাৰত বিক্ৰী কৰিছিল আৰু প্ৰচুৰ পৰিমাণৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

আনহাতে, নাৰায়ণে পইছা ধাৰলৈ নলৈছিল। তেওঁ সক্ষমতা অনুযায়ী বীজ কিনি নিজৰ মাটিত খেতি কৰি গৈছিল। যদি নিজৰ ওচৰত টকা–পইছা নাথাকে তেন্তে ঘৰৰ কিবা অলংকাৰ আদি বজাৰত বিক্ৰী কৰি দিছিল। তাৰপিছত খেতি চপোৱাৰ পিছত পুণৰ সেইধৰণৰ অলংকাৰ কিনি আনিছিল। এনে কৰাৰ বাবে তেওঁ আধা মাটিতকৈ বেছি মাটিত শস্য আদি লগাব পৰা নাছিল।

তিৰুমলাশ্ৰী



তেওঁৰ বন্ধু ৰামমূৰ্তিয়ে চহৰৰ ব্যৱসায়ীসকলৰ পৰা টকা ধাৰে লবলৈ নাৰায়ণক উপদেশ দিছিল। কিন্তু নাৰায়ণে সেই পৰামৰ্শ কেতিয়াও গ্ৰহণ কৰা নাছিল।

নাৰায়ণৰ পত্নী সীতাই এই কথাটো একেবাৰে ভাল নাপাইছিল। তেওঁ বিচাৰিছিল যে গিৰিয়েকে চহৰৰ ব্যৱসায়ীৰ পৰা সুতত টকা ধাৰলৈ লৈ গোটেইখিনি মাটিতে খেতি কৰক। নাৰায়ণে ধাৰে লোৱাৰ পৰা হব পৰা সকলো ধৰণৰ বিপদৰ কথা পত্নীক কবলৈ চেষ্টা কৰিছিল, ''পইছা ধাৰে লোৱাটো বৰ বিপদজনক। যদি আমি সেই টকা পৰিশোধ কৰিবলৈ সক্ষম নহও, আমি মাটি বাৰী সকলো হেৰুৱাবলগীয়া হব পাৰে। আনৰ পৰা পইছা ধাৰে লৈ এটা জাকজমক জীৱন কটোৱাতকৈ নিজে কষ্টকৰি অৰ্জা টকাকেইটাৰে এটা সাধাৰণ জীৱন কটোৱাই বেছি যুক্তিসংগত। আমি অন্তত সুখত থাকিব পাৰিম যে আমি কাকো টকা উভতাই দিবলগীয়া নাই।'' গিৰিয়েকৰ এনে কথা শুনি সীতাই উচাট মাৰি গুচি গৈছিল আৰু দুদিনমানলৈ মাতবোল কৰা নাছিল।

প্ৰতিকুল বতৰৰ বাবে একেৰাহে দুবছৰ খেতি একেবাৰে ভাল নহ'ল। সকলো খেতিয়কে কঠোৰ পৰিস্থিতিৰ মুখামুখি হবলগীয়া হ'ল। বৃহৎ পৰিমাণৰ মাটিৰ গৰাকী সকলে পৰিস্থিতি চম্ভালি ললে যদিও কম পৰিমাণৰ মাটিৰ গৰাকীসকল বাৰুকৈয়ে বিপদত পৰিল। গোটেই দেশতে খাদ্য-শস্য পাবলৈ নোহোৱা হ'ল।

এনে অৱস্থাত সীতাই নাৰায়ণক টকা ধাৰে লবৰ বাবে আকৌ জোৰ কৰিবলৈ ধৰিলে। কিন্তু এইবাৰো নাৰায়ণ পত্নীৰ কথাত মান্তি নহ'ল। তেওঁ দৃঢ়ভাৱে কলে, ''মই প্ৰয়োজন হলে দিন হাজিৰা কৰিম, কিন্তু তথাপিও মাটিখিনি বন্ধকত থৈ টকা ধাৰলৈ নলও।'' এই কথা শুনি খঙত ঘৈনীয়েক সীতাই মাকৰ ঘৰলৈ গুচি গ'ল। তথাপি নাৰায়ণ নিজৰ সিদ্ধান্তত অলৰ হৈ থাকিল।

কেইদিনমানৰ পিছত চোৰাংচোৱাই এই কথাৰ সন্তেদ উলিয়ালে যে ৰামমূৰ্তিয়ে তেওঁৰ উৎপাদিত শস্য অধিক দাম লৈ কলা বজাৰত বিক্ৰী কৰে। লগে লগে চৰকাৰৰ পুলিছে আহি তেওঁৰ ঘৰত তালচী কৰিলে। এই তালচীত তেওঁলোকে কলা বজাৰত বিক্ৰী কৰিবৰ বাবে থৈ দিয়া বৃহৎ পৰিমাণৰ শস্য জব্দ কৰিলে। শাস্তি হিচাপে তেওঁ এক বৃহৎ পৰিমাণৰ ধন জৰিমণা ভৰিবলগীয়া হ'ল। জেল খোৱাৰ পৰা

বাচিবৰ বাবে ৰামমূৰ্তিয়ে তেওঁৰ প্ৰায় সমষ্ট টকা জৰিমণা দিবলগীয়া হ'ল।

ইফালে ধাৰলৈ টকা দিয়া চহৰৰ ব্যৱসায়ীসকলক টকা উভতাই দিয়াৰ সময় পালেহি। হাতত টকা নথকাত ৰামমূৰ্তিয়ে সেই টকা আৰু তাৰ সুত পৰিশোধ কৰিব নোৱাৰিলে। টকা ঘূৰাই নোপোৱাত ব্যৱসায়ীসকলে ৰামমূৰ্তিৰ ঘৰ-মাটিৰ সকলোবিলাক নিজৰ নামত কৰি ললে।

ৰামমূৰ্তিয়ে সেই ব্যৱসায়ীসকলক বহু অনুৰোধ কৰি আৰু কিছু সময় দিবৰ বাবে অনুৰোধ কৰিলে। কিন্তু তেওঁলোক কোনোৱেই ৰামমূৰ্তিৰ কথা শুনিবলৈ মান্তি নহ'ল। ফলত তেওঁ মাটি-বাৰী সকলো হেৰুৱাই প্ৰায় সৰ্বশ্ৰান্ত হ'ল।

নাৰায়ণে এই ঘটনাৰ বিষয়ে শুনিব পাৰি বৰ দুখী হ'ল। তেওঁ বন্ধুৰ ওচৰলৈ গৈ সান্তনা দিলে। তেওঁ কলে, "কেৱল আনে টকা ধাৰলৈ দিলে বুলিয়েই তাক গ্ৰহণ কৰাটো কেতিয়াও যুক্তিসংগত হব নোৱাৰে। ধাৰলৈ টকা ললে এজন মানুহ যিকোনো সময়তে বিপদত পৰিব পাৰে। গতিকে সেই ব্যৱসায়ীসকলৰ পৰা সুতত টকা ধাৰলৈ লোৱাটো হ'ল তোমাৰ প্ৰথম ভুল। তাৰপিছত তুমি কলা বজাৰত শস্য বিক্ৰী কৰি দ্বিতীয়টো ভুল কৰিলা। এনে কৰি তুমি কেইটামান টকা বেছিকৈ উপাৰ্জন কৰিলেও বহু লোকক শস্য কিনাত বেছি টকা ব্যয় কৰিবলৈ বাধ্য কৰিলা। কলা বজাৰত শস্য বিক্ৰী কৰাটো আইনবিৰোধী।"

বন্ধুৰ কথা শুনি ৰামমূৰ্তিয়ে তলমূৰ কৰি ৰ'ল। নাৰায়ণে পুণৰ কলে, "এতিয়া বাদ দিয়া সেইবোৰ কথা। দুখ নকৰিবা। যি হ'ল হৈ হ'ল। মই মোৰ পত্নীৰ কিছু অলংকাৰ বজাৰত বিক্ৰী কৰি দিম আৰু তুমি মই দুয়ো মিলি মোৰ মাটিত একেলগে খেতি কৰিম। তুমি কি ভাবা?"

এই কথা শুনি ৰামমূৰ্তিৰ চকু চলচলীয়া হৈ পৰিল। তেওঁ বন্ধুক সাৱতি ধৰিলে।

নাৰায়ণৰ পত্নী সীতাইয়ো এই সকলোবিলাক ঘটনাৰ কথা গম পালে। তাই উপলব্ধি কৰিলে যে গিৰিয়েকে যি কথা কৈছিল সেয়া শুদ্ধ। তাই ঘৰলৈ উভতি আহি ক্ষমা খুজিলে।



বেটুপাতৰ কাহিনী

উৰিষ্যাৰ পুৰীত থকা জগন্নাথ মন্দিৰ হ'ল হিন্দু ধৰ্মৰ চাৰি ধামৰ এক।

এসময়ত সবৰ জনগোষ্ঠীৰ মুখিয়ালে নিলাদ্ৰী অৰণ্যত ভগৱানক নীল মাধৱৰ ৰূপত পুজা কৰিছিল। সেইসময়ত অৱন্তী ৰাজ্যত ইন্দ্ৰদুম্ন্য নামৰ এজন ৰজা আছিল আৰু তেওঁ বিষ্ণুৰ পৰম ভক্ত আছিল। তেওঁ সপোনত দেখিলে যে ভগৱানক উৎকলত সকলোতকৈ উপযুক্ত ৰূপত প্ৰত্যক্ষ কৰিব পাৰি। তেওঁ বিদ্যাপতিক তাৰ সন্ধানত প্ৰেৰণ কৰিলে। কিন্তু জনগোষ্ঠীয় মুখিয়ালে তেওঁ পুজা কৰা ঠাইৰ বিষয়ে জনাবলৈ মান্তি নহ'ল। বিদ্যাপতিয়ে সেই ঠাইতে বাহৰ পাতি থাকিল আৰু শেষত সেই ঠাই বিচাৰি উলিয়ালে। সেই তথ্য তেওঁ ৰজালৈ প্ৰেৰণ কৰিলে। কিন্তু ৰজাই নিজে সেই গুহালৈ গৈ নীল মাধৱৰ মূৰ্তি বিচাৰি নাপালে। ৰজা বৰ দুখী হৈ পৰিল। তাৰপিছত তেওঁ পুণৰ সপোনত দেখিলে যে যদি তেওঁ অশ্বমেধ যজ্ঞ আয়োজন কৰে তেন্তে সাগৰৰ উপকুলত এটুকুৰা কাঠ বিচাৰি পাব আৰু তাত মূৰ্তি কাটি উলিয়াব পাৰিব। তেওঁ অশ্বমেধ যজ্ঞ কৰাৰ পিছত উপকুলত সেই কাঠৰ টুকুৰা বিচাৰি পালে। নিৰ্মাণৰ দেৱতা বিশ্বকৰ্মা এজন বৃদ্ধলোকৰ বেশত আৱিৰ্ভাৱ হ'ল আৰু সেই মূৰ্তি কাটি উলিয়াবৰ বাবে দায়িত্ব ললে। তেওঁৰ চৰ্ত আছিল যে তেওঁ ২১ দিন এটা বন্ধ কোঠাৰ ভিতৰত সেই কাঠৰ টুকুৰা লৈ কাম কৰিব আৰু সেই সময়চোৱাত কোনেও তেওঁক আমনি কৰিব নোৱাৰিব। প্ৰথম দুসপ্তহত কোঠাৰ ভিতৰৰ পৰা হাতুৰী আৰু কৰত মৰাৰ শব্দ শুনিবলৈ পোৱা গ'ল। কিন্তু তাৰ পিছত সকলো শব্দ বন্ধ হৈ পৰিল। কৌতুহলত ৰাণী গুণ্ডিচ আৰু ৰজা ইন্দ্ৰদুম্যই সেই কোঠাৰ দুৱাৰ খুলি দি দেখিলে যে স্থপতি অন্তৰ্ধ্যান হ'ল আৰু মূৰ্তিকেইটা আধা কটা অৱস্থাত পৰি আছে। ৰজা বৰ দুখী হ'ল। তেওঁক আকাশবাণীয়ে আধা সজা মূৰ্তিকেইটাক এটা মন্দিৰ সাজি তাত স্থাপন কৰি পুজা কৰিবলৈ কলে। বৰ্তমানৰ মন্দিৰটো হ'ল ১২শ শতিকাত নিৰ্মাণ কৰা। ৰাণীয়ে দুৱাৰ খোলাৰ লগে লগে বিশ্বকৰ্মা অন্তৰ্ধ্যান হোৱা দৃশ্যটোৱেই হ'ল এই মাহৰ বেটুপাতৰ দৃশ্য। এই চিত্ৰ শ্ৰীবাপাই ১৯৯০ চনত অংকন কৰা আৰু সেই চনৰে মে মাহৰ সংখ্যাৰ বেটুপাত আছিল।

আশাকৰো তোমালোকে বেটুপাতৰ কাহিনী উপভোগ কৰিলা। অহামাহত আন এখন সুন্দৰ ছবিৰে সৈতে তোমালোকক লগ ধৰিম। *– সৌম্যা ভৰদ্বাজ*

মই কি হ'ব পাৰো?

গীত গোৱাটো একেসময়তে মনোৰঞ্জনৰ আহিলাও হব পাৰে আৰু পেশাও হব পাৰে। সংগীত সকলো ঠাইৰে সকলো ধৰণৰ লোকৰ মাজত জনপ্ৰিয়। ইয়াক পেশা হিচাপে গ্ৰহণ কৰিব পাৰি।



বাৰু, সংগীতক কেনেকৈ পেশা হিচাপে গ্ৰহণ কৰিব পাৰি সেই বিষয়ে আলোচনা কৰো আহা। সংগীত হ'ল মানুহৰ সৰ্বোৎকৃষ্টসফলতা বিলাকৰ ভিতৰত এটা। ই হ'ল এক বিশ্বজনীন শব্দ যি মানুহৰ মাজত আৱেগ জগাই তুলিব পাৰে। সংগীত হ'ল আচলতে মনৰ আহাৰ।

নানা ধৰণৰ সংগীত আছে। সেইবিলাকৰ ভিতৰত কিছুমান হ'ল- ধ্ৰুপদী, লোকসংগীত, জাজ, পপ, ৰক ইত্যাদি। সংগীতৰ ক্ষেত্ৰখনত নানা ধৰণৰ সুবিধা আছে। এজন গায়ক বা বাদক বা শিক্ষক হোৱাৰ ওপৰিও উপযুক্ত লোকে গীতিকাৰ, সংগীতকাৰ, সংগীত পৰিবেশক, সংগীত সংবাদদাতা, ডিস্ক জকি বা ভিডিঅ' জকি আৰু সংগীত থেৰাপিষ্ট হবলৈ চেষ্টা কৰিব পাৰে। দূৰদৰ্শনৰ দৰে টিভি চেনেল, আকাশবাণী, ব্যক্তিগত খণ্ডৰ এফ এম চেনেল, সংস্কৃতি আৰু জনসংযোগৰ দৰে চৰকাৰী বিভাগ, সংগীতৰ ওপৰত গৱেষণা কৰা প্ৰতিষ্ঠান, শৈক্ষিক প্ৰতিষ্ঠান, কলা কেন্দ্ৰ আদিৰ দৰে অনুষ্ঠানত চাকৰি লাভ কৰা সুবিধা আছে। বাতৰি কাকত আৰু আলোচনীসমূহেও সংগীত সমালোচক, সংগীত সংবাদদাতা নিযুক্ত কৰা দেখা যায়। আনকি এনে শিক্ষা গ্ৰহণ কৰা লোকে ব্যক্তিগত টিউচন কৰিব পাৰে, সংগীতৰ বিদ্যালয় আৰম্ভ কৰিব পাৰে বা সংগীতৰ প্ৰগ্ৰেম নিৰ্দেশনা কৰাৰ কামো কৰিব পাৰে। আজি, চেটেলাইট টেলিভিচনৰ যুগত সংগীতৰ চেনেলসমূহৰ জনপ্ৰিয়তা দিনক দিনে বৃদ্ধি পাইছে আৰু লগে লগে সংগীতক লৈ স্থাপিত হোৱা ব্যৱসায়ো বৃদ্ধি পাইছে।



আজিৰ সংগীত জগতখনৰ পৰিসৰ বেছ বিশাল। সংগীতৰ লগত সম্পৰ্কিত নানা ধৰণৰ কামক পেশা হিচাপে গ্ৰহণ কৰা সুবিধা আছে। সেইবিলাকৰ ভিতৰত মুখ্য কেইটামান হ'ল – ১. সংগীতকাৰ আৰু গীতিকাৰ, ২. গায়ক আৰু বাদক, ৩. সংগীত প্ৰযোজক, ৪. শিল্পী আৰু সংগীত প্ৰবন্ধন, ৫. সংগীত সংবাদদাতা, ৬. সংগীত শিক্ষক, ৭. সংগীত থেৰাপিষ্ট, ৮.মিউজিক'ল'জিষ্ট, ৯. ভিডিঅ' জকি (ভিজে) বা ডিস্ক জকি (ডিজে), ১০. সংগীতালয়ৰ বিষয়া।

–ছাই

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ – ৪০

(১৬ বছৰতকৈ কম বয়সৰ ল'ৰা – ছোৱালীৰ বাবে)

Co-sponsored by Infosys FOUNDATION, Bangalore

সঠিক উত্তৰ দিওঁতা জনক ₹২৫০/- টকাৰ পুৰস্কাৰ দিয়া হ'ব।*

***যদি সম্পূৰ্ণ সঠিক উত্তৰ দিওঁতা এজনতকৈ বেচি হয়, প্ৰত্যেকজন সফল প্ৰতিযোগীক ₹৫০/- টকাকৈ পুৰস্কাৰ দিয়া হ'ব।**

তুমি কি কৰিব লাগিব:

১) এখন কাগজত উত্তৰবোৰ লিখা।

২) তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে ঘৰৰ সম্পূৰ্ণ ঠিকনা লিখা।

৩) লেফাফাৰ ওপৰত চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ–৪০ লিখা।

৪) তোমাৰ উত্তৰ ৩০ জুন ভিতৰত পাব লাগিব।

৫) সঠিক উত্তৰ ২০১২ চনৰ আগষ্ট মাহৰ সংখ্যাত প্ৰকাশ কৰা হ'ব।

ভাৰতীয় আৱিষ্কাৰসমূহ

১. ০ সংখ্যাটো কোনে আৱিষ্কাৰ কৰিছিল?

২. কোনে প্ৰথমবাৰৰ বাবে 'কেটাৰেক্ট অপাৰেচন' সমাধা কৰিছিল?

৩. কোনে 'ত্ৰিকোণমিত্ৰিক ফাংচনসমূহ' গ্ৰহণ কৰিছিল?

৪. উদ্ভিদৰ বৃদ্ধি আৰু বিকাশ জুখিব পৰা যন্ত্ৰটো কোনে আৱিষ্কাৰ কৰিছিল?

৫. কোন খেলক দবা খেলৰ উৎস বুলি কব পাৰি?

৬. পৃথিৱীৰ কোন ঠাইত প্ৰথমখন বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল?

৭. খ্ৰীষ্টপূৰ্ব ৮০০ চনত কোনে পাইথাগোৰাছৰ সূত্ৰ আৱিষ্কাৰ কৰিছিল?

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ–৩৭, ফেব্ৰুৱাৰী ২০১২ চনৰ উত্তৰ:

১. ষ্ট্ৰবেৰী, ২. কিৱি, ৩. কল, ৪. আম, ৫. আভকাডু বা বাটাৰ ফ্ৰুট ৬. মেংগষ্টিন, ৭. ভিটামিন, ৮. ফ্ৰুক্টজ

২০১২ চনৰ ফেব্ৰুৱাৰী মাহৰ সাধাৰণ জ্ঞান (GK) কুইজ প্ৰতিযোগীতাৰ কোনো বিজেতা নাই।

কৌতুক

শিক্ষক : পাপু, তুমি লিখা 'মোৰ কুকুৰ' ৰচনাখন তোমাৰ ভাইটিৰ লগত একেই হৈছে। তুমি তাৰ পৰা চাই চাই লিখিলা নেকি?

পাপু : নহয় চাৰ, আমি দুয়োটাই একেটা কুকুৰৰ ওপৰত ৰচনা লিখাৰ বাবেহে এনে হৈছে।

প্ৰথম ল'ৰা : মোৰ বুৰঞ্জীৰ শিক্ষকে মোক কৈছে যে মোৰ গৱেষণাৰ বাবে ইন্টাৰনেট ব্যৱহাৰ কৰা উচিত। ই বৰ সহায়কৰ।

দ্বিতীয় ল'ৰা : সঁচা নেকি?

প্ৰথম ল'ৰা : সঁচা, মই এতিয়ালৈকে ১৭ জন লোকৰ সন্ধান পাইছো, যি গৱেষণা পত্ৰ বিক্ৰী কৰে।

এজন কলেজৰ ছাত্ৰক তেওঁৰ ৰুটিন সম্পূৰ্ণ কৰিবলৈ এটা সৰু দুঘন্টাৰ কোৰ্ছৰ প্ৰয়োজন হ'ল আৰু উপলব্ধ কোৰ্ছৰ ভিতৰত আছিল কেৱল বন্য প্ৰাণীবিদ্যা।

এসপ্তাহৰ পিছত এটা পৰীক্ষা পতা হ'ল। শিক্ষকে চাৰিটুকুৰা কাগজ সকলোকে দিলে। প্ৰতিটো টুকুৰাতে কেৱল একোটা চৰাইৰ ঠেংৰ চিত্ৰ আছিল। প্ৰতিজন ছাত্ৰকে সেই ঠেংৰ চিত্ৰ চাই চৰাইকেইটা চিনাক্ত কৰিবলৈ কোৱা হ'ল। সকলো ছাত্ৰই আৰম্ভ কৰিলে আৰু প্ৰশ্ন দেখি সেই ছাত্ৰৰ খং উঠিল।

শেষত তেওঁ বহাৰ পৰা উঠি শিক্ষকৰ টেবুলত প্ৰশ্ন থকা কাগজ টুকুৰাকেইটা আৰু বহীখন দলি মাৰি দিলে। "এইটোৱেই হ'ল মই দিয়া পৰীক্ষাবিলাকৰ ভিতৰত সকলোতকৈ বেয়া।"

শিক্ষকে সুধিলে, "ডেকা ল'ৰা, তুমি একো লিখিব নোৱাৰিলা। তোমাৰ নাম কি?"

ছাত্ৰই পেন্টটোৰ ঠেং এটা ওপৰলৈ কোচাই শিক্ষকক দেখুৱাই কলে, "আপুনি কওক এতিয়া।"

বৰা বা ডউনাটত থকা বিন্ধাটোৰ কাহিনী

এডমিৰেল ৰিচাৰ্ড বাইৰ্ড এজন ডউনাটৰ বিশেষ ভক্ত আছিল। তেওঁ দক্ষিণ মেৰুলৈ অভিযান চলাওতে লগত প্ৰায় ১০০ পাউণ্ডতকৈ (প্ৰায় ৪৫ কিলোগ্ৰাম) অধিক ডউনাট প্ৰস্তুত কৰিব পৰা ময়দা লগত লৈ গৈছিল। সেইখিনি দুবছৰৰ বাবে যথেষ্ট আছিল।



ডউনাটৰ এক বিশেষ দিন আছে। আমেৰিকা যুক্তৰাষ্ট্ৰত জুলাই মাহৰ প্ৰথমটো সপ্তহত 'ৰাষ্ট্ৰিয় ডউনাট দিৱস' পালন কৰা হয়। যুদ্ধৰ সময়ত সৈনিকসকলক ডউনাট যোগান ধৰা 'চেলভেশ্বন আৰ্মী সেচ্ছাসেৱক' সকলক সন্মান জনাবৰ বাবে এই দিৱস ১৯৩৮ চনৰে পৰা পালন কৰা হৈ আহিছে। সেই দিনটোত বহু দোকানে মানুহৰ মাজত বিনামূলীয়াকৈ ডউনাট বিতৰণ কৰে।

প্ৰথম বিশ্বযুদ্ধৰ সময়ত, বহু সেচ্ছাসেৱকে আমেৰিকাৰ সৈন্য সকলক উৎসাহ যোগাব বাবে ডউনাট প্ৰস্তুত কৰি তেওঁলোকৰ মাজত বিতৰণ কৰিছিল। প্ৰথম দিনাখনৰ পৰা এই ডউনাটে বেছ জনপ্ৰিয়তা লাভ কৰিছিল। সেনাৰ দীঘল শাৰীয়ে এই ডউনাটৰ বাবে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি ৰৈছিল। প্ৰথম দিনা ১৫০ টা ডউনাটেৰে আৰম্ভ কৰি সেচ্ছাসেৱকসকলে এটা সময়ত এদিনত প্ৰায় ৯০০০ টা ডউনাট তৈয়াৰ কৰিবলগীয়া হৈছিল।

সকলো ডউনাটৰে বিন্ধা নাথাকে। পেকজকি হ'ল পোলেণ্ডত তৈয়াৰী পৰম্পৰাগত ডউনাট। কাৰ্নিভেল উৎসৱৰ সময়ত সিবিলাকক 'ফেট মংগলবাৰ' বা 'মাৰ্ডি গ্ৰাছ'ৰ দিনাখন ভক্ষণ কৰা হয়। এই কথা সহজতেই গম পাব পাৰি যে সেই দিনটোত মানুহে কিয় এই ডউনাট ভক্ষণ কৰে। ব্ৰত ৰখাৰ আগতে এই দিনটোত মানুহে অধিক চৰ্বীযুক্ত আহাৰ গ্ৰহণ কৰে। পেকজকি গাখীৰ কণী ময়দা চেনী আৰু ঘিউ বা জেলীৰে তৈয়াৰ কৰা হয়।

অলাইবলেন হ'ল আন এক প্ৰকাৰৰ বিন্ধা নথকা ডউনাট। এই ডউনাট প্ৰথম অৱস্থাত ডিচেম্বৰৰ ২৬ তাৰিখৰ পৰা জানুৱাৰীৰ ৬ তাৰিখৰ ভিতৰত নেদাৰলেণ্ডৰ জামনিক জনজাতি সকলে ভক্ষণ কৰিছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে অশুভ আত্মাবিলাকৰ লগত দেৱী পাৰ্চটাই আকাশত ভ্ৰমণ কৰিছিল আৰু যাকেই ৰাস্তাত লগ পাইছিল তাৰেই পেট ফালি পেলাইছিল। কিন্তু অলাইবলনত থকা তেল আৰু চৰ্বীৰ বাবে এই ডউনাট খোৱাসকলৰ গাত দেৱীৰ তৰোৱাল পিচলি পৰিছিল। সুন্দৰ যুক্তি, নহয়নে বাৰু?

হেমন্ত কালত বাগিছাৰ পৰা চিঙি অনা সজীৱ আপেলতকৈ ভাল কি হব পাৰে? চাইডাৰ ডউনাট। আপেল চাইডাৰ হ'ল কম মিঠা কৰি আপেলৰ পৰা তৈয়াৰ কৰা নেছেকা পাণীয়। চাইডাৰ ডউনাটবিলাক চাইডাৰ তৈয়াৰ কৰা কাৰখানাত বিক্ৰী কৰা হয় আৰু সেইবিলাক হ'ল মিঠা আৰু মছলাযুক্ত। ইয়াৰ লালীত চাইডাৰ, দালচেনী ধৰণৰ এক গছৰ ছাল আৰু গোলাপী জামু জাতীয় এক প্ৰকাৰ ফল ব্যৱহাৰ কৰা হয়।

বাৰ্লিনাৰ হ'ল এনে এক প্ৰকাৰৰ ডউনাট যাৰ মাজত জাম বা জেলী ভৰাই দিয়া হয়। সেইবিলাকক জামনীৰ কিছুমান অঞ্চলত 'ফানকুচেন' বুলি কোৱা হয়। নৱবৰ্ষৰ আগৰ ৰাতি আৰু 'মাৰডি গ্ৰাছ' উৎসৱৰ সময়ত এইবিলাক পৰিবেশন কৰা হয়। তাত সাধাৰণতে মানুহে কৰা দুষ্টমি হ'ল, জাম বা জেলীৰ ঠাইত মিঠাতেল ঢালি ডউনাট তৈয়াৰ কৰি পৰিবেশন কৰাটো।

দক্ষিণ কোৰিয়াৰ লোকসকলে গুলপীয়া, সেউজীয়া, বগা আদি নানা ৰঙৰ ডউনাট তৈয়াৰ কৰে। সেইবিলাকৰ মাজত তেওঁলোকে ভৰাই দিয়ে আঠাজাতীয় চাউলৰ গুৰিৰ পৰা তৈয়াৰ কৰা একপ্ৰকাৰৰ মিশ্ৰণ। সেই মিশ্ৰণত ৰঙা মাহ আৰু আমাৰ চিনাকি তিলো থাকে।

বৰা বা বড়ুশ্বাহ হ'ল আমাৰ দেশৰ ডউনাট। তাৰে এটা হ'ল মছলাযুক্ত আৰু আনটো হ'ল মিঠা। বিশেষকৈ দক্ষিণ ভাৰতৰ ৰাস্তাৰ কাষত থকা সৰু সৰু দোকানবিলাকৰ পৰা আদি কৰি ডাঙৰ ৰেষ্টুৰেণ্টবিলাকলৈকে সকলো ঠাইতে বৰা পোৱা যায়। বড়ুশ্বাহক সাধাৰণতে জিলিকি থকা ডউনাট বুলি অভিহিত কৰা হয়।

কথাৰ মালিহা

তুমি বাৰু কেইটা ভাৰতীয় ভাষা জানা? এতিয়া চান্দমামাৰ সহায়ত ভাষা শিকা আৰু প্ৰত্যয়েৰে ভাৰতৰ অন্বেষন কৰা !

English	Only two days.	How is the preparation?
Assamese	কেৱল দুদিন।	প্ৰস্তুতি কেনে?
Telugu	రెండు రోజులు మాత్రమే. ৰেন্দু ৰজুলু মাথ্ৰামে.	సన్నాహం ఎలా ఉంది? সান্নাহাম ইলা ভূন্ধি?
Tamil	இரண்டு நாட்கள் தான்! ইৰান্ধু নাটকল থান.	நீ எப்படி படித்திருக்கிறாய்? নি ইপ্পাডি পদিথুককিৰাই?
Bengali	মাত্র দুই দিন। মাত্ৰ দুই দিন।	প্রস্তুতি কেমন হয়েছে? প্ৰস্তুতি কেমন চলছে?
Marathi	फक्त दोन दिवस. ফ্ৰক্ট দুন দিৱস.	पूर्वतयारी कशी झाली आहे? পূৰ্বতৈয়াৰী কছি ঝালি আহে?
Kannada	ಎರಡು ದಿನ ಮಾತ್ರ. ইৰাডু দিনা মাত্ৰা.	ತಯಾರಿ ಹೇಗೆ ನಡೆದಿದೆ? তৈয়াৰী হেগে নাডেডিডে?
Oriya	କେବଳ ଦୁଇ ଦିନ। কেৱল দুই দিন।	ପ୍ରସ୍ତୁତି କିପରି ଅଛି? প্ৰস্তুতি কিপৰি আছি?
Gujarati	ફક્ત બે દિવસ. ফকটা বে দিৱস.	તૈયારી કેવી છે? তৈয়াৰী কেৱে ছে?
Hindi	केवल दो दिन। কেৱল দো দিন।	तैयारी कैसी है? তৈয়াৰী কেইছে হে?
Malayalam	രണ്ടു ദിവസം മാത്രം. ৰাণ্ডু দিৱসম মাথৰাম.	ഒരുക്കങ്ങൾ എങ്ങനെയുണ്ട്? অকক্কাংগল এনগন উণ্ডু?
Santali	ᱠᱷᱟᱞᱤ ᱵᱟᱨ ᱫᱤᱱ ᱪᱩᱢᱩᱝ। খালী বৰ দিন চুমুং.	ᱪᱮᱫ ᱞᱮᱠᱟᱢ ᱪᱚᱯᱚᱫᱚ ᱟᱠᱟᱱ? চেদ লেকাম চপদও অকন?
Sanskrit	केवलं दिनद्वयम्। কেৱলম দিনাদ্বয়ম।	सिद्धता कथं प्रचलति? সিদ্ধতা কথম প্ৰচালতি?

English	It was very easy.	It was very difficult.
Assamese	এইটো একেবাৰে সহজ আছিল।	এইটো বৰ কঠিন আছিল।
Telugu	చాలా సులభం. চালা সুলভম.	చాలా కష్టం. চালা কষ্টম.
Tamil	அது மிகவும் சுலபம். অথু মিকাভুম চুলাবম.	அது மிகவும் கஷ்டம். অথু মিকাভুম কষ্টম.
Bengali	সেটা খুব সহজ ছিল। সেটা খুব সহজ ছিল।	সেটা খুব শক্ত ছিল। সেটা খুব শক্ত ছিল।
Marathi	ते खूप सोपं होतं. টে খুপ সপা হতা.	ते खूपच कठीण होतं. টে খুপচ কঠিন হতা.
Kannada	ಅದು ತುಂಬಾ ಸುಲಭ ಇತ್ತು. অবু টুম্বা সুলভ ইট্টু	ಅದು ತುಂಬಾ ಕಷ್ಟ ಇತ್ತು. অবু টুম্বা কষ্ট ইট্টু
Oriya	ଏହା ଭାରି ସହଜ ଥିଲା। ইহা ভারী সহজ থিলা।	ଏହା ଭାରି କଠିନ ଥିଲା। ইহা ভারী কঠিন থিলা।
Gujarati	તે ખૂબ સહેલું હતું. তে খুব সহেলু হতু.	તે ખૂબ મુશ્કેલ હતું. তে খুব মুস্কিল হতু.
Hindi	वह बहुत आसान था। বহ বহুত আসান থা।	वह बहुत कठिन था। বহ বহুত কঠিন থা।
Malayalam	അത് വളരെ എളുപ്പമായിരുന്നു. অথু ভলরে ইলুপ্‌পময়িকন্নু.	അത് വളരെ പ്രയാസമായിരുന്നു. অথু ভলরে প্রয়সমায়িকন্নু.
Santali	ᱱᱚᱣᱟ ᱟᱰᱤ ᱟᱞᱜᱟ ᱛᱟᱦᱮᱸᱱᱟ᱾ নরা অদি অলগ টহেনা.	ᱱᱚᱣᱟ ᱟᱰᱤ ᱟᱸᱴ ᱛᱟᱦᱮᱸᱱᱟ᱾ নরা অদি অন্ত টহেনা.
Sanskrit	तत् अतिसुलभम् आसीत्। তত অতিসুলভম আছিত।	तत् अतिकठिनम् आसीत्। তত অতিকঠিনম আছিত।

হাতী আৰু জলকীয়া

সাম্প্ৰতিক কালত মানুহে অৰণ্যৰ পিছত অৰণ্য ধ্বংস কৰি গৈছে। ফলত বন্যজন্তুবিলাকৰ বিচৰণস্থলী কমি যাব ধৰিছে। খাদ্যৰ সন্ধানত গাঁৱৰ ভিতৰলৈ বনৰীয়া হাতী সোমাই আহিব ধৰিছে। অসমৰ বন বিভাগে হাতী খেদোৱাৰ বাবে এক অভিনৱ উপায় উলিয়াইছে। এই পদ্ধতি প্ৰয়োগ কৰি কৃতকাৰ্যতাও লাভ কৰিছে। বিশ্বৰ ভিতৰতে অন্যতম জ্বলা থকা জলকীয়া (ভূত জলকীয়া) এই কামত ব্যৱহাৰ কৰা হৈছে। বন বিভাগে কৈছে যে এই জলকীয়াৰ গুড়ি এক বিশেষ প্ৰকাৰৰ তেলৰ লগত মিহলাই সেই মিশ্ৰণ ৰচীত লগাই গাঁৱৰ চাৰিওফালে বান্ধি ৰখা হয়। এই জলকীয়াৰ পোৰণি ইমানেই তীব্ৰ যে ডাঠ ছালৰ হাতীয়েও সেই পোৰণি সহ্য কৰিব নোৱাৰে আৰু পলাই যায়।

আনকি ৱৰ্ল্ড ৱাইড ফাণ্ডেও এই আঁচনিক সমৰ্থন জনাইছে। এই প্ৰকল্প ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত থকা কিছুমান গাঁৱত ইতিমধ্যেই আৰম্ভ কৰা হৈছে। এই গাঁৱবিলাক সোণাই-ৰূপাই অভয়াৰণ্যৰ নিকটৱৰ্তী আৰু সেই অভয়াৰণ্য বহু বনৰীয়া হাতীৰ বাসস্থান।

শিশু পঞ্চায়ত

প্ৰায় ৯ কিলোমিটাৰ জুৰি থকা নতুন দিল্লীৰ গোবিন্দপুৰী নামৰ এক বস্তি অঞ্চল আন এটা সাধাৰণ বস্তি অঞ্চলৰ দৰেই। কিন্তু এটা দিশৰ পৰা ইয়াৰ বিশেষত্ব আছে। সেই বস্তিত বাস কৰা শিশুসকলে এক শিশু পঞ্চায়ত গঠন কৰিছে। তেওঁলোকে নানা ধৰণৰ সমস্যা যেনে, শিশুৱে স্কুললৈ যোৱা বাদ দিয়া, পৰীক্ষাত কৃতকাৰ্য হব নোৱাৰা আদি সমাধান কৰাৰ দায়িত্ব হাতত লয়। সেইবিলাক সমস্যা সমাধান কৰাৰ বাবে তেওঁলোকে নানা ধৰণৰ আঁচনি লয়। সেইবিলাকৰ ভিতৰত আছে- কলেৰা আৰু শিশুৱে ড্ৰাগছ ব্যৱহাৰ কৰাৰ ফলত হব পৰা সমস্যাৰ ওপৰত তথ্যচিত্ৰ, প্লাষ্টিক বা মাটিৰে নানা ধৰণৰ মূৰ্তি তৈয়াৰ কৰাৰ কৰ্মশালা, পুতলা তৈয়াৰ কৰা আৰু ধাতুৰ পাতৰ ওপৰত ছবি তৈয়াৰ কৰা, দুখীয়া লোকক সহায় কৰাবৰ বাবে টকা সংগ্ৰহ কৰিবৰ বাবে বাটৰ নাট ইত্যাদি। এটা সেচ্ছাসেৱী সংগঠন কমিউনিটি এইড স্পনছৰশ্বিপ প্ৰগ্ৰেম(CASP)এ তেওঁলোকক এই পঞ্চায়ত গঠন কৰিবৰ বাবে অনুপ্ৰাণিত কৰে।

দুটা আন্তৰ্জাতিক সংগঠন- ইউনাইটেড ষ্টেটছ এজেঞ্চি ফৰ ইন্টাৰনেচনেল ডেভেলপিং আৰু মেকআৰ্থাৰ ফাউণ্ডেচনে CASPক এই প্ৰকল্পত সহায় কৰি আহিছে।

CHANDAMAMA'S

Ramayana

An Epic Journey





Follow the epic journey of Prince Rama, from his birth to his exile, from the abduction of his wife, Sita, to his great war with the Asura King, Ravana, in Chandamama's latest offering: Ramayana - An Epic Journey.

Price: Rs 449/-

To place an order, go to www.chandamama.com

Chandamama's Ramayana is available only in English at all leading book shops.


ৰসিক মানুহ
বীৰবল
ৰজা কোন?
১. পাৰ্চিয়াৰ ৰজাই বীৰবলৰ বিষয়ে বহু প্ৰশংসা শুনি তেওঁৰ ৰাজসভালৈ আমন্ত্ৰণ কৰিলে। তেওঁ গৈ পাৰ্চিয়াৰ ৰাজসভা পোৱাত ৰাজকীয় আদৰণি জনোৱা হ'ল।
২. ৰাজসভাত ঘটনা দেখি বীৰবল আঁচৰিত হ'ল। ৰাজসভাত সকলোৱে ৰজাৰ দৰে একে কাপোৰ পৰিধান কৰি সিংহাসন সদৃশ আসনত উপবিষ্ট হৈ আছে।
৩. বীৰবলে ইফালে সিফালে চালে – 'সকলোৰে মাজত ৰজা কোনজন?' তেওঁ বুজিব পাৰিলে যে এয়া তেওঁৰ বুদ্ধিমত্তাক পৰীক্ষা কৰি চাবৰ বাবেই কৰা হৈছে।
৪. বীৰবলে প্ৰতিজন লোকৰ মুখলৈ ভালদৰে লক্ষ্য কৰিলে। ইয়াৰ মাজৰ এজন নিশ্চয় ৰজা, কিন্তু কোনজন?
৫. তেওঁ সকলোৰে আদব-কায়দা অলপ সময় ধৰি অধ্যয়ণ কৰিলে। তাৰপিছত তেওঁ ৰজা কোনজন সেই কথা গম পোৱাৰ লগে লগে এটা মিচিকীয়া হাঁহি মাৰিলে।

৬. বীৰবলে তেওঁৰ ওচৰলৈ আগুৱাই গ'ল আৰু সন্মান প্ৰদৰ্শন কৰিলে আৰু কলে, "বাদশ্বাহ, মোৰ প্ৰণাম গ্ৰহণ কৰক।"



৭. ঘটনা দেখি ৰজা আঁচৰিত হ'ল। "তুমি ইমান খিনি মানুহৰ মাজত মোক কেনেকৈ চিনি পালা, বীৰবল?" ৰজাই সুধিলে।

৮. "জাহাপানাহ, ইয়াত থকা সকলোৱে আপোনালৈ চাই আছিল। কেৱল আপুনিহে মোলৈ চাই আছিল। সেইবাবে মোৰ বৰ কষ্ট নহ'ল।"

৯. "বীৰবল, তুমি সঁচাই বৰ বুদ্ধিয়ক। তোমাক মই এটা উপযুক্ত পুৰস্কাৰ প্ৰদান কৰিম।" বাদশ্বাহে কলে। "ধন্যবাদ, জাহাপানাহ।" বীৰবলে কলে।

'ফেনুগ্ৰীক', যাক সাধাৰণতে 'মেথি' বুলি জনা যায়, হ'ল বগা ফুলৰ এক প্ৰকাৰৰ সৰু উদ্ভিদ আৰু এই উদ্ভিদৰ বীজধাৰকত সৰু, চেপেটা, হালধীয়া বৰণৰ, সুগন্ধিযুক্ত ১০টাৰ পৰা ২০ টা লৈকে গুটি থাকে। সেই সুগন্ধিযুক্ত গুটিবিলাকৰ সোৱাদ অলপ তিতা হয়। সেই গুটিবিলাকত নানা ধৰণৰ ভিটামিন আৰু খনিজ পদাৰ্থ থাকে। ই প্ৰটিনৰো ধাৰক। মেথিক ভাৰতীয় ব্যঞ্জন প্ৰস্তুতকৰণত বিস্তৃতভাৱে ব্যৱহাৰ কৰা হয়। আয়ুৰ্বেদটো ইয়াৰ ঔষধি গুণৰ কথা উল্লেখ আছে।

তেজত থকা চেনীজানীয় পদাৰ্থৰ পৰিমাণ কম কৰি ৰাখিব পৰা গুণৰ বাবে ই মধুমেহ বা ডাইবেটিছ ৰোগীসকলৰ বাবে বিশেষভাৱে সহায়কৰ। এই উদ্ভিদৰ পাতসমূহত খাদ্যগুণ যথেষ্ঠ। এই উদ্ভিদৰ গুটি নিয়মিত খালে এনিমিয়া ৰোগৰ পৰা সকাহ পোৱা যায়। ইয়াৰ পাত খুন্দি উখহা ঠাইত লগালে ভাল হৈ পৰে।

গুপ্তধনৰ বাকচ

এইমাহত আমি কেইজনমান ঋষিৰ ৰঙীন চিত্ৰৰে এখন স্ক্ৰেপবুক তৈয়াৰ কৰো আহঁা।

বাল্মিকি



অগস্ত্য



অত্রি



দুৰ্বাসা

চৈতন্য

ভৃগু

Chandamama

Art Book

I got Chandamama art book yesterday itself. what a lighting speed. When i see the art book, my 1st impression is "superb printing". In art book each and every image is having nice description in left side of the page. Why don't you mention the description of Chandamama's cover page image monthly wise? Once again thank you for sending the artbook an d Chandamama intime.

With Best Wishes,
Dr. V.V. Venkata Ramana, Hyderabad, AP

Order Now

2 Volumes

₹ 1500/-

Log on to: **www.chandamama.com** or Contact: Chandamama India Ltd.
B3, Cross Road 'B', MIDC, Andheri(E), Mumbai-400093. Ph. No: 022 28312872/28311849

CHANDAMAMA (Assamese) May 2012 Registrar of Newspapers of India No. MAHASS/2010/35906
Licensed to post regd. No. MH/MR/N/134/MBI/10-12